# SILVER JUBILEE SOUVENIR

6,7,8 JAN/96



Sonari College

# স্মৃতি গ্ৰন্থ

## সোণাৰি মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী

৬, ৭ আৰু ৮ জানুৱাৰী, ১৯৯৬ চন

সম্পাদক : ৰবিন চন্দ্ৰ কোঁৱৰ



**মুখ্যমন্ত্ৰী, অসম**

দিনাংক, ১১ ডিচেম্বৰ ১৯৯৫

## শুভেচ্ছাবাণী

চাওঁতে চাওঁতে সোণাৰী মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলেহি। অহা ৬, ৭ আৰু ৮ জানুৱাৰী ১৯৯৬ তাৰিখে এই ৰূপালী জয়ন্তী উৎসৱ পালন কৰিব বুলি জানি মই অতিশয় আনন্দিত হৈছোঁ।

এখন মহাবিদ্যালয় স্থাপন কৰি তাক পূৰ্ণ ৰূপ দিয়া কিমান কষ্টকৰ তাক উদ্যোক্তাসকল, শুভানুধ্যায়ী আৰু শিক্ষকসকলেহে কেৱল অনুধাৱন কৰিব পাৰে। কিন্তু মহাবিদ্যালয় এখনৰ পূৰ্ণ ৰূপটো সম্পূৰ্ণ কৰিব পাৰে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পৰিবেশৰ ওপৰতহে।

সোণাৰী অঞ্চল শিৱসাগৰ জিলাৰ ভিতৰতে আগবঢ়া অঞ্চল। এই কথাটো সোণাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণৰূপে অনুধাৱন কৰি এক পূৰ্ণ শৈক্ষিক পৰিবেশেৰে অধ্যয়নপুষ্ট হৈ ভাৰতবৰ্ষত জাকত জিলিকা নাগৰিক হিচাপে নিজকে গঢ়ি তোলাত ব্ৰতী হওক — এইয়ে মোৰ ৰূপালী জয়ন্তীৰ দিনত শুভেচ্ছা।

স্বাঃ —
(হিতেশ্বৰ শইকীয়া)

সম্পাদক, স্মৃতিগ্ৰন্থ,
সোণাৰী মহাবিদ্যালয় ৰূপালী
জয়ন্তী উদ্‌যাপন সমিতি।

**SARAT BARKOTOKY**
Minister of State
(Independent Charge)
Flood Control,
Assam, Dispur

GUWAHATI-6
Phone : 560503 (O)
562283 (R)



**MESSAGE**

It gives me great pleasure to learn that the Organisers of Silver Jubilee Celebration Committee of Sonari College is going to bring out a Souvenir on the auspicious occasion of its Silver Jubilee which will be held from 6th to 8th January, 1996.

I hope that the celebration a great success.

Lastly, I convey my best wishes to the organisers of the celebration Committee as well as the teachers and students.

Sd/-
(S. BARKOTOKY)

Sri Robin Chandra Konwar,
Editor, Souvenir,
Silver Jubilee Celebration,
Sonari College, Sonari.

MUKUNDA MADHAVA SHARMA,
M.A., PH.D., D. LITT. (CAL). KAVYATIRTHA
Vice-Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM : INDIA
PH : 70239 (O)
70203 (R)

No. DU/VC/95/4249
25th November '95

**MESSAGE**

I am very happy to learn that the Sonari College is going to celebrate its Silver Jubilee in January, '96. It is indeed a matter of great pride for any deficit college of the State to have come to a stage of celebrating its Silver Jubilee. This college could obviously come to this stage only because of sacrifice, hard work, social service and generosity of certain persons some of whom might have already passed away. At this moment I pay my homage to those persons who were associated with the establishment and development of this college while they were in this world. I also take this opportunity to congratulate those organisers who are still alive and also the members of the College Governing Body, its Principal, its teachers, the Ministerial staff and other members of the staff and whole band of the students, past and present on the occasion of the Silver Jubilee.

I wish the Silver Jubilee Celebration a grand success. I also wish the Souvenir a grand success, and I wish the Sonari College a very very bright future.

Sd/—

**( Mukunda Madhava Sharma )**

**N. K. CHAUDHURY,**
M. Sc., Tech, Ph. D. FIE (I)
*Vice Chancellor*

PHONE : OFF. 570412
: RES. 570408
FAX : 0361—570133
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
GUWAHATI—781014
Assam : India

*6 December 1995*

MESSAGE

On the occasion of Silver Jubilee Celebration of Sonari College I wish to offer my greetings and good wishes to the students, teachers and other employees, past and present, of the college and to all others associated with it. I also express my appreciation of the good work done by all those whose efforts made it possible for the college to attain its present state of development.

I hope Sonari College wil continue to play an admirable role in the field of higher education for the welfare of the people of the area. I wish the college a bright future and the Silver Jubilee celebration a grand success.

*Sd/—*

**( N. K. Chaudhury )**
Vice-Chancellor
Gauhati University

# সূচীপত্ৰ

সম্পাদকীয়—
উন্নয়ন আৰু উচ্চ শিক্ষানুষ্ঠান —ড° কুলেন্দু পাঠক /১
সূৰ্য্যকুমাৰ ভূঞা আৰু বেণুধৰ শৰ্মা : এটি দৃষ্টিভঙ্গী —ড° অমলেন্দু গুহ / ৪
জীৱনৰ মৰ্য্যাদা —ড° স্বৰ্ণলতা বৰুৱা /৭
নৈতিকতা আৰু মূল্যবোধৰ শিক্ষা —ড° লক্ষ্মীনাথ কোঁৱৰ /১১
ঔদ্যোগিক জীৱন আৰু অসমীয়া সমাজ —ড° ভীমকান্ত বৰুৱা /১৪
জ্ঞান আৰ্জনৰ আনন্দ —ড° প্ৰদীপ কুমাৰ গগৈ /১৮
জ্যোতিপ্ৰসাদৰ বিশ্বায়তন : এটি সমীক্ষা —ড° শিৱনাথ বৰ্মন /২৪
অসমৰ গ্ৰাম্য অৰ্থনৈতিক বিকাশত মুগা শিল্প —বুদ্ধিন গগৈ /২৮
আধুনিক কবিতা আৰু কবি-মানস —ডিম্বেশ্বৰ বড়া /৩৩
আদৰ্শ শিক্ষক —ৰবিন চন্দ্ৰ কোঁৱৰ /৪১
শঙ্খধ্বনি —এ. কে. আহমেদ /৪৪
সেউজীয়া এটি পথ বিচাৰি —পুলিনা দত্ত /৪৪
শুকুলা পখীৰ সন্ধানত —ৰতি প্ৰভা গগৈ /৪৫
দুঃসময় —চন্দন বৰগোহাঁই /৪৫
ঋতুমতী পথাৰখনৰ দৰে······ —জোনমণি বৰুৱা /৪৬
তুমি মোৰ প্ৰেৰণা —হীৰা বুঢ়াগোহাঁই /৪৭
বিচ্ছিন্নতা বনাম প্ৰগতি : আহোমসকলৰ ভৱিষ্যত —ড° হীৰেণ গোহাঁই /৫৪
কলিজাত কবৰ খান্দি আত্মগোপন —কমলচন্দ্ৰ শইকীয়া /৫৮
মাইক বাজিলেই উছৰ হোৱা হলে / দুঃসময় —কমলা বৰগোহাঁই /৫৯
প্ৰতীতি —কবিতা গগৈ (চাবুকধৰা) /৫৯
কবি তোমালৈ ভাস্কৰ চাংমাই বৰুৱা, সংকল্প —গুণলতা শইকীয়া /৬০
চৰাইদেউ মহকুমাৰ অৰ্থনৈতিক প্ৰতিচ্ছবি —দিলীপৰঞ্জন বৰুৱা /৬১
সোণাৰি মহাবিদ্যালয় – এটি বিৱৰণ – গোলাপ বৰগোহাঁই /৭০

স্মৃতি ৰোমন্থন

ৰূপালী জয়ন্তী— এক সোণালী স্বপ্ন —প্ৰণৱ কুমাৰ খাউণ্ড /১
মোৰ স্মৃতি —খুশী প্ৰামাণিক /৪
সোণাৰি কলেজত যৌৱনৰ তিনিবছৰীয়া উপলব্ধি আৰু স্মৃতি —ৰ'জকমল মহন /৬
আদৰণি —জুৰি দেৱী /৮
সোণাৰি মহাবিদ্যালয় আৰু মই —সুৰেশ দাস /৯
মই সোণাৰিয়ে কৈছো —ডিম্বেশ্বৰ গগৈ /১২

Feminism and Literature —Dr. Aparna Mahanta /1
Identity card to the voters : Its relevance and problems —Dr. Girin Phukon /8
Talking along a beam of light : The other way to communication —Dr. S. Gogoi /12
Good Nutrition and Health —Ranjit Ch. Buragohain /15
Leonardo : The Fusion of Art and Science —Pallav Jyoti Dutta /19
The Art of the Narrative in *Jiwanar Batat, Ganadevta* and *Matir Manish* —Dr. Ananda Bormudoi /22
Attitudes / Feelings —Bidhan Sinha /28

# সম্পাদকীয়

ভাৰতৰ বহুতো উন্নত ৰাজ্য বিলাকৰ তুলনাত অসমৰ দৰে শিক্ষাৰ ক্ষেত্ৰত তুলনামূলক ভাৱে পিছপৰা ৰাজ্যৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠা একোটা অঞ্চলৰ উন্নয়নৰ মাইলৰ খুটি বুলি কব পাৰি। এনে শিক্ষানুষ্ঠান এখনৰ ক্ৰমোন্নতিৰ খতিয়ান ডাঙি ধৰিবৰ বাবে পঁচিশ বছৰ দৰাচলতে যথেষ্ট নহয় যদিও এই কথা কোৱা অপ্ৰাসংগিক নহব যে, প্ৰয়োজনীয় শৈক্ষিক সা-সুবিধা বোৰৰ অভাৱৰ সত্বেও এই মহাবিদ্যালয়খনিয়ে এক বিস্তৃত অঞ্চলৰ সমাজ জীৱনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে। অনাগত দিনবোৰত ভৱিষ্যৎ প্ৰজন্মই অতি ক্ষিপ্ৰভাৱে মহাবিদ্যালয়খনিক বিভিন্ন দিশত ক্ৰমোন্নতিৰ জখলাত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত যত্নপৰ হব— আমি এই আশা ৰাখিলো। এই আপাহতে আমি আমাৰ সীমিত জ্ঞান-বুদ্ধি ও অভিজ্ঞতাৰে সামগ্ৰিক ভাৱে দেশৰ শিক্ষা ব্যৱস্থা, শৈক্ষিক পৰিবেশ ও সামাজিক মূল্যবোধৰ অৱক্ষয় ইত্যাদি শিক্ষাৰ সৈতে জড়িত বিষয় সমূহৰ ওপৰত বিহঙ্গম দৃষ্টিৰে আলোকপাত কৰিবৰ প্ৰয়াস কৰিছো।

সমাজ পৰিবৰ্ত্তনশীল ও গতিশীল। আমি আটাইয়ে একবিংশতিতম্ শতিকালৈ গতি কৰাৰ আগমুহূৰ্ত্তত আমাৰ ছাত্ৰ-ছাত্ৰী তথা যুৱতী-যুৱতী সকলক অভূতপূৰ্ব্ব পৰিবৰ্ত্তন ও সম্ভাৱনাৰে সমৃদ্ধ একবিংশতিতম্ শতিকাৰ বাবে সম্পূৰ্ণভাৱে উপযুক্ত কৰি তুলিবৰ বাবে আমাৰ হাতত এটাই মাত্ৰ কাৰ্য্যক্ষম (effective) আহিলা— সেয়াই হৈছে 'শিক্ষা'। ১৯৮৬ চনত ভাৰত চৰকাৰে প্ৰৱৰ্ত্তন কৰা "নতুন শিক্ষানীতি" নামে জনাজাত শিক্ষা সম্পৰ্কীয় পৰামৰ্শাৱলী সন্নিবিষ্ট "Challenge of Education— Policy Perspective" (August 199১) ৰ প্ৰস্তাৱনাত এনেদৰে উল্লেখ কৰিছে।

"The country now stands on the threshold of the 21 st century. Those who are being born now will finish their elementary schooling at the turn of the century and enter into a

world, which will, it is already clear, offer opportunities unprecedented in the history of mankind···· apart from the imperatives arising out of a continuing revolution in the world of technology, India is faced with challenges at home······· education is the most effective instrument to meet these challenges".

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব্ব উন্নতি ও সাফল্যৰ যুগত শিক্ষাৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাই যোৱাৰ পৰিপ্ৰেক্ষিতত দেশৰ প্ৰচলিত শিক্ষা ব্যৱস্থা যিমান দূৰ সম্ভৱ আসোঁৱাহ মুক্ত হোৱাটো বাঞ্ছনীয়। কিন্তু, এই ক্ষেত্ৰত উল্লেখনীয় দিশটো হল এই যে, কেন্দ্ৰত চৰকাৰৰ পৰিবৰ্ত্তন ঘটিলেই প্ৰায়েই দেশৰ শিক্ষা ব্যৱস্থাৰো পৰিবৰ্ত্তন ঘটাবলৈ প্ৰয়াস কৰা দেখা যায়। প্ৰচলিত কোনো এটা শিক্ষা-ব্যৱস্থাৰ সৈতে সংশ্লিষ্ট মহলবোৰে সম্পূৰ্ণভাৱে খাপ খুৱাই লবলৈ নৌ-পাওঁতেই নতুন শিক্ষা-নীতি এটিৰ সন্মুখীন হব লগা হয় ১৯৮৬ চনত।

সুস্থ-সবল ব্যক্তিত্ব আৰু মানসিকতাৰ অধিকাৰী হোৱাকৈ শিক্ষাৰ্থীসকলক গঢ় দিবলৈ যাওঁতে যাতে নতুন শিক্ষানীতি প্ৰচলনৰ প্ৰক্ৰিয়াত অবাঞ্ছনীয়ভাৱে তেওঁলোক গিণিপিগ, (guineapig) লৈ যাতে ৰূপান্তৰিত নহয়, —তাৰ বাবে দায়িত্বশীল মহলে সচেতনতা অৱলম্বন কৰিলে শিক্ষা জগতৰ অভিশাপ স্বৰূপ অনৰ্থক অপচয় ৰোধ কৰাটো সম্ভৱ হ'ব। যেইকোনো শিক্ষা-নীতিৰ সু-ফলসমূহ শ্ৰেণী কোঠালৈ লৈ যোৱাৰ গুৰু দায়িত্ব বহন কৰা বিভিন্ন স্তৰত নিয়োজিত শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কে, চি, পণ্টে (K. C. Pant) কোৱা এযাৰ কথা ভাবি চাব লগীয়া যেন অনুমান হয়—

"Where there is no sense of dedication, policies good or bad become words without meaning". শিক্ষাদান কাৰ্য্য ফলপ্ৰসূ হবলৈ হলে অনুকূল পৰিবেশ এটাৰ প্ৰয়োজন অনস্বীকাৰ্য্য। থোৰতে কবলৈ গলে এটা সুস্থ শৈক্ষিক পৰিবেশৰ অবিহনে শিক্ষাদানৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱেই অসাৰ হৈ পৰে বুলি কলেও অত্যুক্তি কৰা নহয়। এই ক্ষেত্ৰত বাঞ্ছিত সু-ফল লাভ কৰিবলৈ হলে শিক্ষা জগতৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে জড়িত সকলো মহলেই— চৰকাৰ, শিক্ষক সমাজ, অভিভাৱকবৃন্দ ও ছাত্ৰ-ছাত্ৰী সমূহ— সচেতনতা অৱলম্বন কৰিব লাগিব। বীৰ সিং (Bir Singh) নামৰ এজন শিক্ষাবিদে কবৰ দৰে বিশেষতঃ চৰকাৰ আৰু সমাজৰহে এই সম্পৰ্কত দায়িত্ব তুলনামূলক ভাৱে বেছি। "The Government and the community should endeavour to create conditions which will help motivate and inspire teachers on constructive and creative lines".

সাধাৰণ শিক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে 'মূল্যবোধ'ৰ ওপৰত কিছু পৰিমাণে আলোকপাত কৰাটো নিশ্চয় অপ্ৰাসংগিক নহব। বিভিন্ন শিক্ষাবিদে শিক্ষা সম্পৰ্কীয় আলোচনা কৰোঁতে প্ৰায়েই আক্ষেপ কৰা পৰিলক্ষিত হয় যে, আজিকালি সমাজৰ সকলো স্তৰতে মূল্যবোধৰ অৱক্ষয় ঘটিছে। সঁচাই ই এটা সমাজ-সচেতন সকলো ব্যক্তিৰ বাবেই চিন্তনীয় বিষয়।

সমাজ জীৱনৰ সকলো স্তৰতে পৰিলক্ষিত হোৱা এনে অবাঞ্ছনীয় পৰিবেশ দূৰ কৰাৰ একমাত্ৰ উপায় হ'ল— প্ৰমূল্যৰ ওপৰত প্ৰতিষ্ঠিত শিক্ষা (value-based education)। ঠিক একেধৰণৰ ধাৰণাকেই বিখ্যাত অৰ্থনীতিবিদ্ ও আইনবিদ্ Nani A. Palkhivala ই তেখেতৰ "We the Nation— The Lost Decades" নামৰ গ্ৰন্থ খনিত সন্নিবিষ্ট "Female Education – The Priority of Priorities" নামৰ অধ্যায়টিৰ এঠাইত ব্যক্ত কৰিছে এনেদৰে— "It is now acknowledge all over the world that value-based education is the only instrument for transmuting national talent into national progress".

মানৱীয় সনাতন প্ৰমূল্য সমূহৰ প্ৰতি সমাজৰ উঠি অহা যুৱক-যুৱতী সকলক আকৃষ্ট কৰিব নোৱাৰিলে শৈক্ষিক জগতত দেখা দিয়া আসোঁৱাহ সমূহ দূৰ কৰাটো সম্ভৱ হব যেন মনে নধৰে। বিশেষকৈ, শিক্ষাৰ অন্যতম উদ্দেশ্য— অৰ্থাৎ 'চৰিত্ৰ চহকী' কৰা (enrich the character) বাস্তৱত ৰূপায়িত কৰিবলৈ হলে সঁচাই 'সাহস, বৌদ্ধিক সততা (intellectual integrity) আৰু প্ৰমূল্যৰ ওপৰত প্ৰতিষ্ঠিত নৈতিক নেতৃত্ব'ৰ আৱশ্যক হব।

কিছুলোকে এটা মত পোষণ কৰা দেখা যায় যে কলা (Arts) সাধাৰণ শিক্ষাৰ এই দুটা ভাগৰ ভিতৰত বিশেষকৈ আধুনিক যুগত কলা সম্পৰ্কীয় বিজ্ঞান বিষয় সমূহৰ যেনে, নন্দনতত্ত্ব আৰু সাহিত্য অধ্যয়ন অপ্ৰাসঙ্গিক। কিন্তু এই সকল ব্যক্তিয়ে এটা কথালৈ লক্ষ্য ৰাখিলে উপকৃত হ'ব যে, বিজ্ঞান আৰু কলাই সামৰি লোৱা (deal) প্ৰমূল্যবোৰ একেধৰণৰ নহয়। থোৰতে কবলৈ গ'লে বিজ্ঞানে সামৰি লোৱা (deal) প্ৰমূল্যবোৰ যান্ত্ৰিক হে (instrumental) প্ৰকৃত (intrinsic) নহয়। বিজ্ঞানৰ বস্তু ধৰ্ম্মিতাক অধিক গুৰুত্ব দিয়াৰ বাবে মানৱৰ ব্যক্তিত্বৰ মনোধৰ্মী দিশ (aspect) টোক সম্পূৰ্ণভাৱে আওকান কৰা হৈছে। বৰ্ত্তমান

যুগৰ 'আধ্যাত্মিক অসুস্থতাবোধ'ৰ ( spiritual malaise ) বহুলাংশৰ মূলতে হ'ল পৃথিৱীখনৰ 'প্ৰযুক্তি বিদ্যাগত আধুনিকীকৰণ ( technological modernisation )। আজিকালি আধুনিক শিক্ষাৰে শিক্ষিত অনেক ব্যক্তি সংস্কৃতি সম্পন্ন ব্যক্তি হিচাপে গঢ় লৈ উঠা দেখা নাযায়। প্ৰযুক্তি জ্ঞান আৰু সংস্কৃতি দুয়োটাৰে মাজত যেন অলঙ্ঘনীয় প্ৰাচীৰ যাৰ ফলস্বৰূপে আমি পাওঁ এনে এজন ব্যক্তি যি কাৰিকৰী বিষয়ক শিক্ষাৰে শিক্ষিত কিন্তু সংস্কৃতিৰ ফালৰ পৰা চাবলৈ গ'লে তেনেই শৈশৱকালীয় ( infantile )। এই কথাষাৰকেই ওপৰত উল্লেখ কৰা শিক্ষাবিদ্ গৰাকীয়ে একে প্ৰবন্ধৰে অন্য এঠাইত এনেদৰে ব্যক্ত কৰিছে।

"The divorce between knowledge and culture conspires to create a human being who is technically knowledgeable but culturally infantile".

এনে এটা জটিল পৰিস্থিতিৰ অৱসান ঘটাবলৈ হ'লে আমি কলা আৰু বিজ্ঞান দুয়োটাকে সামৰি লব পৰা আৰু দুয়োটাৰে সমন্বয় সাধন কৰিব পৰা শৈক্ষিক পাঠ্যক্ৰম তথা 'শিক্ষা' দানৰ ব্যৱস্থা কৰিব লাগিব। চমু কথাত ক'বলৈ গলে, শিক্ষাৰ সমস্ত প্ৰক্ৰিয়াটো সমাজৰ সকলো শ্ৰেণীলোকৰ বাবে ফলপ্ৰসূ আৰু অৰ্থপূৰ্ণ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষ, অভিভাৱকবৃন্দ সমন্বিতে ৰাইজ, শিক্ষক সমাজ আৰু ছাত্ৰ-ছাত্ৰীসকল এই সকলোৰে যে গুৰুত্বপূৰ্ণ ভূমিকা আছে এই কথা অনস্বীকাৰ্য্য। কিন্তু সেয়ে হলেও বিখ্যাত কোঠাৰী আয়োগৰ এষাৰ কথাৰ 'জাতিৰ ভাগ্য শ্ৰেণী কোঠাৰ চাৰি বেৰৰ ভিতৰতেই নিৰ্ণয় কৰা হৈ আছে' ( .... the destiny of the nation is being shapped within the four walls of the class room ) অন্তৰ্নিহিত যথাৰ্থতা অনুধাৱন কৰিলে এই ক্ষেত্ৰত শিক্ষক সমাজৰ ভূমিকাই আটাইতকৈ গুৰুত্বপূৰ্ণ যেন অনুমান হয়।

শিক্ষা জগতৰ সৈতে জড়িত এজন ব্যক্তি হিচাপে আমাৰ নিজৰ সীমিত জ্ঞান আৰু অভিজ্ঞতাৰ সম্পৰ্কে আমি সম্পূৰ্ণ সজাগ হোৱা সত্বেও 'শিক্ষা'ৰ সৈতে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ থকা বুলি মনে ধৰা কেইটামান বিষয়ৰ ওপৰত 'বিহঙ্গম' দৃষ্টিৰেই আলোকপাত কৰাৰ বিনম্ৰ প্ৰয়াস কৰিলো। ,সহৃদয় পঢ়ুৱৈ সমাজে আমাৰ লেখাখিনি সেই দৃষ্টিভঙ্গীৰেই গ্ৰহণ কৰিব বুলি আমাৰ একান্ত বিশ্বাস। কাৰণ, আমি সৰ্ব্বান্তঃকৰণে অনুভৱ কৰোঁ যে, প্ৰকৃত অৰ্থত 'উপদেশ' দিয়াৰ ধৃষ্টতাকণ আমাৰ নাই।

'স্মৃতিগ্ৰন্থ' এখনৰ সম্পাদনাৰ দৰে গধুৰ দায়িত্ব ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিয়ে এই অভাজনৰ ওপৰত ন্যস্ত কৰাত সেই দায়িত্ব আমি ৰাইজৰ 'আদেশ' বুলি শিৰ পাতি ললোঁ। আমাৰ দায়িত্ব পালনত সম্পাদনা সমিতিৰ অন্য কেওগৰাকী সদস্য-সদস্যাৰ পৰা বিভিন্ন ধৰণে সহযোগিতা পাই অহাৰ কথা অকপটে স্বীকাৰ কৰিছো। মোৰ সহকৰ্মী বন্ধুবৰ শ্ৰীঅৰ্পণ কুমাৰ বৰুৱাদেৱে ছপাশালৰ সৈতে প্ৰাৰম্ভিক যোগাযোগ স্থাপন কৰাকে ধৰি নানান ধৰণে সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতৰ শলাগ লৈছোঁ। বিশেষকৈ 'স্মৃতিগ্ৰন্থ' খনিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ মানসেৰে আমাৰ অনুৰোধ ৰক্ষা কৰি অসমৰ শিক্ষিত সমাজত ভালদৰে পৰিচিত ডঃ হীৰেণ গোহাঁইকে মুখ্য কৰি ভালে কেইগৰাকী অতিথি লিখক-লিখিকাই তেখেত সকলৰ বহুমূলীয়া সময় খৰছ কৰি তেখেতসকলৰ লেখনিসমূহ আমালৈ সময়মতে পঠাই দিয়াৰ বাবে তেখেতসকল আটাই কেওগৰাকীলৈকে আমাৰ ফালৰ পৰা শ্ৰদ্ধা-সিক্ত আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে অন্যান্য লিখক-লিখিকা সকললৈও ধন্যবাদ জনাইছো। স্থানাভাৱৰ বাবে আৰু মানদণ্ডৰ বিবেচনাৰে বিবেচিত নোহোৱা 'লেখা' কেইটিৰ লিখক-লিখিকাসকলে আমাৰ অসমৰ্থতাক সহানুভূতিৰে গ্ৰহণ কৰিব বুলি আশা কৰিলো। এই সুযোগতে, 'স্মৃতিগ্ৰন্থ' খনি ছপাই উলিওৱাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শৰে আমাক উপকৃত কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱৰ শলাগ লৈছোঁ। অতি কম দিনৰ ভিতৰতে 'স্মৃতিগ্ৰন্থ' খনি ছপাই দিয়াৰ দায়িত্ব গ্ৰহণ কৰি আমাক মানসিক সকাহ দিয়াৰ বাবে যোৰহাটৰ 'অপৰূপ প্ৰিণ্টাৰ্চ'ৰ স্বত্বাধিকাৰ শ্ৰীযুত অৰুণ দত্ত দেৱলৈ আমাৰ আন্তৰিকতাপূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছো। 'স্মৃতিগ্ৰন্থ'ৰ বেটুপাত খনি আঁকি দিয়াৰ বাবে বন্ধুবৰ শ্ৰীপদ্মনাথ বৰগোহাঞি দেৱলৈও কৃতজ্ঞতা জনাইছো।

সদৌ শেষত, আমাৰ অজানিতে 'স্মৃতিগ্ৰন্থ' খনিত ৰৈ যাব পৰা সকলো ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি সমূহ ৰাইজলৈ ভক্তিপূৰ্ণ সেৱা জনালো। শিক্ষা জগতত সোণাৰি মহাবিদ্যালয়ৰ সোণালী ভৱিষ্যৎ কামনা কৰিলো।

বিনীত

সোণাৰি
ইং ১/১/৯৬

শ্ৰীৰবিন চন্দ্ৰ কোঁৱৰ
সম্পাদক : স্মৃতিগ্ৰন্থ



সোণাৰি মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি যোগোৱা বহুজনৰ ভিতৰৰে কেইজনমান



৺ হৰনাথ শৰ্মা



৺ প্ৰদোৎ কুমাৰ সিন্‌হা



শ্ৰীসান্তালাল আগৰৱালা



অধ্যক্ষ—শ্ৰীগোলাপ চন্দ্ৰ বৰগোঁহাই



সোণাৰি মহাবিদ্যালয়ৰ একাংশ

## সোণাৰি মহাবিদ্যালয়ৰ আৰম্ভণি দিনৰে পৰা থকা



(বাওঁফালৰ পৰা) বহি : শ্ৰীমতী সোণমাই বড়া, শ্ৰীসুৰেশ দাস, শ্ৰীগোলাপ বৰগোঁহাই, শ্ৰীৰবিন চন্দ্ৰ কোঁৱৰ, শ্ৰীবিষ্ণু বসুমতাৰী (অনুপস্থিত-শ্ৰীমতী কমলাৱতী শইকীয়া)।

থিয় হৈ : শ্ৰীফণী দত্ত ।

## ‘স্মৃতিগ্ৰন্থ’ সম্পাদনা সমিতিৰ সদস্য-সদস্যাবৃন্দ



**(বাওঁফালৰ পৰা) বহি :** শ্ৰীগুণগোবিন্দ বৰকাকতি, শ্ৰীডিম্বেশ্বৰ বড়া, শ্ৰীববিন চন্দ্ৰ কোঁৱৰ (সম্পাদক), শ্ৰীমতী ৰতিপ্ৰভা গঁগৈ।

(আলোক ছবিত নথকা সদস্য-সদস্যাসকল-সৰ্বশ্ৰী সুনীল দত্ত, আফটাবুল হুচেইন, ডিম্বেশ্বৰ গঁগৈ, শ্ৰীমতী পুলিনা দত্ত বড়া)

# উন্নয়ন আৰু উচ্চ শিক্ষানুষ্ঠান

ড° কুলেন্দু পাঠক
অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
কটন কলেজ

আজি অসমত যথেষ্ট শিক্ষানুষ্ঠান গঢ়ি উঠিছে। ভিতৰুৱা অঞ্চলত শিক্ষানুষ্ঠান গঢ় দিয়াৰ ক্ষেত্ৰত অঞ্চলৰ ৰাইজৰ অৱদানৰ কথা কোনেও পাহৰা উচিত নহয়। চাউল চাৰিমুঠি, বাহ এডালৰ পৰা আৰম্ভ কৰি হাজাৰ, দহহাজাৰ টকালৈ ৰাইজে দান বৰঙনি দি আন্তৰিক আগ্ৰহেৰে শিক্ষানুষ্ঠান গঢ়ি তোলে। সকলোৰে আশা অনুষ্ঠানটো যেতিয়া পূৰ্ণাংগ হব তেতিয়া ৰাইজৰ লাভ হব। নগৰত গৈ পঢ়িব নোৱাৰা অৱস্থাৰ বহুতে এনে অনুষ্ঠানৰ পৰা পঢ়ি 'পাচ' কৰি যায়।

ব্যক্তিৰ বা গাইগুটীয়া পৰিয়ালৰ উন্নয়নৰ ক্ষেত্ৰত গাওঁ অঞ্চলত থকা শিক্ষানুষ্ঠানে বিশেষ ভূমিকা গ্ৰহণ কৰাৰ কথা আমি জানো। এনেকুৱা মানুহ আছে যি সকলে গাওঁত কলেজ এখন নথকা হলে চহৰলৈ আহি উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলেহেঁতেন। পিছে শতকৰা হিচাপে তেনে মানুহৰ সংখ্যা বৰ বেছি নহয়। ব্যক্তি হিচাপে এই সকললোক নিশ্চয় উপকৃত হৈছে; কিন্তু আমাৰ বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্নও বৰ জৰুৰী হৈ পৰিছে যে অঞ্চলটোৰ সামূহিক উন্নয়নৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ অনুষ্ঠানৰ ভূমিকা কেনেকুৱা ?

সাধাৰণতে কলেজ, জুনিয়ৰ কলেজ বা উচ্চতৰ মাধ্যমিক শ্ৰেণীত অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, শিক্ষা, ইতিহাস আদি বিষয় শিকোৱা হয়। বিজ্ঞান শাখা থাকিলে প্ৰধানতঃ পদাৰ্থ বিজ্ঞান, ৰসায়ন, জীৱবিজ্ঞান, গণিত আদি বিষয় শিকোৱা হয়। ডিগ্ৰী পৰ্য্যায়তো এনেধৰণৰ বিষয়কে শিকোৱা হয়। এই বিষয়বোৰৰ শিক্ষায়তনিক গুৰুত্বৰ বিষয়ে আলোচনা নকৰাকৈও এটা প্ৰশ্ন তুলিব পাৰি

যে এই বিষয়বোৰৰ আঞ্চলিক প্ৰাসংগিকতা কিমান ?

ভূগোল, অৰ্থনীতি আদি কিছুমান বিষয় আঞ্চলিক প্ৰাসংগিকতাৰ দৃষ্টিকোণৰ পৰা পঢ়ুওৱাত অসুবিধা নাই। আমাৰ গাৱঁলীয়া অঞ্চলৰ আৰ্থ সামাজিক ভিত্তি আৰু উনৈশ শতিকাৰ উদ্যোগ-যুগৰ ইংলণ্ডৰ আৰ্থ সামাজিক পৰিবেশৰ মাজত যথেষ্ট প্ৰভেদ আছে। নকলেও হব যে আমাৰ অৰ্থনীতি বিষয়ৰ বুনিয়াদ ৰচনা কৰা হৈছে আৰ্থিক দিশত অতি উন্নত দেশত উদ্ভূত তত্ত্ব আৰু প্ৰয়োগৰ ভিত্তিত। এক কৃষি ভিত্তিক, গাঁৱলীয়া আৰু পিছ-পৰা অঞ্চলত এনেবোৰ কথা কিমান প্ৰযোজ্য ? এই প্ৰশ্ন আমি গভীৰভাৱে চিন্তা কৰা নাই যেন লাগে।

আমাৰ গ্ৰাম্য অঞ্চলত প্ৰাকৃতিক আৰু পাৰিবেশিক সম্পদৰ অভাৱ নাছিল। এতিয়াও সাৰুৱা মাটি, নিৰ্মল পানী, সূৰ্য্যৰ পাহৰ, বননি, প্ৰাকৃতিক জলাধাৰ আদি অসমৰ বহুতো অঞ্চলতে উভৈনদী। কিন্তু এইবোৰৰ বিজ্ঞানসন্মত সুব্যৱহাৰ আমি কৰিব পাৰিছো নে ? বিজ্ঞান সন্মত ব্যৱ-হাৰৰ বাবে সম্পদবোৰৰ বিষয়ে জৰীপভিত্তিক জ্ঞান অতি প্ৰয়োজনীয়। এইক্ষেত্ৰত পাৰিবেশিক সম্পদৰ বিজ্ঞান ভিত্তিক অধ্যয়ন কৰাৰ সুবিধা থকা ভূগোল বিভাগবোৰে যথেষ্ট আগবঢ়াব পাৰিলেহেঁতেন। কিন্তু আমি জনাত এই দিশত ভূগোল বিজ্ঞানী (শিক্ষক), শিক্ষা প্ৰশাসক আৰু পৰিকল্পনাকাৰী সকলে গভীৰ ভাৱে চিন্তা কৰা নাই। আৰু শিক্ষা ব্যৱস্থা এনেধৰণৰ উন্নয়নমুখী তথা অৰ্থকৰী চিন্তাৰে ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰাৰ প্ৰচেষ্টাৰ পৰা দূৰতে বিদূৰ ! অসমৰ বিভিন্ন অঞ্চলত বহিৰাগতৰ আগ-মন হৈছে। এনে হোৱাটোক আন্দোলন কৰি বাধা দিব নোৱাৰি। কিন্তু দ্ৰুতভাৱে বহিৰাগত মানুহৰ সংখ্যা বৃদ্ধিয়ে প্ৰাকৃতিক, সামাজিক আৰু অৰ্থ-নৈতিক পৰিবেশত বিষম হেঁচাৰ সৃষ্টি কৰে ; বহুতো সময়ত ইক'ছিষ্টেম বিপদাপন্ন হয়, বহুমূলীয়া জীৱ প্ৰজাতি বিনষ্ট হয়। এইবোৰ ঘটনা একেদিনে নঘটে। ক্ৰমান্বয়ে লাহে লাহে আৰু পাছত দ্ৰুত-ভাৱে ঘটে। এনে ঘটনাবোৰৰ তথ্যৰ বাৰ্ষিক ভিত্তিত ৰেকৰ্ড ৰখা হলে আঞ্চলিক উচ্চ শিক্ষাৰ অনুষ্ঠানৰ ভূগোল, উদ্ভিদবিজ্ঞান, সমাজ বিজ্ঞান (বা অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান), প্ৰাণীবিজ্ঞান, নৃবিজ্ঞান আদি বিভাগে ৰখাহেঁতেন তেওঁলোকে Ph. D. গৱেষণা কৰাতকৈও বেছি গুৰুত্বপূৰ্ণ অৱদান আগ-বঢ়াব পাৰিলেহেঁতেন।

অসম তথা ভাৰতত উচ্চশিক্ষাৰ অনুষ্ঠান যি হাৰত বাঢ়িছে (লগতে ডিগ্ৰীধাৰী সংখ্যাও) সেই হাৰত কিন্তু নিৰক্ষৰতাৰ হ্ৰাস হোৱা নাই। হোৱাহ'লে সমগ্ৰ পৃথিৱীৰ মুঠ নিৰক্ষৰৰ আধাতকৈ বেছি লোক বাস কৰা গৌৰৱৰ (?) অধিকাৰী ভাৰতবৰ্ষ নহ'লহেঁতেন। স্বাধীনতাৰ পঞ্চাছ বছৰ পাছতো নিৰক্ষৰতা, অপবিশ্বাস, ধৰ্মান্ধতা আৰু দুৰ্নীতি আমাৰ দেশৰ পৰা নাইকিয়া নহ'ল আৰু তাৰবাবে আমি এতিয়াও বৃটিছ শাসকক দোষ দি থকা উচিত নহয়। বহুতো ভাৰতপ্ৰেমী অথচ ভাৰতীয় নিম্নমানৰ উচ্চশিক্ষাৰ কঠোৰ সমালোচক বিদেশী বিশেষজ্ঞৰ প্ৰশ্ন এনেকুৱা, "কিছুমান ডিগ্ৰী কাকতৰ উৎপাদন কৰাৰ বাহিৰে ভাৰতীয় উচ্চশিক্ষাৰ দেশৰ (বা অঞ্চলৰ) প্ৰকৃত অগ্ৰগতিত কি অৱদান যোগাইছে ?" ব্যতিক্ৰম উল্লেখ কৰিব পৰা যায় যদিও প্ৰশ্নটোৰ উত্তৰ বৰ আশাব্যঞ্জক নহয়।



আমাৰ বোধেৰে দেশৰ বিকাশত অতি সীমিত ধনাত্মক ভূমিকা অন্ততঃ কিছুমান অনু-ষ্ঠানে গ্ৰহণ কৰিছে। কিন্তু এই ভূমিকা বিনি-য়োগ কৰা (কলেজ শিক্ষকৰ প্ৰকৃত দৰমহাৰ পৰিমাণ মন কৰক) ধনৰ আনুপাতিক হৈছে নে ? প্ৰকৃত যোগ্যতা সম্পন্ন আৰু গুণী মানৱসম্পদ সৃষ্টি কৰাত সামগ্ৰিকভাৱে (আমাৰ দেশৰ প্ৰয়ো-জনীয়তাৰ কথা মনত ৰাখিলে) আমাৰ উচ্চ শিক্ষা ব্যৰ্থ হৈছে। আনকি দেশৰ প্ৰতি মমতা থকা আৰু ভাৰতীয় পৰিবেশত সমস্যা সমাধানৰ সামৰ্থ্য থকা আৰু মানৱ সম্পদ সৃষ্টিত I. I. T. ৰ দৰে অতি বিখ্যাত আৰু খৰচী শিক্ষানুষ্ঠানৰ অৱদানো অতি সীমিত।

অথচ এই কথাও সঁচা যে ভাৰতীয় উচ্চ শিক্ষাৰ বাবে প্ৰয়োজনীয় ধনৰ বোজাৰ গুৰু বহণ কৰিছে দেশবাসীয়ে। উচ্চ শিক্ষিত (বা ডিগ্ৰী-ধাৰী) সকলে অন্ততঃ কৃতজ্ঞতাৰ চিন হিচাপে দেশৰ দুৰ্বল জনসাধাৰণৰ প্ৰকৃত সমস্যাবোৰ সমাধানত মনোনিবেশ কৰিলে আটাইৰে উপ-কাৰ হব। আমাৰ উচ্চ-শিক্ষাৰ অনুষ্ঠানবোৰেও তথাকথিত 'চেণ্টাৰ অৱ একছেলেন্স' হবলৈ যত্ন নকৰি গুণী আৰু (বাস্তৱ সমস্যা সমাধানৰ বাবে) প্ৰকৃত যোগ্যতা সম্পন্ন মানৱ সম্পদ সৃষ্টিত মনোনিবেশ কৰিলেহে নিজৰ প্ৰকৃত দায়িত্ব পালনত সফল হ'ব।

卐

আমাৰ শিক্ষা প্ৰণালীত অনেক দোষ আছে আৰু সেই দোষৰ বলিকটা শালত আমি বিনাদোষতে কটা যোৱা হাঁহ-পাৰ ছাগলী। সংস্কৃত শিকাবলৈ গৈ আমাক অমৰকোষ মুখস্থ কৰাই সংস্কৃত ভাষাৰ ওপৰত আমাৰ ভয় আৰু ঘৃণা জীয়াই থকা কাললৈকে অমৰ কৰি দিছে।

—লক্ষ্মীনাথ বেজবৰুৱা

# সূৰ্য্যকুমাৰ ভূঞা
# আৰু
# বেণুধৰ শৰ্মা ঃ এটি দৃষ্টিভঙ্গী

ড° অমলেন্দু গুহ

বেণুধৰ শৰ্মা আৰু সূৰ্য্যকুমাৰ ভূঞা দুয়ো যোৱা শতিকাৰ শেষ দশকত জন্ম লাভ কৰি অসমৰ সাহিত্য সংস্কৃতিৰ জগতখন উজলাই ৰাখিছিল বহু দশক ধৰি স্বাধীনতাৰ আগেয়ে আৰু পাছতো। উভয়ে প্ৰতিকুল অৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰিহে নিজ নিজ কামত আগবাঢ়ি যাব পাৰিছিল, আৰু অৱশেষত অসমৰ চিন্তা জগতত এক স্থায়ী ছাপ ৰাখি যাবলৈ সমৰ্থ হৈছিল।

বেণুধৰ আৰু সূৰ্য্যকুমাৰ উভয়েই কৈশোৰৰ পৰাই দেশ আৰু ৰাইজৰ প্ৰতি দায়বদ্ধতাৰ পৰিচয় দি, জ্বলন্ত দেশ-প্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হৈ সাহিত্য আৰু ইতিহাস চৰ্চাৰ এক নিৰাপদ বাট বিচাৰি লৈছিল। কথাটো অলপ খোলোচাকৈ কওঁ। প্ৰথম মহাযুদ্ধৰ পাছৰ পৰাই সৰ্বভাৰতীয় জাতীয়তাবোধে ক্ৰমে এক সাম্ৰাজ্যবাদ বিৰোধী উত্তাল গণসংগ্ৰামৰ ৰূপ লৈছিল। এই সংগ্ৰামৰ যোগেদিয়ে সৰ্বভাৰতীয় জাতীয়তাবাদী ইতিহাস চৰ্চাৰ বিকাশ ঘটিছিল। বেণুধৰে প্ৰথম জীৱনত জাতীয় কংগ্ৰেছৰ লগত জড়িত হৈ পৰি গাঁৱে-ভূঞে আন্দোলনৰ ভলন্টিয়াৰ হিচাপে ফুৰি অমূল্য অভিজ্ঞতা সঞ্চয় কৰিলেও তেওঁৰ জীৱনৰ এই পৰ্বত অকস্মাৎ ছেদ পৰাটোও লক্ষণীয়। আনকি জীৱিকাৰ তাড়নাত তেওঁ নমাহমান দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত নেশ্যনেল ৱাৰ ফণ্টটো চাকৰি কৰিব লগীয়া হৈছিল। সি যি কি নহওক, অতি সোনকালেই তেওঁ নিজৰ স্বাধীন বিচৰণকেন্দ্ৰ বিচাৰি পালে। সেয়া আঞ্চলিক, লৌকিক ইতিহাস চৰ্চাত। তেওঁৰ দেশপ্ৰেম বিশেষ ভাৱে প্ৰৱাহিত হ'ল আঞ্চলিক ইতিহাস চৰ্চাৰ খাল-ডোঙেদি। দৃষ্টিভঙ্গী তেওঁৰ যিহেতু আছিল অতিপাত আত্মনিষ্ঠ ( subjective ), তেওঁ অসমীয়াক দি থৈ গৈছে ইতিহাসবোধৰ এক খণ্ডিত, বীৰ পূজা কেন্দ্ৰিক অতীতমুখী চেতনা – মানৰ সমাজৰ এক ক্ষুদ্ৰ গোষ্ঠীৰ আশু স্বাৰ্থৰ গণ্ডীৰ ভিতৰত আৱদ্ধ মানৱতাবাদ যাৰ ভিত্তি।

যিখিনি কথা বেণুধৰ সম্পৰ্কে কোৱা হ'ল সেইখিনি থুলমূলকৈ সূৰ্য্যকুমাৰ সম্পৰ্কেও প্ৰযোজ্য। তেওঁ যে কম বয়সতেই দেশৰ উন্নয়নৰ কথা ভাবিছিল তাৰ পৰিচয় তেওঁৰ প্ৰথম গ্ৰন্থ গোপাল কৃষ্ণ গোখলে ( ১৯১৬ )।

স্বাধীনতা আন্দোলনৰ সময়ত সূৰ্য্যকুমাৰ মহাত্মা গান্ধী নাইবা কোনো ধৰণৰ উগ্ৰপন্থাৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল। দেশৰ পৰিস্থিতি সম্পৰ্কে তেওঁৰ মধ্যপন্থী ( moderate ) চিন্তা আৰু দেশপ্ৰেম বৃটিছ শাসকৰ লগত সহযোগিতাৰ ক্ষেত্ৰত বাধা হৈ উঠা নাছিল। যেনে তেওঁ একাধিকবাৰ নিজক বৃটিছ শাসক কূলৰ দ্বাৰা ব্যৱহৃত হবলৈও দিছিল। আনকি ১৯২১ ৰ অসহযোগ আন্দোলনৰ সময়ত চৰকাৰে তেওঁক গুৱাহাটী মিউনিচিপাল বোৰ্ডৰ সদস্য হিচাপে মনোনীত কৰিছিল, যাতে তেওঁ কংগ্ৰেছী সদস্যসকলৰ আক্ৰমণৰ প্ৰতিমুখে চৰকাৰক সহায় কৰিব পাৰে। ঘটনাটো আছিল এনেকুৱা ঃ চৰকাৰে বিচাৰিছিল যে গৱৰ্ণৰক মিউনিচি পালিটিৰ ফালৰ পৰা নাগৰিক সম্বৰ্ধনা জনোৱা হওক। বাধা দিছিল নিৰ্বাচিত সদস্যসকলে আৰু তেওঁলোকেই আছিল সেই সময়ত সংখ্যাগৰিষ্ঠ। সেই সময়তে সূৰ্য্যকুমাৰক সদস্য মনোনীত কৰা হ'ল। তথাপি উভয় পক্ষই সমান ভোট পোৱাত চেয়াৰমেন তৰুণৰাম ফুকনৰ কাষ্টিং ভোটত চৰকাৰী প্ৰস্তাৱ নাকচ হয়।



আকৌ মহাযুদ্ধ আৰু আগষ্ট আন্দোলন চলি থকা সময়ত তেওঁ স্বেচ্ছাই অধ্যাপনাৰ কাম কিছু দিন স্থগিত ৰাখি নেশ্যনেল ৱাৰ ফণ্টৰ সংগঠক হিচাপে কাম কৰাটোও দেখিবলৈ পাইছোঁ। তেওঁৰ এই সক্ৰিয় সহযোগিতাৰ বাবে বৃটিছ চৰকাৰে তেওঁক 'ৰায়বাহাদুৰ' উপাধিৰে ভূষিত কৰিছিল। ৰাজভক্তিৰ সুস্পষ্ট নিদৰ্শন থকা সত্বেও আমি অকুণ্ঠ চিত্তে কব লাগিব যে সূৰ্য্যকুমাৰৰ জীৱনৰ মূল চালিকাশক্তি আছিল দেশপ্ৰেম আৰু ইতিহাসপ্ৰেম— নিজৰ ভাষা সাহিত্যৰ প্ৰতি গভীৰ মমতা বোধ। সৰ্বভাৰতীয় ঐতিহ্য সম্পৰ্কেও তেওঁ সমানে শ্ৰদ্ধাশীল আছিল। সূৰ্য্যকুমাৰৰ ক্ষেত্ৰত তেওঁৰ আঞ্চলিকতাবাদে ভাৰত চেতনা আৰু বিশ্বচেতনা খণ্ডিত কৰিব পৰা নাই। আজিৰ কিছুমান ডেকা-গাভৰুৱে যি স্বাধীন অসমৰ ধ্বনি তুলিছে, তেনেকুৱা কোনো চিন্তা বেণুধৰ আৰু সূৰ্য্যকুমাৰৰ মনত কেতিয়াও উদিত হোৱা নাছিল। তেওঁলোকে ভাবিছিল যুগ সন্ধিক্ষণৰ এক বিশেষ পৰিস্থিতিত অসমৰ আঞ্চলিক জাতীয় জীৱন ইমানেই সংকটাপন্ন হৈ উঠিছে যে আন কাম কাতি কৰি হলেও কিছুমানে অসমীয়া জাতিৰ হৃত গৌৰৱ পুনৰুদ্ধাৰৰ বাবে দেহে-কেহে কাম কাম কৰি যাব লাগিব, বীৰপূজা কৰিব লাগিব, অসমীয়াৰ আত্মবিশ্বাস জগাই তুলিব লাগিব আৰু আত্মৰক্ষাৰ কাৰণে কিছুপৰিমানে হ'লেও জাতিগৰ্বী আৰু সাংস্কৃতিক দিশত আক্ৰমণমুখী (aggressive ) হব লাগিব। গতিকে ইতিহাস ৰচনাৰ ক্ষেত্ৰত তেওঁলোকে ব্যক্তিগত মনোভাৱকেই প্ৰাধান্য দি বিভিন্ন সামাজিক শক্তিৰ বৈজ্ঞানিক বিশ্লেষণৰ প্ৰতি পিঠি দি এক ভাব প্ৰৱণ, আঞ্চলিক,

দেশপ্ৰেমিক ইতিহাস চৰ্চাৰ ঐতিহ্য ৰাখি থৈ গৈছে।

বেণুধৰে তেওঁৰ ইতিহাসবোধৰ দাৰ্শনিক ভিত্তি সম্পৰ্কে ক'তো আলোচনা কৰা নাই আৰু তেওঁৰ ৰচনাত একাধিক দৃষ্টিভঙ্গী সানমিহলি হোৱাত ( ecclecticism ) দেখা যায়। কিন্তু সূৰ্য্যকুমাৰৰ লক্ষ্য স্থিৰ। তেওঁ গ্ৰীক ঐতিহাসিক পলিবিয়াচৰ উদ্ধৃতি দি কৈছে ঃ

'Almost all historians have to eulogies the lessons of history as the truest education and training for practical life and the study of others vicissitudes as the most effective, on indeed the only, school in which the right spirit for enduring the changes of fortune can be acquired. How far I have succeeded in my attempt to follow this ideal is for readers alone to judge—ভূমিকা Aton Buragohain and his times.

সূৰ্য্যকুমাৰে দাবী কৰিছে যে তেওঁৰ ইতিহাস ৰচনাই অসমীয়া মনৰ পাৰিপাৰ্শ্বিকৰ লগত ক্ৰিয়া প্ৰতিক্ৰিয়াৰ এখন ছবি দাঙি ধৰে। তেওঁৰ ভাষাত ঃ 'As the Assamese people have been subjected to indelible influences and changes in the modern times, an intimate study of the past, is the only way by which we can get at the core of the Assamese spirit and the temper.'

বিঃ দ্ৰঃ— লেখকৰ অনুমতি সাপেক্ষে 'ডেউকা' দ্বাদশ সংখ্যাৰ পৰা পুনৰ্মুদ্ৰিত।

আমাৰ এনে শিক্ষাৰ প্ৰয়োজন যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়। যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি আত্মনিৰ্ভৰশীল হব পাৰো।

—স্বামী বিবেকানন্দ।

# জীৱনৰ মৰ্য্যাদা

—ড° স্বৰ্ণলতা বৰুৱা
অধ্যাপিকা, বুৰঞ্জী বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

জীৱনৰ মৰ্য্যাদা বা গুণতা ( Quality of Life ) বোলা কথাফাঁকিৰ বৰ্তমানে বহুল ব্যৱহাৰ হ'বলৈ ধৰিছে। সকলোৰে গ্ৰহণীয় ইয়াৰ এটা সংজ্ঞা দিয়া টান, কাৰণ প্ৰত্যেকেই নিজ নিজ অভিজ্ঞতা আৰু জীৱন দৰ্শনেৰে ইয়াৰ ব্যাখ্যা দিবলৈ বিচাৰে। কাৰোবাৰ মতে ইয়াৰ অৰ্থ হ'ল, সকলো প্ৰকাৰ শোষণৰ পৰা মানুহৰ মুক্তি, কাৰোবাৰ বাবে ই বুজায় বৃত্তি বা চাকৰি জীৱনৰ সফলতা অথবা ব্যক্তিত্বৰ পূৰ্ণ বিকাশ, কোনোৱে ইয়াৰ ব্যাখ্যা দিয়ে ৰোগ-ব্যাধি বা দাৰিদ্ৰ্যৰ নিৰাময়তা বুলি আৰু আন কোনোৱে বুজে আৰ্থিক স্বচ্ছলতা বুলি। এই খণ্ড বাক্যটিৰ বিভিন্ন সংজ্ঞা বা অৰ্থ থাকিলেও, এই কথা ঠিক যে মানৱ সত্বাৰ প্ৰকৃত মূল্য উপলব্ধি কৰা জনেহে জীৱনৰ মৰ্য্যাদাৰ গূঢ়াৰ্থ বুজি পায়।

সকলো জীৱৰ ভিতৰত মানুহ শ্ৰেষ্ঠ, কাৰণ মানুহৰ ভাৱ, অনুভূতি, চিন্তা, স্মৰণ ও কল্পনা শক্তি আছে আৰু এইবোৰক শব্দ বা ভাষাৰে প্ৰকাশ কৰিব পৰা শক্তিও মানুহৰ আছে। এই বিলাক গুণ থকাৰ কাৰণেই মানুহে ভাল বেয়াৰ বিচাৰ কৰিব জানে, নিজৰ বুদ্ধি-কৌশল খটাই জীৱন ধাৰণৰ প্ৰণালীৰ প্ৰগতি সাধন কৰিব পাৰে, নিজৰ আনকি আনৰ অভিজ্ঞতাৰ পৰাও শিক্ষা লব জানে আৰু সুকুমাৰ কলা ও জ্ঞান-বিজ্ঞানৰ চৰ্চা কৰিব পাৰে। মানুহক ভগৱানৰে প্ৰতিকৃতি বোলা হয়, কাৰণ সত্য শিৱ সুন্দৰৰ ৰূপত ভগৱানত যিবোৰ গুণ আৰোপিত কৰা হয় তাৰ প্ৰকাশ্যে মানুহৰ মাজতে দেখা যায়। এই বাবেই মানৱপ্ৰেমী কবিয়ে গাইছে ঃ "সবাৰ ওপৰে মানুষ সত্য, তাহাৰ ওপৰে নাই।" অথবা "মানুহেই দেৱ, মানুহেই সেৱ, মানুহ বিনে নাহি কেৱ।" শ্ৰেষ্ঠতম জীৱ হিচাবে প্ৰতিজন মানুহৰ জীয়াই থকাৰ এটা উদ্দেশ্য আছে, অৰ্থাৎ জীৱনৰ মৰ্য্যাদা বুজা প্ৰতিজন মানুহৰ কিছুমান মূল্যবোধ বা আদৰ্শ আছে। এই মূল্যবোধক লৈ তেওঁ আপোন শক্তি সামৰ্থ্যৰে নিজৰ জীৱন ধাৰণৰ প্ৰণালী এটা তথা কিছুমান নিয়ম-নীতি তৈয়াৰ কৰি লয় আৰু কোনো পৰিস্থিতিতে নিজৰ মূল্যবোধখিনি বিসৰ্জন দিবলৈ ৰাজী নহয়। কেৱল খোৱা-পিন্ধা আৰু ৰং-

তামচাই মানুহৰ জীৱনৰ লক্ষ্য নহয়। ইয়াৰ উৰ্দ্ধলৈ গৈ মানুহে জীৱনৰ মহত্ত্বৰ চিন্তা কৰে— জীৱনক মহীয়ান কৰিবলৈ অহোপুৰুষাৰ্থ কৰে।

মানুহৰ জীৱনৰ তিনিটা দিশ আছে, যথা দৈহিক, মানসিক আৰু পাৰমাৰ্থিক বা আত্মিক। জীৱনৰ মৰ্য্যাদা বজাই ৰাখিবলৈ এই তিনিওটা দিশৰ সমান বিকাশ নিতান্ত প্ৰয়োজন, কাৰণ সিহঁত আন্তঃ সম্পৰ্কীয়। মানুহে খাবলৈ জীয়াই নাথাকে কিন্তু জীয়াই থাকিবলৈ হ'লে মানুহে খাব লাগিব আৰু এই আহাৰ পুষ্টিকাৰক হ'ব লাগিব। তেনেকৈয়ে মানুহক দেহৰ বসন আৰু আশ্ৰয়ৰ বাবে বাসস্থানো লাগিব। চমু কথাত কওঁ জগতৰ নিতান্ত প্ৰয়োজনীয় চাহিদাকেইটা পূৰণ হ'লেহে মানুহে মানসিক উৎকৰ্ষ তথা পাৰমাৰ্থিক দিশৰ চিন্তা কৰিব পাৰে। আনহাতে কেৱল মেধা বা তীক্ষ্ণ বুদ্ধিয়ে কোনো মানুহক জীৱনৰ মৰ্য্যাদা দিব নোৱাৰে যদিহে তেওঁ সজ আচৰণ আৰু চৰিত্ৰ তথা মানবীয় গুণৰ অধিকাৰী নহয়।

এই কথা ঠিক যে জীৱনৰ মহত্ত্বৰ কথা অতি কম সংখ্যক লোকেহে হৃদয়ঙ্গম কৰিব পাৰে। ব্যক্তিগত স্বাৰ্থক ঠেক গণ্ডীৰ পৰা ওলাই গৈ সমূহীয়া স্বাৰ্থৰ বাবে নিজৰ সৰ্ব্বস্ব ত্যাগ কৰা লোকৰ সংখ্যা নিচেই তাকৰ, কিন্তু নিজৰ স্বাৰ্থৰ লগতে সমূহীয়া স্বাৰ্থ মিলাই কৰ্ম্মপন্থা আগুৱাই নিব পাৰিলেও মানুহে জীৱনৰ মহত্ত্ব বহুখিনি উপলব্ধি কৰিব পাৰে।

মানুহৰ চৰিত্ৰৰ দুটা দিশ আছে, এটা ব্যক্তিকেন্দ্ৰিক আৰু আনটো সমাজকেন্দ্ৰিক। সমাজক বাদ দি মানুহে নিজৰ অৱস্থিতিৰ কথা ভাবিব নোৱাৰে, কাৰণ সমাজৰ লগত মানুহৰ সম্পৰ্ক অবিচ্ছেদ্য। গতিকে নিজকে সমাজৰ পৰা বিচ্ছিন্ন কৰি ৰাখি মানুহে জীৱনৰ মৰ্য্যাদা লাভ কৰিব নোৱাৰে, কাৰণ ই হৃদয়ৰ ভিতৰত অনুভূত কেৱল এটা উপলব্ধি নহয়, স্বতঃফুৰ্ত্তভাৱে ইয়াৰ প্ৰকাশ হয় মানুহৰ কৰ্ম্মপন্থাত আৰু মানুহৰ কৰ্ম্মখিনি হ'ল সমাজ।

বিজ্ঞানৰ আবিষ্কাৰে অভূতপূৰ্বভাৱে যোগাযোগ আৰু পৰিবহন ব্যৱস্থাৰ উন্নতি সাধন কৰি আজি পৃথিৱীক এখন সৰু ঠাইলৈ ৰূপান্তৰিত কৰিছে। বিশ্বৰ বিভিন্ন দেশৰ জীৱন যাত্ৰাৰ ছবি আজি প্ৰতিদিনে আমাৰ চ'ৰাঘৰৰ দূৰদৰ্শনৰ পৰ্দাত। এই পৰিস্থিতিত নিজৰ পৰিয়াল আৰু কাষৰ ক্ষুদ্ৰ সমাজখন, যাৰ লগত এজন মানুহৰ প্ৰত্যক্ষ সম্বন্ধ, সেই সীমিত পৰিধি জীৱনৰ মৰ্য্যাদা লাভৰ বাবে যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন বিশ্ব মানৱৰ লগত একাত্ম হোৱাৰ এটা আকাংক্ষা আৰু জীৱনৰ মূল্যবোধৰ উৎকৰ্ষ সাধন কৰিব পৰা বিশ্বজোৰা এটা সুস্থ সামাজিক পৰিৱেশ। কিন্তু সমগ্ৰ বিশ্বতে আজি মানবীয় প্ৰমূল্যৰ যি অৱক্ষয় ঘটিছে সামগ্ৰিক ভাৱে মানুহৰ আজি যি নৈতিক স্খলন হবলৈ ধৰিছে, সংস্কৃতিৰ মজিয়াত দুষ্কৃতিৰ দৈত্যই যি তাণ্ডৱ নৃত্য আৰম্ভ কৰিছে, সেই পৰিৱেশত মানুহে জীৱনৰ মৰ্য্যাদা লাভ কৰাটো সম্ভৱ নহয়। মানুহ আজি যন্ত্ৰৰ দ্বাৰা এনে ভাৱে পৰিচালিত যে মানুহৰ স্বভাৱজাত কোমল অনুভূতিবোৰো যন্ত্ৰৰ বিভিন্ন আহিলাপাতিত ৰূপান্তৰিত হৈছে। বস্তু জগতৰ ভোগ লালসাই মানুহক ইমান মতলীয়া কৰিছে যে পাৰমাৰ্থিক চিন্তা আজি অবাস্তৱ হৈ পৰিছে। বিজ্ঞানৰ আৱিষ্কাৰৰ অপপ্ৰয়োগ কৰি মানুহে মানুহৰ সমাজলৈ সৰ্ব্বগ্ৰাসী ধ্বংস মাতি আনিছে। গঠনমূলক কামতকৈ ধ্বংসাত্মক কামত পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰই বেছি মনোযোগ দিয়ে। উদাহৰণ স্বৰূপে ১৯৮৪ চনত সমগ্ৰ বিশ্বত সমৰাস্ত্ৰ প্ৰতিযোগিতাৰ বাবে ৮০০ বিলিয়ন ডলাৰ ব্যয় কৰা হয়। ১৯৮৫ চনত যেতিয়া আফ্ৰিকাত খাবলৈ নেপাই হেজাৰ হেজাৰ মানুহৰ মৃত্যু হৈছিল, তেতিয়া মহাকাশ যুদ্ধলৈ আহ্বান জনাই আমেৰিকা যুক্তৰাষ্ট্ৰই এক ত্ৰিলিয়ন ডলাৰ ব্যয় কৰিছিল, আজিও পৃথিবীৰ বিভিন্ন প্ৰান্তত তিনিশ মিলিয়নতকৈ অধিক লোকে ৰক্তহীনতাত ভূগিছে। পুষ্টিহীনতা আৰু খাদ্য প্ৰাণৰ অভাৱত পৃথিবীৰ এক ত্ৰিলিয়ন শিশুৱে মৃত্যুৰ প্ৰমাদ গণিছে। খাদ্যৰ অভাৱত পৃথিবীৰ ২০০ কোটি মানুহৰ ৮০ লাখ মানুহ বছৰি মৃত্যুৰ মুখত পৰে। বিশ্বৰ ত্ৰিশ শতাংশ শিশুৱে আজিও পঢ়াশালিৰ মজিয়াত ভৰি দিয়া নাই। এই পৰিবেশ দুখ লগাই নহয়, ভয় লগাও। যেতিয়া জীৱনৰ নিৰাপত্তাই হেৰাই যায়, জীয়াই থকাৰ সম্বলেই নোহোৱা হয়, তেতিয়া জীৱনৰ মৰ্য্যাদা বৰ্ত্তি থাকিব কেনেকৈ ?

মানৱ সমাজৰ অৰ্দ্ধাংশ হ'ল নাৰী, অথচ পুৰুষৰ সৈতে সমান মৰ্য্যাদা বিচাৰি বিশ্বৰ সকলো ঠাইতে নাৰীয়ে সংগ্ৰাম কৰিব লগীয়া হৈছে। ধৰ্ষণ, অপহৰণ আদি বৰ্ব্বৰ আৰু নিৰ্লজ কামবোৰ সমাজত দিনক দিনে বাঢ়িহে গৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ১৯৯৩ চনত ১,৭৩,০০০ ধৰ্ষণৰ ঘটনা পঞ্জীভূক্ত হয়। 'ভায়লেন্স এগেইনষ্ট উইমেন' (Violence Against Women) শীৰ্ষক তথ্য অনুসৰি ভাৰতত প্ৰতি ৫৪ মিনিটত এগৰাকী নাৰী ধৰ্ষিত হৈছে। জনসংখ্যা সংক্ৰান্তীয় (Population Reference Bureau) এটা বিভাগৰ তথ্য অনুসৰি ভাৰতত প্ৰতিদিনে গড়ে ১৭ গৰাকী বোৱাৰীয়ে যৌতুকজনিত কাৰণত প্ৰাণ হেৰুৱাইছে। ১৯৯৪ চনত পৃথিবীৰ বিভিন্ন অংশত ২৫ শতাংশ নাৰী প্ৰহাৰিত হয়। পাকিস্থান আৰু চীনত শতকৰা ৬০ ভাগ নাৰী এই নিৰ্য্যাতনৰ বলি। ১৯৮৭ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত ভাৰতবৰ্ষত সামগ্ৰিকভাৱে নাৰী নিৰ্য্যাতন ৩৭.৬ শতাংশ বাঢ়ি গৈছে।

নাৰীৰ দৰেই অগণন শিশুৰ ওপৰত, বিশেষকৈ উন্নয়নশীল দেশসমূহৰ নিৰ্য্যাতন চলি আছে। নিবনুৱা সমস্যা তথা ভৱিষ্যতৰ অনিশ্চয়তাই আমাৰ যুৱ সমাজক উচ্ছৃংখল আৰু বিপথগামী কৰিছে। কৰ্ম্মবিমুখতা ভাৰতীয়, বিশেষকৈ অসমীয়া সমাজৰ এটা চখ হৈ পৰিছে। প্ৰায় গোটেই পৃথিবী জুৰি মাদক দ্ৰব্যৰ প্ৰচলনে ভয়াবহ ৰূপ লৈছে। যুৱ সমাজত আত্মহত্যাৰ মাত্ৰা দিনক দিনে বাঢ়ি গৈছে। বৈবাহিক জীৱনৰ পবিত্ৰতা হেৰাই গৈছে আৰু মাক-দেউতাক আৰু সন্তানৰ অপত্য স্নেহৰ বান্ধোন সোলোক-ঢোলোক হৈ পৰিছে।

২০০১ চনত সকলোৰে বাবে স্বাস্থ্যৰ পৰিকল্পনা কৰা হৈছে আৰু একে সময়তে নিৰক্ষৰতা দূৰীকৰণৰ বাবে দেশ জুৰি জোৰদাৰ চেষ্টা চলোৱা হৈছে। আনহাতে খোৱা-পানী এটোপাৰ বাবে ভাৰতৰ বিভিন্ন ঠাইত মানুহে হাহাঁকাৰ কৰিবলগীয়া হৈছে— যাত্ৰীৰ খাই এৰা পাতখনৰ বাবে ৰেল বা বাচ ষ্টেচনত ভিখাৰী শিশুহঁতে টনাআজোৰা কৰিব লাগিছে। আমাৰ দেশৰ ৩৯.৩৪ শতাংশ লোক এতিয়াও দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত, যাৰ বাবে জীৱন কেৱল এমুঠি অন্নৰ বাবে কৰা হাহাঁকাৰ। আমাৰ সমাজ এতিয়াও পুৰণি-

কলীয়া অন্ধবিশ্বাসৰ পৰা সম্পূৰ্ণ মুক্ত হোৱা নাই, আমাৰ ভিতৰৰ গাওঁ অঞ্চলত আধুনিক যোগাযোগ আৰু পৰিবহন ব্যৱস্থা এতিয়াও হোৱা নাই। আমাৰ সমাজত দুৰ্নীতিৰ অবাধ ৰাজত্ব। মন্ত্ৰী, উচ্চ পদস্থ চৰকাৰী চাকৰিয়ালৰ পৰা আৰম্ভ কৰি পিয়ন, চকীদাৰ সকলো দুৰ্নীতিত লিপ্ত। এনেকুৱা ৰুগ্ন পৰিবেশত মানুহে জীৱনৰ মৰ্য্যাদা লাভ কৰিব কেনেকৈ ?

প্ৰকৃতিক ভাল পাব নেজানিলে মানুহে জীৱনৰ অৰ্থ বুজিব নোৱাৰে। প্ৰকৃতিয়েই মানুহৰ ভোগৰ ক্ষেত্ৰ, জ্ঞানৰো ভাণ্ডাৰ। শিল্প বিপ্লৱৰ পূৰ্বোত্তৰ কালত প্ৰকৃতিৰ লগত মানুহৰ এই সম্পৰ্কই আছিল। কিন্তু শিল্প-উদ্যোগৰ বিকাশ আৰু জনসংখ্যাৰ বিপুল বৃদ্ধিৰ লগে লগে মানুহে প্ৰকৃতিক কেৱল ভোগৰ আহিলালৈ ৰূপান্তৰিত কৰিলে। প্ৰাকৃতিক সম্পদৰ সদব্যৱহাৰৰ নামত ধৰিত্ৰীৰ ওপৰত মানুহৰ ইমান অত্যাচাৰী শোষণ আৰম্ভ হ'ল যে তাৰ ফলত প্ৰকৃতিৰ ভাৰসাম্য আজি হেৰাই গৈছে ; পৰিবেশ প্ৰদূষণৰ গুৰুতৰ সমস্যাই মানৱ সমাজক চিন্তান্বিত কৰিছে। মানুহৰ শোষণৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি আজি যেন আই বসুমতী বিদ্ৰোহী হৈ পৰিছে।

বিজ্ঞানৰ প্ৰগতিৰ ক্ষেত্ৰত মানুহে অভূতপূৰ্ব্ব সাফল্য লাভ কৰিছে, কিন্তু আদিম বৰ্ব্বৰতা আৰু মানসিকতাৰ পৰা মানৱ সমাজ আজিও মুক্ত হোৱা নাই। সাম্প্ৰদায়িকতাবাদ, আঞ্চলিকতাবাদ, গোষ্ঠীবাদ, বৰ্ণবাদ আদি বিভেদকামী মতাদৰ্শই মানুহৰ সমাজক চিন্ন-বিচ্ছিন্ন কৰিছে, যাৰ ফলত অসংখ্য নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে। সন্ত্ৰাসবাদত আশ্ৰয় লোৱা যুৱ সমাজে বিভীষিকাৰ সৃষ্টি কৰিছে। গণতন্ত্ৰ, সমাজতন্ত্ৰ, ধৰ্ম্মনিৰপেক্ষতাৰ নামত অনেক দেশত ক্ষমতাশালী লোকৰ স্বেচ্ছাচাৰী শাসন আৰু দুৰ্ব্বলৰ ওপৰত সবলৰ শোষণ, উৎপীড়ন চলিছে।

কিন্তু এই প্ৰতিকূল পৰিবেশক জীৱনৰ মৰ্য্যাদা লাভৰ অনুকূল পৰিবেশলৈ ৰূপান্তৰিত কৰিব লাগিব মানুহে নিজেই। সমগ্ৰ বিশ্বৰ পৰা দাৰিদ্ৰ্য, নিৰক্ষৰতা, কৰ্ম্মহীনতা, নাৰী ও শিশুৰ ওপৰত নিৰ্য্যাতন আৰু দুৰ্ব্বলীৰ ওপৰত পৰাক্ৰমীৰ সকলো প্ৰকাৰৰ শোষণ আঁতৰ কৰিব লাগিব। উন্নয়নৰ আঁচনি যাতে কেৱল জনমূৰি আয়ৰ বৃদ্ধি নহৈ সুস্থ বাতাবৰণৰ সোপান হয়, তাৰ বাবে সকলোৱে চেষ্টা কৰিব লাগিব। শিল্প উদ্যোগৰ প্ৰগতি যাতে প্ৰকৃতিৰ ভাৰসাম্যৰ বিপৰীতে নাযায় আৰু ইতিমধ্যে সংঘটিত হোৱা পৰিবেশ প্ৰদূষণৰ পৰা কেৱল মানুহৰ সমাজকেই নহয়, বন্য প্ৰাণীকো যাতে ৰক্ষা কৰিব পাৰি, তাৰ উপায় উদ্ভাৱন কৰিব লাগিব। বিশ্ব শান্তিৰ মহান স্বাৰ্থৰ হকে বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই সমৰাস্ত্ৰ ত্যাগ কৰি মানৱ সমাজৰ কল্যাণ আৰু প্ৰগতিৰ বাবে কাম কৰিব লাগিব। জন বিস্ফোৰণৰ সমস্যা সমাধানৰ অৰ্থে উন্নয়ণশীল দেশ সমূহে অধিক কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মানুহৰ মনত মানবীয় মূল্যবোধ চেতনা শৈশৱ কালৰ পৰাই জগাই তুলিব লাগিব। জীৱনৰ লক্ষ্য ও মহত্ত্ব, আত্মসন্মানবোধ, আত্ম নিৰ্ভৰশীলতা, সহনশীলতা, সত্য আৰু অহিংসাৰ প্ৰতি শ্ৰদ্ধা, সততা, সামাজিক দায়বদ্ধতা আদি সুস্থ মানসিকতাৰে প্ৰতিজন ব্যক্তি অনুপ্ৰাণিত হব লাগিব। ভেদাভেদৰ দেৱাল ভাঙি মানৱতাবাদৰ ডোলেৰে মানৱ সমাজৰ একত্ৰিত কৰিব পাৰিলে সামগ্ৰিকভাৱে জীৱনৰ মৰ্য্যাদা লাভ কৰিব পৰা হ'ব। ●

# নৈতিকতা আৰু মূল্যবোধৰ শিক্ষা

ড° লক্ষীনাথ কোঁৱৰ, শিক্ষা বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়

ভাৰতৰ গৌৰৱময় ঐতিহ্যৰ মূল উপাদান মানৱতাৰ নৈতিকতা আৰু মূল্যবোধ বৈদিক যুগৰ আগৰে পৰা বৰ্ত্তমানলৈকে একেধাৰে প্ৰবাহিত হৈ অহা সাংস্কৃতিক পৰম্পৰাৰ ঘাই ধৰণী। ভাৰতৰ সাংস্কৃতিক পৰম্পৰা কিছুমান নীতি-নিয়ম আৰু প্ৰমূল্যৰ ভিত্তিত গঢ় লৈ উঠিছে আৰু সেইবিলাকেই আমাৰ সামাজিক জীৱনৰ সুখ-সমৃদ্ধি, শৃঙ্খলা আৰু প্ৰগতিৰ মূল উৎস। দৰ্শন, বেদ, উপনিষদ, পুৰাণ, গীতা, মহাভাৰত, ৰামায়ণ, বুদ্ধ, মহাবীৰ, যীশুখ্ৰীষ্ট, হজৰত মহম্মদ আৰু শঙ্কৰাচাৰ্য্য, ৰামানুজ, নানক, কবীৰ, শঙ্কৰদেৱ, চৈতন্যদেৱ আদি মহাপুৰুষসকলে ভাৰতত এনে এটা সাংস্কৃতিক পৰম্পৰা গঢ়ি থৈ গৈছে যাৰ ওপৰত থিয় হৈ আমি আজি সকলোৱে জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্ব্বিশেষে এটা নিৰাপদ জীৱন যাপন কৰিবলৈ সক্ষম হৈছো।

কিন্তু বিগত কেইবছৰ মানৰ পৰা আমাৰ কষ্টোপাৰ্জ্জিত এই নৈতিকতা আৰু প্ৰমূল্যবাজিৰ ক্ৰমান্বয়ে অৱক্ষয় ঘটা পৰিলক্ষিত হৈছে। বিশেষকৈ উঠি অহা প্ৰজন্মটোৰ যুৱক-যুৱতীসকলৰ মাজত দেখা দিয়া ক্ৰমবৰ্দ্ধমান অনুশাসনহীনতা, সামাজিক আৰু নৈতিক মূল্যবোধৰ ক্ৰমহ্ৰাস আজি সমগ্ৰ দেশৰ কাৰণে এটা বৃহৎ সমস্যাত পৰিণত হৈছে। অৱশ্যে এই সমস্যা কেৱল ভাৰতবৰ্ষতেই দেখা দিয়া নাই, আমেৰিকা, ইংলণ্ডৰ দৰে উন্নত দেশবিলাকতো এই সমস্যাই দেখা দিছে। আৰু এই দেশবিলাকৰ চৰকাৰসমূহে যুৱক-যুৱতীসকলক, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক নৈতিক আৰু মূল্যবোধৰ শিক্ষা দিয়াৰ প্ৰয়োজনবোধ কৰিছে আৰু তাৰ বাবে আঁচনি আৰু উপায় অৱলম্বন কৰিছে।

বৰ্ত্তমান আমাৰ দেশত, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৃদ্ধি পাই অহা অনুশাসনহীনতা, মাৰ-ধৰ, ঠগ-প্ৰৱঞ্চনা, ড্ৰাগ-সেৱন, নানান অশালীন আৰু অসামাজিক আচৰণ ইত্যাদিবোৰে সকলোৰে কাৰণে গভীৰ চিন্তাৰ কাৰণ হৈ পৰিছে। এইটো অৱশ্যে স্বীকাৰ্য্য যে আজিৰ সমগ্ৰ সমাজৰ বিভিন্ন

স্তৰত ব্যাপক ৰূপত দেখা দিয়া দুৰ্নীতি, নিষ্পেষণ, অন্যায় অনাচাৰ বোৰেই বহুলাংশে ছাত্ৰ সমাজৰ নৈতিক স্খলনৰ বাবে দায়ী। কিন্তু জগৰীয়া বিচাৰি উলিওৱা সমস্যাটোতকৈ ইয়াৰ সমাধানৰ সমস্যাটোহে এতিয়া সকলোৰে কাৰণে ঘাই প্ৰত্যাহ্বান। অন্যায় অনীতিৰ মাজত কোনো ব্যৱস্থাই জীয়াই নাথাকে। অন্যায়-অনীতিয়ে সীমা চেৰাই গ'লে ধ্বংস অনিবাৰ্য্য। ব্যক্তিগত ক্ষেত্ৰত যিদৰে সজ চৰিত্ৰ, সংযম, শৃঙ্খলা, ন্যায় আৰু কৰ্মনিষ্ঠাৰ ওপৰত মানুহৰ আচল উন্নতি নিৰ্ভৰ কৰে, ঠিক তেনেদৰেই জাতি বা দেশ এখনৰ ক্ষেত্ৰটো জাতীয় চৰিত্ৰৰ ওপৰতে জাতিটো বা দেশখনৰ উন্নতি আৰু আয়ুস নিৰ্ভৰ কৰে। ৰামায়ণ-মহাভাৰত আদিত ইয়াৰ অনেক উদাহৰণ পৰিষ্কাৰকৈ দিয়া আছে। মহাশক্তিমান ৰাৱনকে ধৰি সেই সময়ৰ লঙ্কাৰ ৰাজ-শক্তিৰ চাৰিত্ৰিক আৰু নৈতিক স্খলনৰ বাবে স্বৰ্ণলঙ্কা ছাই হৈ গ'ল। নীতি-নিয়ম উলঙ্ঘা আৰু সংযমহীনতাৰ ফলত প্ৰচণ্ড শক্তি থকা স্বত্বেও কৌৰৱ কুল ধ্বংস হ'বলগীয়া হ'ল। অনাচাৰ-ব্যভিচাৰৰ ফলত সাক্ষাত ভগৱান শ্ৰীকৃষ্ণৰ নিজ বংশ যদুকুল ধ্বংস হ'ল। ইত্যাদি নানান উদাহৰণ ইতিহাসে ধৰি ৰাখিছে। অন্যহাতে বৰ্ত্তমান কালত দ্বিতীয় মহাযুদ্ধই ৰাজহাড় ভাঙি থৈ যোৱা জাপানে অতি সোনকালে জাতীয় চৰিত্ৰ এটা সুদৃঢ় ৰূপত গঢ় দিব পৰা কাৰণেই ভাগি-ছিগি থানবান হৈ পৰা অৱস্থাৰ পৰা আজি বিশ্বৰ এক অন্যতম শ্ৰেষ্ঠ শক্তি হিচাবে মূৰ দাঙি উঠিব পাৰিলে। এইবিলাক দৃষ্টান্তই আমাৰ আজি উঠি অহা প্ৰজন্মটোক অনেক গঠনমূলক প্ৰেৰণা যোগাব পাৰে। ইয়াৰ বাবে আমি প্ৰধান মাধ্যম হিচাবে দেশৰ শিক্ষা ব্যৱস্থাটোকে অৱলম্বন কৰিব লাগিব।

আমাৰ দেশত বৰ্ত্তমান দেখা দিয়া নৈতিক আৰু সামাজিক মূল্যবোধৰ খহনীয়া ৰোধ কৰিবৰ কাৰণে আইনৰ ব্যৱস্থাৱলীৰ লগতে শিক্ষা ব্যৱস্থাৰ আৱশ্যকীয় সংস্কাৰ কৰাটো অতি জৰুৰী হৈ পৰিছে। গতানুগতিক শিক্ষা-পদ্ধতিয়ে এই ক্ষেত্ৰত আশানুৰূপ বৰঙণি যোগাব পৰা নাই। ১৯৬৪-৬৬ চনত গঠিত কোঠাৰী আয়োগে এই সম্পৰ্কত কোৱা কথাখিনি দ কৈ ভাবি চোৱাৰ দৰকাৰ হৈ পৰিছে। কোঠাৰী আয়োগে কৈছিল— "A serious defect in the school curriculam is the absence of provision of education in social, moral and spiritual values. In the life of majority of Indians, religion is a great motivating force and is intimately bound up with the formation of character and the inculcation of ethical values. A national system of education that is related to the life, needs and aspirations of the people cannot afford to ignore this purposeful force. We recommend, therefore, that conscious and organized attempts be made for imparting education in social, moral and spiritual values with the help, wherever possible, of the ethical teachings of great religions." এই সম্পৰ্কত ১৯৬০ চনৰ শ্ৰীপ্ৰকাশ কমিটিয়ে কোৱা কথাখিনিও উল্লেখনীয়। শ্ৰীপ্ৰকাশ কমিটিয়ে কৈছিল— "The many ills that our world of education and our society as a whole is suffering today, are mainly due to the gradual disappearance of the hold of the basic principles of religion on the hearts of the people. The old bonds that kept them together are fast loosening and the verious new ideologies that are coming to us are increasingly worsening the situation. The only cure it seems to us, is in the deliberate inculcation of moral and spiritual values from earliest years of our lives. If we lose them, we shall be a nation without a soul.

সততা, ন্যায়পৰায়ণতা, সহযোগিতা, সহানুভূতিশীলতা, সহিষ্ণুতা, বিনম্ৰতা, কৰ্মশীলতা, অহিংসা, পৰোপকাৰিতা, দয়া, ভাতৃত্ব, বিশ্বাস আদি সামাজিক গুণবোৰৰ বিকাশেই নৈতিকতাৰ শিক্ষাৰ উপাদান। ভাৰতবৰ্ষত প্ৰৱৰ্ত্তিত সকলো ধৰ্মতেই এই গুণবিলাকৰ বিকাশৰ ওপৰত গুৰুত্ব দিছে। ভাৰতবৰ্ষ এখন ধৰ্ম প্ৰধান দেশ। ধৰ্ম বিলাকৰ যোগেদিয়েই আগতে মানুহক নৈতিক জ্ঞান দিয়া হৈছিল। গতিকে ধৰ্ম জ্ঞানক অৱহেলা কৰিলে আমাৰ অনিষ্ট হব। আমাৰ ৰাষ্ট্ৰীয় উদ্দেশ্য ধৰ্ম নিৰপেক্ষতাৰ অৰ্থ হ'ল ভাৰতত প্ৰচলিত সকলো ধৰ্মকে সন্মান কৰি চলা। কোনো এক বিশেষ ধৰ্মৰ পৃষ্ঠপোষকতা নকৰি সকলো ধৰ্মতে যিবিলাক সজ-কথা, সজনীতি, সজ আচৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে তাৰ বিষয়ে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক নিৰপেক্ষভাৱে অৱগত কৰা উচিত আৰু শুদ্ধ প্ৰণালী প্ৰয়োগ কৰি সেই গুণ বিলাকৰ অধিকাৰী হবলৈ প্ৰেৰণা যোগোৱা উচিত। এই সন্দৰ্ভত ড° ৰাধাকৃষ্ণন আৰু শ্ৰীপ্ৰকাশ কমিটিৰ ধৰ্ম সম্পৰ্কে দিয়া ব্যাখ্যা সমূহ বিশেষ ভাৱে পঠনীয়। 卐

সংসাৰৰ অন্য বস্তু গাৰ বলেৰে বা ধনেৰে সংগ্ৰহ কৰি লব পাৰি; কিন্তু জ্ঞান সেইদৰে আৰ্জি লব নোৱাৰে। তাৰ কাৰণে লাগে অধ্যয়ন।

—জনচন

# ঔদ্যোগিক জীৱন আৰু অসমীয়া সমাজ

—ড° ভীমকান্ত বৰুৱা
অধ্যাপক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

কোনো এডোখৰ ঠাইৰ ভৌগোলিক পৰিবেশ, প্ৰাকৃতিক সম্পদ, জন গাঁঠনি, ধৰ্ম, জীৱিকা আদি সেই ঠাইডোখৰৰ সাংস্কৃতিক পৰম্পৰা গঢ় দি তোলাত সহায়ক হয়। এনে সাংস্কৃতিক পৰম্পৰাতেই ভালেমান থলুৱা মূল্যবোধেও খোপনি পোতে। সেই মূল্যবোধৰ মাজেৰেই সমাজ এখন নিয়মীয়া গতিত পৰিচালিত হয়। তেনে এখন ঠাইত সময়ত যদি বিভিন্ন উদ্যোগ গঢ় লৈ উঠে আৰু যদি উদ্যোগসমূহে উৎপাদন কৰা সামগ্ৰীবোৰ জনজীৱনৰ দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী হৈ পৰে তেন্তে ভাৱিব লাগিব যে সেই ঠাইত বা সেই সমাজত উদ্যোগসমূহে যথেষ্ট প্ৰভাৱ পেলাইছে। তদুপৰি উদ্যোগসমূহৰ ওপৰতে নিৰ্ভৰ কৰি জীৱিকা উপাৰ্জন কৰা লোক এচামো সময়ত সৃষ্টি হয়। তেনে ঠাইৰ মানুহখিনি কব নোৱৰাকৈয়ে ঔদ্যোগিক জীৱনত অভ্যস্ত হৈ পৰে। ফলস্বৰূপে তাহানিৰে পৰা চলি অহা পৰম্পৰাগত সাংস্কৃতিক সমলবোৰৰ বাবে ঔদ্যোগিক জীৱনটো প্ৰত্যাহ্বান স্বৰূপ হৈ পৰে।

অসমৰ ভৌগোলিক পৰিবেশ, জনগাঁঠনি, প্ৰাকৃতিক সম্পদ আৰু জনজীৱনৰ জীৱন ধাৰণৰ প্ৰণালীয়ে স্বাভাৱিক ভাৱেই এক সাংস্কৃতিক পৰিবেশ গঢ় দিছে। পুৰণি কালত অসমতে উৎপন্ন হোৱা মাটি মাহ, বৰাচাউল, বৰালি মাছ, হাঁহ কণী, বেল এঠা, গুৰ, তেল, শন আদি বিভিন্ন জৈৱিক পদাৰ্থ মিহলি কৰি কৰাল প্ৰস্তুত কৰিছিল। আৰু তেনে কৰালেৰেই সাজি উলিওৱা ভালেমান স্থাপত্য ভাস্কৰ্য্য আজিও অসমৰ ভালেমান ঠাইত চকুত লগাকৈ জিলিকি আছে। আজিকালি অসমত তেনে পৰিমাণৰ মাটিমাহ, বৰালি মাছ, হাঁহকণী আদি পোৱাও সম্ভৱ নহয় বা পালেও সেইবোৰেৰে কৰাল প্ৰস্তুত কৰাৰ দিনো নাই। উদ্যোগে প্ৰস্তুত কৰি উলিওৱা চিমেণ্টে তেনে প্ৰক্ৰিয়া অব্যৱহৃত কৰি তুলিলে। তাহানিতে অসমীয়া মানুহে সাঁচি গছৰ বাকলি এৰুৱাই হেঙুল হাইতাল বোলাই সাঁচিপাত তৈয়াৰ কৰিছিল। শিলিখা, এড়াৰ আদিৰ পৰা প্ৰস্তুত কৰি তাৰে পাখিৰ কলম বা ঢেকীয়াৰ কলমেৰে লিখিছিল। আজি কালি উদ্যোগসমূহে প্ৰস্তুত কৰি উলিওৱা সহজলভ্য বিভিন্ন কাগজৰ দিনত তেনে পৰিশ্ৰমী কৌশলৰ প্ৰয়োজন নোহোৱা হ'ল।

পুৰণি কালত অসমীয়া মানুহৰ কিছুমান নিজা থলুৱা পদ্ধতি আছিল যাৰ জৰিয়তে দৈনন্দিন দৰকাৰী সামগ্ৰীসমূহ নিজে প্ৰস্তুত কৰি লৈছিল। ভীমকল গছৰ মধুনা চকলিয়াই কাটি, চ'ত মহীয়া ব'দত শুকুৱাই, জুইত পুৰি ছাই কৰি, তাত নিয়মীয়াকৈ পানী দি নিগৰাই খাৰ প্ৰস্তুত কৰিছিল। সেই খাৰ পগাই দানা পেলাই খালোন তৈয়াৰ কৰিছিল। নিমখৰ পৰিবৰ্ত্তে তেনে খালোনো প্ৰয়োগ কৰিছিল। আকৌ য'খাৰ প্ৰস্তুত কৰা পদ্ধতি অসমত আছিল। বহু বছৰ ধৰি গৰুবন্ধা গোহালি অলপদিন অব্যৱহৃত কৰি ৰাখিলে তাত মাটিৰ তৰপ বান্ধে আৰু তেনে মাটিৰ তৰপত বগা নিমখীয়া পদাৰ্থৰ দানা পৰে। তেনে দানা গোটাই পানীত পগাই আকন এঠা গছৰ শুকান ঠাৰি দি গোট মৰোৱাই য'খাৰ প্ৰস্তুত কৰা হয়। এইবোৰ পেটৰ বাবে উপকাৰী লোণীয়া পদাৰ্থ ঘৰতে প্ৰস্তুত কৰি লোৱা হৈছিল। কিন্তু আজিকালি উদ্যোগে প্ৰস্তুত কৰি দিয়া নিমখৰ দিনত এইবোৰৰ চিন্তাৰ অৱকাশ নাথাকে।

অসমত একালত চিকাৰ কৰা অভিনৱ কৌশল আছিল। চিকাৰীয়ে নিশা সাধাৰণতে চিকাৰ কৰে। চিকাৰীৰ মূৰত এখন ডাঙৰ ডলা লৈ ডলাৰ ওপৰত এটা চাকি জ্বলাই লয়। চিকাৰী হাবিত এনেদৰে ঘূৰি ফুৰোতে জীৱ-জন্তুৱে থৰ লাগি চাকিটোৰ পিনে চাই থাকে আৰু তেতিয়াই তেনেই ওচৰৰ পৰাই হৰিণ আদি চিকাৰ কৰি আনে। অৱশ্যে এনে চিকাৰত কোন জন্তুৰ চকুৰ ৰশ্মি ক'ত পৰিব সেই জ্ঞান চিকাৰীৰ সম্পূৰ্ণ আছিল। তদুপৰি জন্তুৰ উচ্চতা কিমান হ'ব পাৰে তাৰ জোখো থিতাতে জন্তুৰ খোজৰ চিন চাই কৰি লৈছিল। পৰম্পৰাগত কৌশল অনুসৰি জন্তুৰ খোজৰ ওপৰত ৰচি এডাল তিনিমেৰ দি ৰচিডাল খুলি থিয়কৈ ধৰিলে যিমান উচ্চতা হব জন্তুৰ উচ্চতাও তদনুৰূপ হ'ব। এইবোৰ কৌশলেৰে থিতাতে জন্তুৰ উচ্চতাৰ জোখ-মাখ কৰি লৈছিল। তদুপৰি ডলা বাঁহেৰে সাজি বাও লগাবলৈ একেধৰণৰ কৌশলেই প্ৰয়োগ কৰিছিল। ডলাখনৰ ওপৰত পথালিকৈ মাৰি এডাল পেলাই তাৰ তিনিজোখ ললেই ডলাখনৰ বাওটোৰ পৰিধি পোৱা যাব। এনেকুৱা বিভিন্ন কৌশলেৰে যাবতীয় দৰকাৰী কাম-কাজবোৰ কৰি গৈছিল।

এইবোৰ দোলা-ধোঁৱা সময়ৰ কথা। উদ্যোগহীন সময়ৰ কথা। আজিকালি ভাৰতবৰ্ষৰ বা পৃথিৱীৰ য'তে ত'তে ভিন্ন প্ৰকাৰ উদ্যোগ গঢ় লৈ উঠিল। এইবোৰ উদ্যোগে ভিন্ন ধৰণৰ উৎপাদন সামগ্ৰীও প্ৰস্তুত কৰি উলিয়ালে। মানুহৰ দৈনন্দিন জীৱন ধাৰণৰ বাবে ন্যুনতম। প্ৰয়োজনীয় সামগ্ৰীবোৰো উদ্যোগসমূহে প্ৰস্তুত কৰি উলিয়ালে। কঠিন জীৱন যাপনৰ পৰিবৰ্তে উদ্যোগসমূহে কৰি তুলিলে সহজ জীৱন যাপন।

ঔদ্যোগিক সম্পদসমূহো সহজলভ্য আৰু সুলভ মূল্যৰ। স্বাভাৱিকতেই তেনে সামগ্ৰীয়ে জনজীৱনৰ বহুলাংশই অধিকাৰ কৰি পেলালে। কোনোবা ঠাইত কোনোবা বিশেষ উদ্যোগ নেথাকিলেও সামগ্ৰীসমূহ সৰবৰাহত অসুবিধা নোহোৱা হ'ল, উৎপাদন খৰতকীয়া হ'ল। যাতায়াতৰ ব্যৱস্থা উদ্যোগে উন্নত কৰি পেলালে। যন্ত্ৰ—পাতিৰ আৱিষ্কাৰ হ'ল। তেনে যন্ত্ৰ-পাতিৰ আমদানি ৰপ্তানি পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈকে সহজে কৰিব পৰা হ'ল। অসমো এইবোৰ উদ্যোগৰ পৰা বাদ পৰি যোৱা নাই। অসমলৈ ঔদ্যোগিক সামগ্ৰীৰ সৰবৰাহ ঘটিল। কালক্ৰমত অসমৰ জনজীৱনত উদ্যোগসমূহে প্ৰধান ভূমিকা গ্ৰহণ কৰিলে। লগে লগেই অসমৰ সাংস্কৃতিক জীৱনৰ বাবে এনে সামগ্ৰীসমূহ প্ৰধান প্ৰত্যাহ্বান হিচাপে দেখা দিলে। ফলত সাম্প্ৰতিক কালত অসমৰ সামাজিক সাংস্কৃতিক জীৱন সলনি হোৱাৰ উপক্ৰম হ'ল।

সাম্প্ৰতিক কালত অসমৰ জনজীৱনলৈ চালে দেখা যায় যে নগৰে-চহৰে, গাঁৱে-ভূঁঞে সকলোতে দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰীৰ পৰিবৰ্তন ঘটিছে। পুৰাৰ পৰা গধূলিলৈকে ব্যৱহাৰ কৰি থকা বস্তুবোৰৰ নামৰ পৰাই এখন তালিকা প্ৰস্তুত কৰিব পাৰি। নৈৰ ঘাট, কুঁৱা বা পুখুৰীৰ পৰা পানী অনাৰ পৰিবৰ্তে 'টেপ' বা 'টিউৱৰেল'ৰ পৰা পানী অনা, কেট্‌লিত চাহ তপত কৰি, কাপত চাহ খোৱা, গেছেৰে ভাত ৰন্ধা (গেছৰ সকলোবোৰ বস্তুৰ নামৰ তালিকা চাওক), 'ফেন' লোৱা, লাইট জ্বলোৱা, ফিল্টাৰৰ পানী গিলাচত খোৱা আদি বিভিন্ন ব্যৱহাৰ্য্য সামগ্ৰীবোৰলৈ লক্ষ্য কৰিলেই উদ্যোগে আমাৰ জীৱনত কিমান প্ৰভাৱ পেলাইছে তাক সহজে বুজিব পাৰি। তদুপৰি কৰ্টলৈ যোৱা, অফিচলৈ যোৱা আৰু ঘাওঁতে বাছৰ ছিটত বহি যোৱা, হেণ্ডিমেন, কণ্ডাক্টৰ থকা গাড়ীখন ড্ৰাইভাৰেই চলাই নিয়া আদি সকলোবোৰ কথালৈ আৰু বিশেষকৈ শব্দবোৰলৈ লক্ষ্য কৰিলেই আমাৰ জীৱনত উদ্যোগৰ প্ৰভাৱ কিমান সহজে ওলাই পৰে। মুঠতে পুৱাই 'টুথ ব্ৰাছটোত' পেষ্ট অকনমান লগাই দাঁত মাজি টেপ বা টিউৱৰেলৰ পানীৰে বেছিনত মুখ ধোৱাৰ পৰা আৰম্ভ কৰি কেট্‌লিত গেছত তপতোৱা চাহ কাপ খাই নাইট চুপাৰৰ বাবে টিকট এটা কৰি চিটি বাছত উঠি কৰ্টলৈ যোৱালৈকে উদ্যোগসমূহে আগবঢ়োৱা বিভিন্ন যন্ত্ৰপাতিৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। আৰু এনেকৈয়ে চাবোনৰ কেছটোৰ পৰা চাবোন লৈ বাথৰুমত মুখ হাত ধুই নিশা শুবৰ পৰত লাইটৰ চুইচ্‌টো অফ কৰি দিয়ালৈকে লক্ষ্য কৰিলেই আমাৰ বৰ্তমান সামাজিক সাংস্কৃতিক জীৱনটো জল্‌ জল্‌ পট্‌পট্‌কৈ প্ৰকাশ পাব। তদুপৰি আজিকালি পথাৰত নেকেৰা, বৃদ্ধমণি, জাহিঙ্গীয়া, স্বৰাগমনি ধানৰ ঠাই লাহে লাহে আয়াৰ, জয়া পুছা, চীনা তেযষ্ঠি, আইজুং, মচুৰি, বাচ আদি ধানে দখল কৰিলে। হালখনৰ ঠাই দখল কৰিলে পাৱাৰ টিলাৰে। মৰণা মৰাবো দৰকাৰ নাইকিয়া হ'ল। সহজে মেছিনত কোবাই ধান মাৰিব আৰু বানিব পৰা যন্ত্ৰ ওলাল। ইপিনে ঘৰৰ বিভিন্ন অৱস্থাৰ নামো সলনি হ'ল। বৰঘৰ, মাৰলঘৰ, চ'ৰাঘৰ, গা-ধোৱা ঘৰ, আখল ঘৰ, পিৰালি আদি শব্দবোৰ বেডৰোম, কৰিডৰ, ড্ৰইংৰোম,



বাথৰোম, বাৰাণ্ডা আদি শব্দবোৰে কেতিয়াবাই গ্ৰাস কৰিলে। তদুপৰি এতিয়া বৰঘৰত জপাও নাই এৰীয়া চাদৰ, এৰী কাপোৰ, খনীয়া কাপোৰো নাই। মুঠতে অসমীয়া মানুহৰ সামাজিক সাংস্কৃতিক জীৱনৰ এনে পৰিৱৰ্তন খেতি পথাৰৰ পৰা ৰান্ধনি ঘৰলৈকে, বৰঘৰৰ পৰা বাটচ'ৰালৈকে, চোতালৰ পৰা ৰাজআলিলৈকে পৰিব্যাপ্ত। উল্লেখৰ নিষ্প্ৰয়োজন যে সংস্কৃতিৰ লগত ভাষাৰ নিবিড় সম্পৰ্ক আছে। ঔদ্যোগিক জীৱন-যাপনে অসমীয়া সমাজলৈ কঢ়িয়াই অনা সাংস্কৃতিক পৰিৱৰ্তনে অসমীয়া ভাষাকো বাকৈয়ে পৰশি গৈছে। কথাই কথাই হোৱা ইংৰাজী শব্দৰ পয়োভৰলৈ চাই অনুমান কৰিব পাৰি যে অসমীয়া ভাষা বৰ্তমান কালত যেন প্ৰকৃত অসমীয়া তাষালৈহে পৰিবৰ্তন হৈছে। এনে পৰিৱৰ্তনৰ মূল কাৰণ বিচাৰি গলে দেখা যায় যে উদ্যোগসমূহে আমাৰ জীৱনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে যাৰ ফলস্বৰূপে আমাৰ জীৱন ধাৰণৰ সমস্ত পদ্ধতিকে সলনি কৰি পেলাইছে।



অসমীয়াৰ বিশ্বসাহিত্য আৰু বিশ্বসাহিত্যিক নাই বুলি বহুতৰ আক্ষেপ। অসমীয়াই বিশ্বসাহিত্য ৰচিবলৈ হ'লে দেশ এৰি বিদেশলৈ যাব নালাগে। অসমীয়াৰ সুখ-দুখ, আশা-নিৰাশা আৰু হাঁহি-কন্দাৰ ছবি ফুটাই তুলিব পাৰিলেই সি বিশ্বসাহিত্যত ঠাই পাব। তাৰ কাৰণে নায়ক-নায়িকা, ৰজা-ৰাণী সেনাপতি-সেনানায়িকা, দেশনেতা-দেশনেত্ৰী হ'বৰ সকাম নাই। আমাৰ খাৰখোৱা হোজা অসমীয়া মাটিৰাম মেধি আৰু মালতী আইদেউৰ সুখ-দুখ-পূৰ্ণ প্ৰণয় কাহিনীতো বিশ্বসাহিত্যৰ বিপুল সম্বল আছে।

য'ত সুখ-দুখ, হাঁহোন-কান্দোন আদি সাৰ্বজনীন ভাৱৰ সমাৱেশ সেয়েই বিশ্বসাহিত্য।

—ডঃ সূৰ্য্য কুমাৰ ভূঞা

# জ্ঞান আৰ্জনৰ আনন্দ

ড° প্ৰদীপ কুমাৰ গগৈ
ৰসায়ন বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়

মানুহে বহু প্ৰকাৰে আনন্দ লাভ কৰিব পাৰে। আশা যদি জীৱনৰ প্ৰেৰণা তেন্তে আনন্দ হ'ল জ্যোতি। কোনোৱে খেলত জয়ী হ'লে আনন্দ লভে, কাৰোবাৰ মনোবাঞ্ছা পূৰণ হ'লে আনন্দ লভে। কোনোৱে আকৌ ধনবিত হ'লে আনন্দ লাভ কৰে; মুঠতে আনন্দিত হোৱাৰ অনেক কাৰণ থাকিব পাৰে। কিন্তু ইয়াৰ প্ৰায়বোৰ আনন্দই খন্তেকীয়া। কিয়নো মনোকামনা পূৰ্ণ হলে আৰাধ্য বস্তুৰ প্ৰতি মোহ-আকৰ্ষণ নাথাকে। ধনবিত খৰছ হৈ গ'লে আহে নিৰানন্দ। খেলাত জয়ী হোৱাৰ আনন্দও ক্ষণস্থায়ী। এনেধৰণৰ আনন্দ নিষ্কাম নহয়, কিয়নো যিটো কাৰণত মই আনন্দ লভিলো, সেইটো আন এজনৰ বাবে দুখৰ কাৰণ হ'ব পাৰে (যেনে খেলৰ হৰা জিকাৰ ফলাফল)। কিন্তু জনাৰ বা জ্ঞান আৰ্জনৰ আনন্দৰ বেলিকা এনে সিদ্ধান্ত নাখাটে, কিয়নো কিবা এটা কষ্ট কৰি জানিলে পোৱা আনন্দ বিমল, নিষ্পাপ আৰু স্থায়ী। সেই-বাবেই গীতাত কৈছে—

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে··· ।" ৪/৩৮

অৰ্থাৎ জ্ঞানৰ দৰে পবিত্ৰ বস্তু একো নাই। গতিকে জ্ঞানৰ আনন্দ সৎ। এই ক্ষেত্ৰত ফৰাচী পণ্ডিত পীয়েৰ টাৰম্যায়াৰৰ উক্তি প্ৰণিধানযোগ্য "The joy of knowledge! Many scholars have experienced it........ The researcher knows immense joy that others do ignore........ It is somewhat impossible to speak about. It is indescribable." ঠিক যেন ভূমাৰ আনন্দ। জ্ঞানৰ আনন্দ যেন জোনাকীৰ জ্যোতি, যি আনক দহন নকৰে, কিন্তু পোহৰ বিলায়। জ্ঞানলব্ধ আনন্দৰ প্ৰেৰণাই সংসাৰৰ সকলো বাধা অতিক্ৰমি বিশ্ব-নিয়ন্তা প্ৰকৃতি, জীৱন আৰু সমাজক বুজি পোৱাত সহায় কৰে। জ্ঞানৰ সাধনা সত্যৰ বাট-চৰা। এতিয়া প্ৰশ্ন হয়, জ্ঞানৰ সাধনা বা জনাৰ



হেঁপাহ কিয় হয়: খ্যাতি, গৌৰৱ, নে ধনবিতৰ বাবে? নিউটন, কেপলাৰ বা গেলিলিৱে মধ্যাকৰ্ষণ, সৌৰজগত বা গতিবিদ্যা সম্পৰ্কীয় গৱেষণাবোৰ নিশ্চয় ধনবিত বা খ্যাতিৰ বাবে কৰা নাছিল কিয়নো সেই সময়ৰ য়ুৰোপৰ ধৰ্মীয় মতবাদ, ধ্যান-ধাৰণা আৰু জনমত তেওঁলোকৰ বিপক্ষেই গৈছিল। নিশ্চয় সত্যৰ সন্ধানে তেওঁলোকক এক অহৈতুকী আনন্দ দিছিল। বহুতো গাণিতিক সূত্ৰৰ তাৎক্ষণিক প্ৰয়োগ নাথাকিলেও তাত নিহিত থকা সৌন্দৰ্য্যই এক বিমল আনন্দ দিয়ে বা পাচলৈ নতুন কথা জনাৰ সহায়ক হয়। গণিত বিস্ময় শ্ৰীনিবাস ৰামানুজনৰ শিক্ষাগুৰু অধ্যাপক হাৰ্ডিয়ে গণিতৰ সৌন্দৰ্য্যৰ বিষয়ে কয় 'A mathematician like a painter or a poet, is a maker of patterns. If his patterns are more permanent than theirs it is because they are made with ideas··· .

The mathematicians patterns, like the painter's or the poet's, must be beautiful; the ideas like the colours or the words, must be fit together in a harmonious way. Beauty is the first test: there is no permanent place in the world for ugly mathematics.' সেই একেধৰণৰ সৌন্দৰ্য্যৰ কথাও প্ৰসিদ্ধ কোৱান্টাম পদাৰ্থবিজ্ঞানী পল ডিৰাকে উপলব্ধি কৰি কৈছিল "physical laws should have mathematical beauty" এয়া ডিৰাকৰ জ্ঞান সাধনাৰ এক অভিনৱ ষ্টাইল। ঠিক তেনেকৈয়ে প্ৰাচীন ভাৰতীয় দ্ৰষ্টাসকলেও আধ্যাত্মিক জিজ্ঞাসাত পাইছিল আনন্দ, তেনেদৰেই গ্ৰীক গণিতজ্ঞ আৰু ভাস্কৰ শিল্পীসকলেও জ্ঞান সাধনাৰে নিজৰ সৃষ্টিৰ মাজত বিচাৰিছিল সৌন্দৰ্য্য।

তাহানি পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই "জাৰ্মানীৰ জ্ঞান সাধনা" নামৰ প্ৰবন্ধত লিখিছিল কেনেকৈ একো একোজন জাৰ্মাণ পণ্ডিতে জ্ঞানৰ এটি এটি দিশত কিমান ব্যাপকভাৱে গৱেষণাৰত হয়। জ্ঞান সাধনাৰ এই ক্লাছিকেল ধাৰাটো য়ুৰোপত প্ৰাকৰেণেচা যুগৰপৰা আজিও বিদ্যমান। গতিকেই আমি পাওঁ লিয়োনাৰ্ড দ্যা ভিন্সিৰ দৰে একেধাৰে বিজ্ঞানী, শিল্পী, ফাৰ্মাৰ দৰে আইনবিদ আৰু গণিতজ্ঞ (যাৰ শেষ উপপাদ্যৰ সমাধান যোৱা বছৰহে সম্ভৱ হৈছে), ভাঁন গ'গ, ৰাফেলৰ দৰে চিত্ৰকৰ, মেক্সমুলাৰৰ দৰে সংস্কৃতজ্ঞ, ৰেণে ডেকাৰ্টৰ দৰে দাৰ্শনিক, আৰু গণিতজ্ঞ কাণ্টৰ দৰে মহান দাৰ্শনিক; আইনষ্টাইনৰ দৰে ভৌতিক বিজ্ঞানৰ অনেক প্ৰতিভাধৰ বিজ্ঞানীৰ নাম নকলোৱেৱা। ৰেঁণেচাৰ পাচত য়ুৰোপত যিকোনো লোকেই ইচ্ছানুযায়ী জ্ঞান সাধনাত ব্ৰতী হব পাৰিছিল। একেজন লোকেই বিভিন্ন দিশত সৃষ্টিমূলক কাম কৰাৰ প্ৰেৰণাৰ উৎস কি? নিশ্চয় জ্ঞানলাভৰ আনন্দ আৰু অন্তৰ্নিহিত সত্যৰ সন্ধান। গণিত সম্পৰ্কে অধ্যাপক হাৰ্ডিয়ে কৈছে "If intellectual curiosity professional pride and ambition are the dominant incentives to research, then assuredly no one has a fairer chance of gratifying tham than a mathematician. His subject is the most curious of all—there is none in which truth plays such odd pranks." হাৰ্ডিৰ কথাত একমত

নহলেও আমি সিদ্ধান্ত কৰিব পাৰো যে সত্যৰ সন্ধানে আমাক বিমল আনন্দ দিয়ে। নজনা কথা এটা কষ্ট কৰি জানিলে, নতুন তথ্য পালে বা নতুন বিদ্যা, শিল্পকলাৰ জ্ঞানে বা বিশেষ কিছুমান উপলব্ধিয়ে আমাক অহৈতুকী আনন্দ দিয়ে তেহেলৈ সিবিলাকৰ পৰা আমাৰ কোনো বস্তুগত লাভালাভ হওক বা নহওক।

আমি কেইজনমান জ্ঞানসাধনাৰে মণ্ডিত ব্যক্তিৰ কথাৰে প্ৰবন্ধৰ সামৰণি মাৰিম।

অৰ্থনীতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাহিৰেও সাধাৰণ শিক্ষিত লোকৰ মাজত জন মে'নাৰ্ড কীনচ্‌ৰ নাম নুশুনা মানুহ খুব কম ওলাব। আডাম্ স্মীঠ্ বা কাৰ্ল মাৰ্ক্সৰ পাচতে এজন দ্ৰষ্টা অৰ্থনীতিবিদ হিচাপে কীনচ্ খ্যাত। অৰ্থনীতিৰ General Theory আৰু IMF ৰ আৰম্ভনীৰ লগত কীনচ্ ওতঃপ্ৰোত ভাৱে জড়িত। কাৰ্লমাৰ্ক্সৰ মৃত্যুৰ বছৰতে (১৮৮৩) তেওঁৰ জন্ম হয় কেম্ব্ৰীজত। দেউতাক অৰ্থনীতিৰ প্ৰবক্তা আছিল। স্কুলীয়া শিক্ষা ইট'নত (য'ত ইংলণ্ডৰ বহুকেইজন প্ৰধানমন্ত্ৰীয়ে পঢ়িছিল, ভাৰতৰ জৱাহৰলালো ইটনৰ ছাত্ৰ আছিল) শেষ কৰে; সেই সময়তে লেটিন ভাষা, গণিত, ইতিহাস আৰু ইংৰাজী ৰচনাত বিশেষ পাৰদৰ্শিতা অৰ্জন কৰি পুৰস্কৃত হৈছিল। পৰবৰ্ত্তী কালত কেম্ব্ৰীজৰ কিংচ কলেজৰ পৰা গণিতত স্নাতক হয়। আলফ্ৰেড হোৱাইট্‌হেড আছিল শিক্ষক, বাট্ৰাণ্ড ৰাছেল আছিল সহপাঠী। গণিতত কৃতী ছাত্ৰ হৈয়ো দৰ্শন আৰু অৰ্থনীতিত বিশেষ ব্যুৎপত্তি লভি প্ৰখ্যাত হৈ পৰিল। চিভিল চাৰ্ভিচত উত্তীৰ্ণ হৈ কিছুদিন কাম কৰি ভাল নলগাত পুনৰ কিংচ কলেজত প্ৰবক্তাৰূপে যোগদান, কিংচ কলেজৰ সন্মানিত ফেল' নিৰ্বাচিত। ইতিমধ্যে আৰু অনেক বুদ্ধিজীৱিৰ (লিটন্ ষ্ট্ৰেচী, লিয়োনাৰ্ড ওলফ, হেনৰী জেমচ্ আদি) সংস্পৰ্শ লাভ কৰে ব্লুমচ্‌বাৰী গ্ৰুপত। ৰাজনীতি, সমাজবিদ্যা, দৰ্শন আৰু অৰ্থনীতি সকলোতে তেওঁৰ মতামত মূল্যবান পৰিগণিত হব ধৰিলে। ১৯২১ চনত তেওঁৰ "সম্ভাৱিতা সূত্ৰ"ৰ ওপৰত এক বিশাল গ্ৰন্থ প্ৰকাশিত হয়। ইতিমধ্যে তেওঁ "ভাৰতীয় মুদ্ৰানীতি" সম্পৰ্কেও এক গৱেষণা গ্ৰন্থ প্ৰকাশ কৰে। প্ৰথম মহাসমৰৰ পাছতে তেওঁ লিখিলে "The economic consequences of the peace" নামৰ গ্ৰন্থখন। ১৯২৩ চনত প্ৰকাশ হয় "A tract on monetary reform" আৰু ১৯৩০ চনত "A treatise on money"ৰ নাম মুদ্ৰা অৰ্থনীতিৰ এক বিশাল সৌধ। ১৯৩৬ চনত তেওঁৰ গৱেষণাৰ সৰ্বোত্তম কীৰ্তি "General theory" —যিখন গ্ৰন্থই অৰ্থনীতিত নতুন দিশৰ সন্ধান দি তোলপাৰ লগালে। দ্বিতীয় মহাসমৰৰ ভিতৰতে ১৯৪০ চনত প্ৰকাশিত হয় "How to pay for the war"। এই গ্ৰন্থবোৰৰ প্ৰত্যেকখনেই এক ব্যাপক গৱেষণাৰ ফল, ভাবিলে আচৰিত হব লগা হয় অধ্যয়নৰ, বিশ্লেষণৰ গভীৰতা দেখি। সেই সময়ৰ য়ুৰোপৰ অৰ্থনীতিৰ প্ৰত্যেকটো কথাই যেন কীনচ্‌ৰ আঙুলি মূৰত আছিল, কাৰণ তাৰ ভিত্তিতে তেওঁ যুদ্ধৰ পাচত হ'ব লগা বা হ'ব পৰা মন্দা অৰ্থনৈতিক অৱস্থা, নিবনুৱা সমস্যা বা মুদ্ৰাস্ফীতিৰ বিষয়ে ভৱিষ্যৎবাণী কৰিব পাৰিছিল। একে সময়তে কলা-শিল্পৰ লগতো বিশেষভাৱে জড়িত হৈ পৰিছিল, এগৰাকী নৃত্যাঙ্গনাক পত্নীৰূপে গ্ৰহণ কৰিলে, ষ্টক এক্সেঞ্জৰ ব্যৱসায়তো প্ৰচুৰ ধন ঘটিলে। মুঠতে চল্লিশ বছৰ মানৰ ভিতৰতে কীনচ্ অৰ্থনীতিৰ এক বিশাল জ্ঞানভাণ্ডাৰ হৈ পৰিছিল। অত্যধিক পৰিশ্ৰমৰ ফলত ১৯৪৬ চনত মাত্ৰ ৬২ বছৰ বয়সত মৃত্যু হয়।

এতিয়া আহোঁ ১৯৮৮ চনৰ অৰ্থনীতিৰ নবেল বঁটা বিজয়ী অধ্যাপক ম'ৰিচ এলেই (Maurice Allais) ৰ কথালৈ। জন্ম ১৯১১ চনত। দেউতাক আছিল পনিৰ বেপাৰী। গণিতত প্ৰথম শ্ৰেণীৰ স্নাতক হয় বিখ্যাত ইকল পলিটেকনিকৰ পৰা ১৯৩৩ চনত। তিনিবছৰৰ পাছত ১৯৩৬ চনত খনি অভিযন্তাৰূপে কামত যোগদান। ১৯৩৯ চনত বাধ্যতামূলক যুদ্ধ সেৱাৰ কামত ইটালিৰ ৰনাঙ্গণত। ১৯৪৩ চনত খনি পৰিসংখ্যা বিভাগৰ সঞ্চালক। লগে লগে অৰ্থনীতি, ইতিহাস আৰু পদাৰ্থবিদ্যা সম্পৰ্কে গৱেষণা। ১৯৪৩ চনত প্ৰকাশ কৰে In quest of an economic discipline, ১৯৪৮ চনত 'Economy and interest', ইতিমধ্যে ১৯৪৫ চনত প্ৰকাশিত হৈছিল 'Pure economics and social efficiency' আৰু 'Abundance or misery' নামৰ গৱেষণা গ্ৰন্থসমূহ। ইয়াৰ পাচত তেওঁ প্ৰশাসনীয় সেৱাৰ পৰা আঁতৰি গৈ পেৰিচৰ 'খনি অভিযান্ত্ৰিক কলেজ'ৰ অৰ্থনীতিৰ অধ্যাপক হয়গৈ। ১৯৪৬ চনত "জাতীয় কাৰিকৰী আৰু বৈজ্ঞানিক সংস্থান" (CNRS) ৰ অন্তৰ্গত এটা প্ৰতিষ্ঠানৰ সঞ্চালক। তদুপৰি দেশ বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়ত ভিজিটিং প্ৰফেছৰ ৰূপে কাৰ্য্যনিৰ্বাহ। সমান্তৰাল ভাৱে পদাৰ্থ বিজ্ঞান আৰু ইতিহাসৰ গৱেষণা; বৈজ্ঞানিক গৱেষণাৰ বাবে বিভিন্ন পুৰস্কাৰ লাভৰ উপৰিও CVRS ৰ সৰ্বোত্তম সন্মান স্বৰ্ণ পদকেৰে বিভূষিত। কোৱাণ্টাম সূত্ৰ, মধ্যাকৰ্ষণ আৰু ইলেক্ট্ৰমেগনেটিক ফিল্ড থিয়োৰিৰ মাজৰ সমন্বয় সম্পৰ্কে বিশেষ গৱেষণা। যি বিষয়ত আইনষ্টাইনে জীৱনৰ শেষৰ ত্ৰিশবছৰ গৱেষণা কৰিছিল আৰু যি বিষয়ৰ কিয়দংশৰ ওপৰত কাম কৰি আব্দুচ্ চালামে নোবেল পুৰস্কাৰ পালে। অৰ্থনীতিৰ লগতে পদাৰ্থবিজ্ঞানো তেওঁৰ পেশা আছিল "of all my experience, it is basically research, considered as an exploration of unknown and totally detached from any concern with success, which appeared to me in itself as the most enlivining, the most exciting, because in this field any thorough investigation can only widen perspectives."

ঠিক তেনেধৰণৰ আন এজন নোবেল বঁটা বিজয়ী (১৯৬৯) অৰ্থনীতিবিদ হ'ল হলেণ্ডৰ য়ান টিনবাৰগেন। লেইডেন বিশ্ববিদ্যালয়ত আইনষ্টাইনৰ বন্ধু প'ল আহ্‌ৰেণফেষ্টৰ ছাত্ৰ আছিল, সেইসূত্ৰে প্ৰায়ে আইনষ্টাইনৰ সান্নিধ্য লাভ কৰিছিল। গণিত আৰু পদাৰ্থবিদ্যাৰ স্নাতক হৈ তাত্বিক পদাৰ্থবিদ্যাত ডক্টৰেট আৰ্জন কৰে ১৯২৯ চনত। ২য় মহাসমৰৰ পাছত তেওঁ গাণিতীক অৰ্থনীতিৰ প্ৰতি আকৃষ্ট হয় আৰু উল্লেখনীয় বৰঙণিৰ বাবে নোবেল বঁটা পায়। বৈজ্ঞানিক গৱেষণালব্ধ সন্তোষ্টিৰ বিষয়ে কৈছে "What is most attractive in doing scientific work. whether in economics or any other science ? The happiness you

feel when understanding all of a sudden something you did not understand before."

ভাৰতীয় কলা সংস্কৃতি আৰু ইতিহাসৰ ছাত্ৰ-ছাত্ৰীয়ে দামোদৰ ধৰ্মানন্দ কৌশ্বাম্বীৰ নাম নিশ্চয় শুনিছে— বহুতে তেখেতৰ ৰচিত "Introduction to the study of Indian history" আৰু "Culture and civilization of ancient India in historical outline" নামৰ গ্ৰন্থকেইখন পঢ়ি উপকৃত হৈছে। কিন্তু বহুতেই নাজানে যে ডি. ডি. কৌশ্বাম্বী প্ৰকৃততে এজন প্ৰখ্যাত গণিতজ্ঞহে আছিল। জন্ম হৈছিল ১৯০৭ চনত গোৱাত। দেউতাক অধ্যাপক ধৰ্মানন্দ কৌশ্বাম্বী আছিল বৌদ্ধদৰ্শনৰ সুপণ্ডিত। তেখেত কিছুদিন হাৰ্ভাড বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈছিল, সেইসূত্ৰে দামোদৰ কৌশ্বাম্বীয়ে স্কুলীয়া আৰু কলেজীয়া শিক্ষা হাৰ্ভাডতে শেষ কৰিছিল। গণিত, ইতিহাস আৰু ভাষাতত্ত্ব বিষয় লৈ স্নাতক হয় ১৯২৯ চনত। ত্ৰিশৰ দশকৰ আমেৰিকাৰ মন্দা অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত আৰু অধ্যয়ন নকৰি ভাৰতলৈ ঘূৰি আহি কাশী হিন্দু বিশ্ববিদ্যালয়ত গণিতৰ প্ৰৱক্তাৰূপে যোগদান কৰে (যদিও তেওঁ স্নাতকহে আছিল)। গাণিতিক চিন্তাৰ স্বচ্ছতা আৰু বিমূৰ্ত্তভাৰ প্ৰতি তেওঁ আকৰ্ষিত হৈছিল আৰু তাৰেই প্ৰতিফলন পাচৰ জীৱনৰ ইতিহাস চিন্তা, শিল্পকলা সম্পৰ্কীয় গৱেষণাত দেখা যায়। টেণ্চৰ আৰু সম্ভাৱিতা সূত্ৰৰ অনেক উচ্চস্তৰৰ গৱেষণাৰ বাবে ১৯৩৪ চনত প্ৰথম ৰামানুজন পুৰস্কাৰ আৰু মৰণোত্তৰ ভাৱে ১৯৭৪ চনত ভাৱা পুৰস্কাৰ দি সন্মানিত কৰা হৈছিল। তদুপৰি ১৯৪৬ চনত তেখেত ভাৰতীয় জাতীয় বিজ্ঞান একাডেমী (INSA)ৰ সন্মানিত ফেল' নিৰ্বাচিত হয়। কাশী বিশ্ববিদ্যালয়ৰ উপৰিও তেখেত আলিগড় মুছলিম বিশ্ববিদ্যালয়, পুনাৰ ফাৰ্গুচন কলেজ আৰু শেষৰ ফালে টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠান (TIFR) ত উচ্চ গণিতৰ অধ্যাপনা কৰিছিল, অনেক ছাত্ৰই ডক্টৰেট ডিগ্ৰীও তেখেতৰ তত্বাৱধানত লাভ কৰিছিল। ১৯৪৯ চনত প্ৰিন্সটনৰ প্ৰখ্যাত Institute of Advanced study অত আইনষ্টাইনৰ সৈতে Unified field theory সম্পৰ্কেও তাত্ত্বিক পদাৰ্থবিজ্ঞানত গৱেষণা কৰিছিল। কৌশ্বাম্বীৰ জনপ্ৰিয় গৱেষণাসমূহ হ'ল ভাৰতীয় ইতিহাস, কলা-সংস্কৃতি, বৌদ্ধ ধৰ্মৰ ইতিহাস, মুদ্ৰাবিজ্ঞান (Numismatics), পৰিসংখ্যা বিজ্ঞান, ভাৰতবিদ্যা (Indology), সংস্কৃত পাঠ উদ্ধাৰ (Sanskrit text study) তথা বংশগতিবিজ্ঞান। ১৯৬৬ চনত তেওঁৰ মৃত্যু হয়। ৰাজনৈতিক দৰ্শন আছিল মাৰ্ক্সবাদ। বিভিন্ন সময়ত দিয়া বক্তৃতা, ৪ খন প্ৰসিদ্ধ গ্ৰন্থ আৰু বিভিন্ন বিষয়ত দেশ-বিদেশৰ প্ৰখ্যাত গৱেষণা পত্ৰিকাত প্ৰকাশিত ১৪৫ খন মৌলিক গৱেষণা পত্ৰ তেওঁৰ কীৰ্তি। যিবোৰ বিষয়তে হাত দিছিল তাতে গভীৰ অনুসন্ধিৎসু মনেৰে জ্ঞান সাধনাত মগ্ন হৈছিল। এয়াও জ্ঞান লাভৰ ফলশ্ৰুতি।

অসমৰ প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ জীৱনালেখ্যও জ্ঞানৰ এক বিৰাট সাধনা। কলিকতাৰ পৰা সংস্কৃত আৰু অক্সফোৰ্ডৰ পৰা আধুনিক ইতিহাসৰ এম. এ. সন্দিকৈ ডাঙৰীয়াই মহাকাব্যৰ সমালোচক ৰূপেহে বিখ্যাত হ'ল। একুৰিতকৈয়ো অধিক মাণিকহেন প্ৰবন্ধেৰে অসমীয়া সাহিত্যলৈ য়ুৰোপৰ বিভিন্ন সাহিত্যৰ সম্ভেদ আগবঢ়ালে। যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ, গুৱাহাটী বিশ্ববিদ্যালয় বা চাহ-বাগিছাৰ পৰিচালন। যতে হাত দিলে তাতে জ্ঞান সাধকৰ পৰিষ্কাৰ চিন্তাৰ ছাপ ৰাখি গ'ল। জীৱনৰ ত্ৰিশটা বছৰ ধৰি তিনিখন কঠিন মহাকাব্য "নৈষধ চৰিত", "যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি" তথা "সেতুবন্ধ" খুটি–নাটি মাৰি, টীকা টিপ্পনীসহ বিস্তৃত ব্যাখ্যা কৰি দেশ বিদেশৰ সুধীমণ্ডলীৰ প্ৰশংসা লভিলে। গ্ৰন্থ সমালোচনাৰ এটি স্থায়ী আদৰ্শ এৰি গ'ল। ধনবিত, ক্ষমতা, পাণ্ডিত্য, শিক্ষাৰ একোৰে অভাৱ নাছিল। কেৱল জ্ঞানৰ আনন্দকে সাৰোগত কৰা প্ৰচাৰ বিমুখ সন্দিকৈয়ে গ্ৰন্থকেইখনৰ স্বত্বও ক্ৰমে পুনাৰ ডেক্কান কলেজ, শোলাপুৰৰ (মহাৰাষ্ট্ৰ) জৈন সংস্কৃতি সংৰক্ষক সংঘ আৰু আহমেদাবাদৰ প্ৰাকৃত টেক্সট্ ছচাইটিক দান দি গৈছে। সদ্যপ্ৰয়াত (ছেপ্তেম্বৰ '৯৫) পণ্ডিত ড° মহেশ্বৰ নেওগ ডাঙৰীয়াও একপ্ৰকাৰ ৰেণেচা পাণ্ডিত্যৰ অধিকাৰী তথা বিৰল জ্ঞান সাধক। বৈষ্ণৱ সাহিত্য, ৰসবাদ, শিল্পকলা, আধুনিক সাহিত্য, ইতিহাস চিন্তা সকলোতে এৰি থৈ গৈছে জ্ঞানান্বেষীৰ প্ৰজ্ঞাৰ চাপ ; অধিক কোৱাৰ প্ৰয়োজন নহয়।

দেখা যায় যে জ্ঞান আৰ্জন কোনো বিশেষ উদ্দেশ্য ৰাখি কৰাতকৈ জানিবৰ বাবে কৰিলেহে স্থায়ী আনন্দ পোৱা যায়। ড° বাণীকান্ত কাকতিদেৱে কোৱাৰ দৰে জ্ঞানৰ আনন্দ উপভোগ কৰিবলৈ অৱশ্যে নীৰৱতা আৰু সাধনাৰ প্ৰয়োজন। ●

মাত্ৰ এটা শব্দৰ কাৰণেই মানুহ জ্ঞানী বুলি বিবেচিত হ'ব পাৰে আৰু এটা শব্দৰ কাৰণেই তেওঁ মূৰ্খ বুলি প্ৰমাণিত হ'ব পাৰে। গতিকে আমি কি কথা কওঁ সেই বিষয়ে অতি সাৱধান হোৱা উচিত।

—কনফুচিয়াচ।

# জ্যোতিপ্ৰসাদৰ বিশ্বায়তন ঃ এটি সমীক্ষা

ড° শিৱনাথ বৰ্মন
অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়

বিশ্বায়তন বিশ্বপ্ৰেম, বিশ্বমানৱতা— এই-বোৰৰ অৰ্থ কি? বিশ্বপ্ৰেম বিশ্বজনীন, নে ই স্থানোদ্ভূত? ব্যক্তিমানৱতা বিশ্বমানৱতা নিসৃত নে ই বিশ্বমানৱতাৰেই বীজাণু? পশ্চিমৰ এগৰাকী বিখ্যাত পণ্ডিতে লিখিছে।

"In order to understand, it is necessary empirically to begin understanding, to study, to rise from empiricism to universal. In order to learn to swim, it is necessary to get into water"

উক্তিটোৰ তাৎপৰ্য্য হৃদয়ংগম কৰি উঠিলে জ্যোতিপ্ৰসাদৰ বিশ্বায়তন বুজাত কোনো অসুবিধা নহয়। বিমূৰ্তৰ পৰা মূৰ্ত নহয়, মূৰ্তৰ পৰা সকলো বিমূৰ্ত ধাৰণাৰ উৎপত্তি। বিশ্বমানৱতা এটা বিমূৰ্ত ধাৰণা; কিন্তু ইয়াৰ উদ্ভৱ হৈছে আমি সদায় দেখি থকা ৰাম, হৰি, যদু, মধুৰ ধাৰণাৰ পৰাই। বিশ্বপ্ৰেমৰ ধাৰণাও আহিছে ব্যক্তিপ্ৰেমৰ ধাৰণাৰ পৰা। সেইদৰে, আচৰিত যেন লাগিলেও সঁচা, বিশ্বায়তনৰো চেৰা-শালি আঞ্চলিক। ই হ'ল আমি ওপজা অঞ্চলটোৰ, আমাৰ নিজ ৰাজ্যখনৰ প্ৰতি থকা আমাৰ ধ্যান-ধাৰণা, আমাৰ প্ৰেম আৰু চেনেহৰ এক বহুধা প্ৰসাৰিত ৰূপ।

জ্যোতিপ্ৰসাদে তেওঁৰ সহজাত বুদ্ধিৰেই এই কথা বুজি পাইছিল ঃ

ওপজা গাঁৱৰ পৰা / নিজৰাৰ
পাৰেদি / জান-জুৰি নৈয়েদি
লুইতৰ বালিয়ে মই / জোনাকত
বালিভাত খাই,
সোৱণশিৰীয়া সোণ নিতৌ কমাওঁ,
মাৰ য়োৱা বেলিটিৰ / জিলিকনি লেপি
মই
নতুন পুৱাৰ ছবি চাওঁ,
মহাভাৰতৰ বাটে / পৃথিৱীৰ সবাহলৈ
যাওঁ।

তেওঁ লিখিছিল। থোৰতে কব লাগিলে, এয়ে আছিল তেওঁৰ বিশ্বায়তনৰ সাৰমৰ্ম।

সন্দেহ নাই, জ্যোতিপ্ৰসাদৰ বিশ্বায়তনৰ প্ৰাথমিক ভিত্তি আছিল আঞ্চলিক। কিন্তু বিশ্ব-বীক্ষা আৰু আঞ্চলিক বীক্ষাৰ মাজত যে এক দ্বান্দ্বিক সম্পৰ্কও বিদ্যমান, এই কথাও তেওঁ



কেতিয়াও পাহৰি যোৱা নাছিল। প্ৰাদেশিক কৃষ্টি-সমূহক বৃহৎ ভাৰতীয় কৃষ্টিৰ আৰু ভাৰতীয় কৃষ্টিক বৃহত্তৰ বিশ্বকৃষ্টিৰ পাৰস্পৰিক ধ্বনি-প্ৰতিধ্বনিৰ, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰিণাম হিচাপে তেওঁ গণ্য কৰিছিল। "ভাৰত আৰু প্ৰদেশ সম্পৰ্কে যেনেকৈ এই ধ্বনি আৰু প্ৰতিধ্বনিৰ কথা খাটে, সেইদৰে একে কথাই হব লাগিছে নিখিল পৃথিৱী আৰু দেশবোৰৰ সম্পৰ্কে। বিশ্বকৃষ্টি আৰু জাতীয় কৃষ্টিও এইদৰে ধ্বনি-প্ৰতিধ্বনিৰ, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সম-য়ত গঢ়ি উঠিব লাগিছে।" —তেওঁ কৈছিল ('নতুন দিনৰ কৃষ্টি')।

জ্যোতি প্ৰসাদে জানিছিল, আঞ্চলিক বীক্ষা অবিহনে বিশ্ববীক্ষা অবান্তৰ। আনহাতে নিজৰ ওপজা ঠাইখনক বিশ্বদৃষ্টিৰে চাব নোৱাৰিলে বা চাব নাজানিলে আঞ্চলিক বীক্ষা যে উৎকট আঞ্চলিকতাবাদৰ গৰাহত পৰাৰ পদে পদে সম্ভা-ৱনা থাকে, এই কথাও তেওঁ উপলব্ধি কৰিছিল হাড়ে হাড়ে। সেয়ে তেওঁ গাইছিল—

মই কিন্তু শিল্পী প্ৰাণে
গাঁৱৰ গণ্ডীতো থাকি
উপজিয়েই হৈ আছোঁ বিশ্ব নাগৰিক।

'নানা ভাষা, নানা আশা, নানা জাতি বৰ্ণৰ মাজেদি তেওঁ শুনিবলৈ পাইছিল বিশ্বজনী-নতাৰ এক অপূৰ্ব সংগীত'।

জ্যোতিপ্ৰসাদে অসমক ভাল পাইছিল। সুজলা-সুফলা, শস্য-শ্যামলা অসমৰ অধিবাসী সকল আছিল তেওঁৰ বুকুৰ কুটুম। অসমৰ হকে, অসমীয়া জাতিৰ হকে সৰ্বপ্ৰকাৰ ত্যাগ কৰিবলৈ তেওঁ আছিল চিৰ-উন্মুখ। কিন্তু অসমীয়া বুলিলে তেওঁৰ মনত কাহানিও ভাহি উঠা নাছিল এক অবিমিশ্ৰ, তুষাৰশুদ্ধ, স্বচুৰ্গবন্দী মানৱ প্ৰজাতিৰ ছবি। কাযৰ দৃষ্টিৰোধ কৰিবলৈ ঘোঁৰাৰ চকুত এবিধ চামৰাৰ ঢাকনি লগাই দিয়া হয়। অন্ধ জাতীয়তাবাদীৰ এনে ঢাকনি তেওঁ কাহানিও পিন্ধা নাছিল। উদাৰনৈতিক মানৱতাবাদত অসীম আস্থাশীল জ্যোতিপ্ৰসাদে ভালদৰেই বুজি পাই-ছিল যে "বৰ্ত্তমান পৃথিৱীত, এই বৈজ্ঞানিক যুগত একেবাৰে আচুতীয়াকৈ কোনো দেশ-প্ৰদেশৰ, মহাজাতিৰ, জাতিৰ বা উপজাতিৰ সংস্কৃতি হব নোৱাৰে।" ('পোহৰলৈ')। তেওঁৰ দৃষ্টিত প্ৰতিটো থলুৱা জাতিয়েই হ'ল বিশ্বব্যাপ্ত মানৱ প্ৰজাতি-টোৰ একোটা অংশ। এই বিৰাট মানৱ প্ৰজাতি-টোৰ লগত নিজকে একাত্ম কৰি লব নোৱাৰিলে, অথবা কৰি লব নুখুজিলে— বাহিৰৰ প্ৰভাৱৰ পৰা নিজকে সম্পূৰ্ণ বিমুক্ত, 'বিশুদ্ধ' কৰি ৰাখিব খুজিলে—কোনো জাতিৰ কাৰণেই নিজৰ স্বকীয় বিকাশ ঘটোৱা সম্ভৱ নহয়। সেয়ে দ্বিধাহীন কণ্ঠেৰে তেওঁ কৈছিল ঃ

"আমি যদি আমাৰ সভ্যতা-সংস্কৃতি এই সাৰ্বভৌম আদৰ্শৰ পৰা আঁতৰাই আমাৰ মনটোক কেৱল লুইতৰ বৰ চাপৰিতে এৰাল দি থওঁ, তেন্তে আমাৰ মনটো অসমৰ গৰুৰ দৰেই টিলিকা হৈ থাকিব। আমাৰ সংস্কৃতি, সাহিত্য, কলা— সকলোৱেই থাকিব অসমৰ নামঘৰতে পৰি।" ('অসমীয়া স্থাপত্যৰ নৱৰূপ')।

জ্যোতিপ্ৰসাদে অসমক বিশ্বৰ পৰা বিছিন্ন কৰি চোৱা নাছিল। দৰাচলতে তেওঁৰ বিশ্বপ্ৰেম আছিল অসম প্ৰেমৰে উত্তৰণ। তেওঁ কৈছিল যে "এজন অসমীয়া বিশ্বকবি হ'বলৈ হ'লে তেওঁৰ চিন্তাত জ্বলি উঠিব লাগিব সমগ্ৰ মানৱ

জাতিৰ সমস্যা। মানৱ জাতিৰ সমস্যায়েই যেতিয়া অসমীয়াৰো সমস্যা তেতিয়া সেই অসমীয়া বিশ্ব-কবিজনৰ চিন্তাত-অসমীয়াৰ সমস্যাও এনেয়ে হলেও সোমাই থাকিবই।" ('অসমীয়া স্থাপত্যৰ নৱৰূপ')।

থলুৱা হৈয়ো একে উশাহে কিদৰে বিশ্ব-নাগৰিক হ'ব পাৰি, তাৰ পথ জ্যোতিপ্ৰসাদে আমাক প্ৰথমবাৰৰ বাবে দেখুৱাই থৈ গৈছে। তেওঁ আমাক বাৰে বাৰে সকীয়াই দিছিল যে অসমৰ জাতীয় সংস্কৃতি হ'ল বহু বৰ্ণাঢ্য বিশ্ব-সংস্কৃতিৰ এক স্থানীয় বৈচিত্ৰ্য; এনে বৈচিত্ৰ্য হিচাপেই আমি আমাৰ জাতীয় সংস্কৃতিক ৰক্ষা কৰিব আৰু তাৰ বিকাশ ঘটাব লাগিব। সাংস্কৃতিক সমন্বয়ৰ মাজেদিয়েই ফুটি উঠিব লাগিব অসমীয়া সংস্কৃতিৰ মৌলিকতা। এনেদৰে বিশ্বসংস্কৃতিৰ আদৰ্শ সমুখত ৰাখি জাতীয় উন্নতিৰ কামত আত্মনিয়োগ কৰিলে তাত প্ৰাদেশিকতাবাদ বা আন কোনো সংকীৰ্ণতাৰ গোন্ধ থাকিব নোৱাৰে, কাৰণ ই হব বিশ্বক সামগ্ৰিক উন্নতিৰ বাবেই আমাৰ পৰোক্ষ আত্ম-নিয়োজন।

"আমি আমাৰ সাৰ্বজনীন বিশ্বসংস্কৃতিৰ এটা বৈশিষ্ট্য হিচাপে অসমীয়া সংস্কৃতি সভ্যতা গঢ়িবলৈ গৈ সেই ভাৱেৰে চিন্তা আৰু কাৰ্য্য কৰিলে সি কেতিয়াও প্ৰাদেশিক সংকীৰ্ণতা নহ'ব। তাকে নকৰিলেই আমি সংকীৰ্ণতাত বান্ধ খাম আৰু সেয়ে হ'লেই আমি বিশ্বসভাত যি আসন বিচাৰি ওলাইছোঁ তাক পাবলৈ সমৰ্থ হ'ম। মুঠৰ ওপৰত আমি অসমীয়াই বিশ্ব-মানৱ হৈ ফুটি উঠিব খোজোঁ সভ্যতা সংস্কৃতিৰ মৌলিকতাৰ মাজেদি আমাৰ বৈশিষ্ট্যৰ ভিতৰেদি।" (উক্ত প্ৰবন্ধ)

পুনৰ,

"আজিৰ দিনত ভাৰতীয় বা অসমীয়া স্থাপত্যত প্ৰতিফলিত হব লাগিব আমাৰ নিজৰ নতুন মনটো। এই মনটোৱে নিজে ওপজা মাটি কঠাতে তাৰ স্থিতি লৈ নিজৰ ভৰিৰ তলৰ মাটি-ৰেই ৰস খাই আৰু সি যি জলবায়ুৰ মাজত জনম লভিছে, তাৰ পৰাই সি বিকাশৰ সমল আহৰণ কৰি আকাশমুৱা হৈ বিশ্বৰূপ ধৰিবলৈ বিচাৰিছে। এই মনটোৱেই হৈছে পৃথিৱীৰ প্ৰগতি-বাদীৰ মত। জাতীয় প্ৰগতিবাদী তথা অসমীয়া প্ৰগতিবাদী মনটোও হৈছে এয়েই। তাৰ মানে হৈছে, আজি আমি আমাৰ ঘৰুৱা বৈশিষ্ট্য আৰু সভ্যতা সংস্কৃতিৰ প্ৰকাশৰ এটা স্থানীয় বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ, এটা বিশ্ব সভ্যতা সংস্কৃতি গঢ়িবলৈ আগবাঢ়ি ওলাইছোঁ। সেই কাৰণেই বিশ্ব বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ আমি আমাৰ সভ্যতা সংস্কৃতি ৰক্ষা কৰিবলৈ যি চিন্তা বা কৰ্ম কৰিম সি সংকীৰ্ণ প্ৰাদেশিকতা হব নোৱাৰে।" (পূৰ্বোক্ত প্ৰবন্ধ)

জ্যোতিপ্ৰসাদে কৈছিল যে বিশ্বমানৱতাৰ আদৰ্শৰে বাট বুলিলে, নিজকে বিশ্বৰ এক অবি-চ্ছেদ্য অংগ বুলি ধৰি লৈ থলুৱা জাতি-উপজাতি সমূহে নিজ নিজ সাংস্কৃতিক ঐতিহ্যক জাতিস্কাৰ কৰিব খুজিলে, তাত বিৰোধ আৰু সংঘৰ্ষৰ স্থান স্বভাৱতেই থাকিব নোৱাৰে ঃ

"এই বিশ্ব বৈচিত্ৰ্যবোধৰ ভাৱেৰে সকলো জাতি, মহাজাতি, উপজাতিয়ে নিজৰ সভ্যতা-সংস্কৃতি গঢ়িবলৈ আগবাঢ়িলে তাত আৰু সংঘৰ্ষৰ ঠাই ক'ত? তেতিয়া হলে বঙালী বা মাৰাঠীয়ে নিজৰ সভ্যতা সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা কৰাটো কৰ্তব্য বুলি ভাৱিব লাগিব, আনফালে তেওঁলোকে অসমীয়া সংস্কৃতিকো যে ৰক্ষা কৰিব লাগিব, সেই কৰ্তব্যও উপলব্ধি নকৰি নোৱাৰিব। অস-মীয়া ভৈয়ামীয়াসকলেও তেতিয়া অসমৰ জনজাতি সকলৰ সভ্যতা সংস্কৃতি যে ৰক্ষা কৰিব লাগিব, তাকো বুজিব পাৰিব ভালকৈয়ে। বিশ্ব সংস্কৃতিৰ বৈশিষ্ট্যবোধ থাকিলেই যাক সাংস্কৃতিক সংঘৰ্ষ লোকে বুলিব খোজে, সি আৰু কেনেকৈ থাকিব? বিশ্বশান্তিৰ বাটো এই ফালেদিয়েই।" (উক্ত প্ৰবন্ধ)

একেই আদৰ্শ তেওঁ ব্যক্ত কৰিছে কবিতাৰ ভাষাৰেও,

শুনা শুনা বিশ্ব মানৱ পুত্ৰ !
ভাগে ভাগে ৰাখি থোৱা / নিজ নিজ
বৈশিষ্ট্যৰ / সভ্যতা জীৱনৰ /'
বিকাশ প্ৰকাশ য'ত সুচিত্ৰ বিচিত্ৰ
তথাপিও হওক মহামিত্ৰ
ইটোৱে সিটোৱে।
নৱ পৃথিৱীৰ এয়ে মিলন মন্ত্ৰ
এইদৰে ৰচিলো মানৱ তন্ত্ৰ
পৃথিৱীৰ জীৱনৰ এয়ে হব সূত্ৰ।

সন্দেহ নাই, বিশ্বসংস্কৃতিৰ পূজাৰী হিচাপে জ্যোতিপ্ৰসাদৰ মনোভাৱ আছিল আন্তৰ্জাতিক; কিন্তু তেওঁৰ আন্তৰ্জাতিকতাৰ অৰ্থ এইটো নাছিল যে বিমূৰ্ত বিশ্বমানৱৰ চিন্তাত বিভোৰ হৈ নিজৰ জাতি, নিজৰ ভাষা, নিজৰ সংস্কৃতিৰ প্ৰতি উদাসীন হৈ থাকিব লাগিব। বৰং বিশ্বমানৱৰ আদৰ্শ সমুখত ৰাখি সিবিলাকৰ বিকাশত একান্ত ভাৱে আত্মনিয়োগ কৰিবলৈ তেওঁ আমাক উপ-দেশ দিছিল। 'ওপজা গাঁৱৰ পৰা মহাভাৰতৰ বাটে পৃথিৱীৰ সবাহলে' যোৱাৰ তেওঁ পক্ষপাতী আছিল। বিন্দুতে সিন্ধু বিম্বিত হোৱাৰ নিচিনাকৈ তেওঁ বিশ্বমানৱ হৈ ফুটি উঠিব খুজিছিল প্ৰকৃত অসমীয়া হৈ, আমাৰ নিজা "সভ্যতা-সংস্কৃতিৰ মৌলিকতাৰ মাজেদি, আমাৰ বৈশিষ্ট্যৰ ভিতৰেদি।"

সংকীৰ্ণ জাতীয়তাবাদৰ বিৰুদ্ধে কৰা সৎ সংগ্ৰামত লিপ্ত হৈ জ্যোতিপ্ৰসাদৰ চিন্তাৰ এই দিশটোৰ প্ৰতি নিৰ্লিপ্ত হৈ পৰাটো আমাৰ প্ৰগতিবাদীসকলৰ বাবে নিশ্চয় উচিত নহ'ব। বৃহৎ, শক্তিশালী জাতিৰ পক্ষে জাতীয়তাবাদ জাতীয় বুৰ্জোৱাৰ মুনাফা আদায় কৰাৰ, সিহঁতক নিজৰ বজাৰ বহলোৱাৰ এটা শ্লোগান হব পাৰে। কিন্তু অসমৰ দৰে ক্ষুদ্ৰ, দুৰ্বল জাতিৰ ক্ষেত্ৰত ই হ'ল আত্মৰক্ষাৰ, আত্মসংৰক্ষণৰ এপাট অস্ত্ৰ। সেয়ে জ্যোতিপ্ৰসাদে কোৱাৰ দৰে সংকীৰ্ণতা পৰি-হাৰ কৰি ইয়াক গ্ৰহণ কৰিলে ই প্ৰাদেশিকতা বা আঞ্চলিকতাবাদ নহ'ব, বৰং ই হব আন্তৰ্জাতি-কতাবাদলৈ উত্তীৰ্ণ হোৱাৰেই প্ৰথম সোপান।

সৌভ্ৰাত্ৰৰ চেতনা শূন্য উৎকট প্ৰাদেশিকতা অৱশ্যে প্ৰতিৰোধ্য। কিন্তু ইয়াক প্ৰতিৰোধ কৰাতেই আমাৰ কৰ্তব্যৰ নিশ্চয় ওৰ নপৰে। জ্যোতিপ্ৰসাদৰ লেখীয়াকৈ আমিও গ্ৰহণ কৰিব লাগিব বিশ্বমানৱতাৰ আদৰ্শেৰে অনুপ্ৰাণিত সমাজ-বাদী চিন্তাৰে উদ্বুদ্ধ এক উদাৰনৈতিক অসমীয়া জাতীয় চেতনা। ই আন্তৰ্জাতিকতাৰ বিৰোধী নহব, বৰং অসমৰ দৰে নিশকতীয়া জাতিৰ বাবে ই হব 'ওপজা গাঁৱৰ পৰা পৃথিৱীৰ সবাহলে' যোৱাৰ সেন্দুৰীয়া পথ।

(প্ৰথম বছৰ সপ্তদশ সংখ্যা "পয়েক" আলোচনীত পূৰ্বে প্ৰকাশিত প্ৰবন্ধটি লিখকৰ অনুমতি সাপেক্ষে পুনৰ প্ৰকাশ কৰা হ'ল। —সম্পাদক)

# অসমৰ গ্ৰাম্য অৰ্থনৈতিক বিকাশত মুগা শিল্প

—বুদ্ধিম গগৈ
প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ
সোণাৰি মহাবিদ্যালয়

অসমৰ গ্ৰাম্য সমাজৰ আৰ্থ-সামাজিক জীৱন আৰু কৃষ্টি-সংস্কৃতিৰ লগত ৰেচম শিল্প নিবিড় ভাৱে জড়িত হৈ আছে। ৰেচম শিল্প বুলিলে সাধাৰণতে ৰেচম পলুৰ খাদ্য বৃক্ষ ৰোপন, পলু প্ৰতিপালন কৰি খোলা, সূতা আৰু ৰেচম কাপোৰ উৎপাদন কৰাকে বুজায়। অসমৰ অনুকূল প্ৰাকৃতিক পৰিবেশ আৰু জলবায়ুৰ হেতুকে পাহাৰে ভৈয়ামে বিভিন্ন ধৰণৰ পলুৰ খাদ্য বৃক্ষৰ স্বাভাৱিক অৱস্থিতি দেখা যায় আৰু সেই বাবেই অসমৰ ৰেচম শিল্পই বিশ্বৰ ৰেচম মানচিত্ৰত এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। এৰী, মুগা, পাট আৰু টচৰ এই চাৰিওবিধ ৰেচম পলু অসমত ব্যৱসায় ভিত্তিত খেতি কৰি সূতা আৰু উৎকৃষ্ট মানদণ্ডৰ ৰেচম কাপোৰ তৈয়াৰ কৰা হয়। অসমৰ বাহিৰে পৃথিৱীৰ কোনো ঠাইতে চাৰিওবিধ ৰেচম পলু একেলগে পোৱা নাযায়। তদুপৰি এই পোহনীয়া কেইবিধৰ লগতে বহুবিধ বনৰীয়া ৰেচম পলুৰ প্ৰাকৃতিক অৱস্থিতিয়ে অসমক ৰেচম শিল্পৰ বিকাশৰ সম্ভাৱনীয়তাৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰতে সৰ্ব্বশ্ৰেষ্ঠ কৰি তুলিছে। চাৰিওবিধ ৰেচমৰ ভিতৰত সোণবৰণীয়া মুগা সূতা অসমৰ আপুৰুগীয়া জাতীয় সম্পদ। অসমৰ বাহিৰে পৃথিৱীৰ কোনো ঠাইতে মুগা সূতাৰ উৎপাদন নহয়। বিশেষ কিছুমান গুণেৰে সমৃদ্ধ এই সোণবৰণীয়া মুগা সূতা আৰু মুগা কাপোৰৰ চাহিদা দেশে-বিদেশে বৃদ্ধি পাই আহিছে। সেয়েহে শোচনীয় হৈ পৰা অসমৰ গ্ৰাম্য অৰ্থনৈতিক বিকাশত কৃষি ভিত্তিক মুগা শিল্পই অভূতপূৰ্ব বৰঙনি যোগাব পাৰে।

**অসমৰ মুগা শিল্প ঃ**

অসমৰ এৰী আৰু পাট শিল্পৰ ইতিহাস অতি পুৰণি, কিন্তু মুগা শিল্পটো অসমীয়া জাতীয় জীৱনলৈ টাই আহোম সকলৰ উল্লেখযোগ্য অৱদান। টাই আহোম সকলেই মুগা পলু পোহা, সূতা কটা আৰু কাপোৰ বোৱাৰ কৌশল উত্তৰ ব্ৰহ্মৰ শ্যান ৰাজ্য মুংগ্যাওৰ পৰা আনি অসমত প্ৰৱৰ্ত্তন কৰে ( অসমৰ আদি বুৰঞ্জী, ৺পূৰ্ণকান্ত বুঢ়াগোহাঁই, পৃঃ ৮২ ; টাই সংস্কৃতিৰ ৰূপৰেখা, ৺লীলা গগৈ, পৃঃ ৮১ )। মুগা পোহাত নিপুণতা আৰু অদম্য হেপাহ এই দুটা বৈশিষ্ট্যলৈ চাই টাই আহোম সকলেই মুগা শিল্পটো অসমলৈ অনাটো প্ৰতীয়মান হয়। মুগা পোহাটো এতিয়াও আহোম সকলৰ অতি প্ৰিয় কৌলিক বৃত্তি। পিচলৈ অন্য সম্প্ৰদায়ৰ লোক সকলৰ মাজতো ইয়াৰ প্ৰচলন হয়। বৰ্ত্তমান মুগা শিল্প অসমৰ এক সাৰ্ব্বজনীন জাতীয় শিল্প। আহোম ৰজা সকলৰ পৃষ্ঠ পোষকতাত মুগা শিল্পৰ প্ৰভুত্ব উন্নতি হৈছিল। কিন্তু ইংৰাজ সকলৰ অৱহেলাৰ বাবে বিদেশী শাসনৰ কালতেই এই শিল্পৰ যথেষ্ট অৱনতি ঘটে। দেশ স্বাধীন হোৱাৰ পাচত মুগা শিল্পৰ উন্নতিৰ বাবে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে বহু কল্যাণকামী আঁচনি গ্ৰহণ কৰিছে যদিও এই শিল্পৰ হেৰুৱা ঐতিহ্য ঘূৰাই আনিবলৈ এতিয়াও বহুখিনি কৰণীয় আছে।

মুগা সূতা প্ৰাকৃতিক সূতা সমূহৰ ভিতৰত আটাইতকৈ সবল। সেয়েহে মুগা কাপোৰ বহুত দিন টিকে। জকমকীয়া উজ্জ্বল সোণালীবৰণ মুগা কাপোৰৰ বিশেষ আকৰ্ষণ। তদুপৰি মুগা সূতাৰ কুপৰিবাহিতা আৰু জলশোষণ ক্ষমতা থকাৰ বাবে জাৰ আৰু জহ সকলো সময়তে ইয়াৰ কাপোৰ পিন্ধনত অতি আৰামদায়ক আৰু স্বাস্থ্যসন্মত। এই সূতা খাৰ, জাৰক, বিজাৰক আদিৰ সংস্পৰ্শত অনিষ্ট নহয়। যিমানে ধোৱা হয় মুগা কাপোৰৰ সোণালীবৰণৰ উজ্জ্বলতা সিমানে বাঢ়িহে যায়। বস্ত্ৰ উদ্যোগত ব্যৱহৃত হোৱা আঁহ বিলাকৰ ভিতৰত মুগা আঁহ সেইবাবেই আটাইতকৈ উত্তম। এই আঁহে ২০০° ছেলছিয়াছ উষ্ণতালৈকে ইয়াৰ



স্ফটিকতা, কুপৰিবাহিতা, কঠিনতা, সোণালীবৰণ, জলশোষণ ক্ষমতা আৰু অন্যান্য ধৰ্ম্মবোৰ অক্ষুণ্ণ ৰাখিব পাৰে। সেয়েহে মুগা সূতা বস্ত্ৰ উদ্যোগৰ উপৰিও অন্যান্য প্ৰযুক্তি উদ্যোগত ব্যৱহাৰ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। মুগা সূতাৰ লগত অন্যান্য প্ৰাকৃতিক আৰু কৃত্ৰিম সূতাৰ সংমিশ্ৰণ ঘটাই বিভিন্ন মানদণ্ডৰ কাপোৰ তৈয়াৰ কৰিব পাৰি। সোণালী মুগা কাপোৰৰ দেশী-বিদেশী বজাৰত এক স্বকীয়া সন্মান আৰু চাহিদা আগৰ পৰাই আছে। অলপতে আমেৰিকাৰ বস্ত্ৰ শিল্পৰ লগত জড়িত কেইবাটাও কোম্পানীয়ে অসমৰ এৰী আৰু মুগা সূতা আমদানি কৰাৰ গভীৰ ইচ্ছা প্ৰকাশ কৰি অসম চৰকাৰৰ লগত যোগাযোগ কৰিছিল। কিন্তু দুখৰ বিষয় অসমত উৎপাদিত এৰী আৰু মুগা সূতাই দেশীয় বজাৰৰ চাহিদাকে পূৰণ কৰিব পৰা নাই, ৰপ্তানি কৰা দূৰৰে কথা। গতিকে ব্যৱসায় ভিত্তিত মুগা সূতা উৎপাদন কৰি বিশ্বৰ একচেতিয়া বজাৰ দখল কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

অসমত বৰ্ত্তমান প্ৰায় ৭৬ শতাংশ লোকেই গাৱঁত বাস কৰে। এসময়ত অসমৰ গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক জীৱন স্বয়ং সম্পূৰ্ণ আছিল। অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবে মৌলিক প্ৰয়োজনীয় সামগ্ৰীসমূহ গাৱঁতেই উৎপাদিত হৈছিল। সেয়েহে অভাৱ-অনাটনহীন এক সুদৃঢ় অৰ্থনৈতিক ভেঁটিৰে গ্ৰাম্য সমাজে সুখে-শান্তিৰে দিন অতিবাহিত কৰিছিল। কিন্তু সময়ৰ গতিৰ লগত গ্ৰাম্য সমাজৰ প্ৰগতি সুনিশ্চিত নহ'ল। জনসংখ্যা বৃদ্ধি প্ৰাকৃতিক দুৰ্য্যোগ, নিৰক্ষৰতা, চহৰমুখী প্ৰৱণতা চৰকাৰী আঁচনি সমূহৰ ৰূপায়ণত আন্তৰিকতাৰ

অভাৱ, গাওঁ অঞ্চলতকৈ চহৰ অঞ্চলৰ উন্নয়নত অগ্ৰাধিকাৰ আদি নানান কাৰণত গ্ৰাম্য অৰ্থনৈতিক ভেঁটিটোৱেই ভাগি পৰিল। নগৰ অঞ্চলৰ তুলনাত গ্ৰাম্য অঞ্চলৰ জনমুৰী আয়ৰ অনুপাত ৩ : ১। ফলত গাঁৱৰ ৰাইজৰ ক্ৰয় ক্ষমতা শোচনীয় ভাৱে নিম্নগামী হৈছে আৰু জীৱন ধাৰণৰ মানদণ্ডও ক্ৰমাত পৰি আহিছে। এনে পৰিস্থিতিত অসমৰ গৰিষ্ঠ সংখ্যক জনগণে বসবাস কৰা গ্ৰামাঞ্চলৰ অৰ্থনৈতিক পুনৰ বিন্যাসৰ নিতান্তই প্ৰয়োজন। অনুকূল প্ৰাকৃতিক পৰিবেশ আৰু নানান বনজ সম্পদেৰে সমৃদ্ধ অসমৰ কৃষি ভিত্তিক গ্ৰাম্য অৰ্থনীতিক আধুনিক ৰূপত বিজ্ঞানসন্মত ভাৱে সংগঠিত কৰিব পাৰিলেহে অসমৰ সামগ্ৰীক বিকাশ সম্ভৱ হ'ব। অসমৰ গ্ৰাম্য সমাজৰ আৰ্থ-সামাজিক জীৱনৰ লগত নিবিড় ভাৱে জড়িত হৈ থকা মুগা শিল্পই ভাগি পৰা গ্ৰাম্য অৰ্থনীতিৰ পুনৰ গঠনত বিশেষ ভূমিকা লব পাৰে। সেয়েহে মুগা শিল্পৰ অৰ্থনৈতিক দিশ সম্পৰ্কে এটি চমু আভাস দাঙি ধৰা হ'ল।

**এক একৰ মাটিত মুগা খেতিৰ অৰ্থনীতি ঃ**

আধুনিক বিজ্ঞানসন্মত প্ৰণালীৰে কৰা মুগা খেতি অৰ্থনৈতিক ভাৱে আটাইতকৈ লাভজনক ব্যৱসায় হৈ পৰিছে। উজনি অসমৰ শিৱসাগৰ ডিব্ৰুগড়, লক্ষীমপুৰ, ধেমাজি, গোলাঘাট যোৰহাট আৰু নামনি অসমৰ গোৱালপাৰা আৰু কামৰূপ জিলাৰ বহুতো মুগা পালকে ব্যৱসায় ভিত্তিত মুগা পালন কৰি অতি কম দিনৰ ভিতৰতে যথেষ্ট অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। এক একৰ মাটিত মুগা খেতি কৰি পাব পৰা অৰ্থনৈতিক লাভালাভৰ এটি চমু আলোচনা আগবঢ়োৱা হ'ল।

এক একৰ ( প্ৰায় তিনি বিঘা ) মাটিত ২০×২০ ফুট দূৰত্বৰ ব্যৱধানত চোম গছ ৰুলে মুঠ ১১০ ডাল গছ ৰোপন কৰিব পাৰি। চোম গছৰ মাজে মাজে মুগা পলুৰ অতিৰিক্ত খাদ্য বৃক্ষ হিচাবে ৯০ জোপা দীঘলটি গছ লগাব পাৰি। মাত্ৰ দুবছৰ পাছতে দীঘলটি গছত আৰু চাৰি বছৰৰ পাছত চোম গছত পলু পালন কৰিবৰ বাবে সাজু হৈ উঠে। মাটি চহোৱা, বেৰা দিয়াৰ পৰা খাদ্য বৃক্ষ ৰোপন কৰি পলু পালন কৰালৈকে অন্য খেতিৰ তুলনাত তেনেই কম টকাহে খৰচ হয়। এবাৰ ৰোপন কৰি ডাঙৰ কৰা চোম গছত ৪০ / ৪৫ বছৰ আৰু দীঘলটি গছত ২০ / ২৫ বছৰ পৰ্য্যন্ত মুগা পলু পালন কৰিব পাৰি। গছবোৰ ডাঙৰ হোৱাৰ পাছত নাম মাত্ৰ প্ৰতিপালন কৰি, আনকি বেৰা নিদিয়াকৈয়ে বছৰৰ পাছত বছৰ মুগাখেতি অব্যাহত ৰাখিব পাৰি।

বছৰত ৬ বাৰ মুগা পুহিব পাৰি যদিও দুবাৰহে সূতা কাটিবৰ বাবে ব্যৱসায়িক ভিত্তিত মুগা পোহা হয়। এপ্ৰিল / মে' মাহত জেঠুৱা আৰু অক্টোবৰ / নবেম্বৰ মাহত কতিয়া বাহ মুগা পোহাৰ বাবে অসমৰ জলবায়ু অতি উত্তম। প্ৰতিডাল গছত কমেও ৬ জনী মুগা চকৰীৰ কণীৰ পলু মেলিলে ১১০ ডাল গছত এবাৰত ৬৬০ জনী চকৰীৰ কণীৰ পলু পুহিব পৰা যায়। অনুকূল বতৰত বিজ্ঞানসন্মত প্ৰণালীৰে মুগা পুহিলে প্ৰতিজনী চকৰীৰ কণীৰ পৰা অতি কমেও ১০০ টা খোলা পাব পাৰি। এই হিচাবত ১১০ ডাল গছত এবাৰত ৬৬,০০০ মুগা খোলা পোৱা যায়। প্ৰতি হাজাৰত কাটনী মুগা খোলাৰ দাম বৰ্ত্তমান নুন্যতম ৫০০ টকা। গতিকে খোলা বিক্ৰি কৰি এবাৰত মুঠ উপাৰ্জন হ'ব ৩৩,০০০ টকা। বছৰত দুবাৰ পুহিলে মুঠ উপাৰ্জন হবগৈ ৬৬,০০০ টকা। বনুৱা আৰু অন্যান্য সকলো খৰচৰ বাবদ যদি ২০,০০০ টকা বাদ দিয়া হয় তেন্তে মুঠ লাভ হ'ব ৪০,৬০০ টকা। বছৰৰ ১২ মাহৰ ভিতৰত মাত্ৰ ৪ টা মাহ মুগা পুহি বাকী কেইমাহ অন্য ব্যৱসায় বাণিজ্যত ব্যস্ত থাকিও তিনি বিঘা মাটিত ইমান পৰিমাণৰ ধন উপাৰ্জন কৰিব পৰা অন্য খেতি নাই বুলিলেও বঢ়াই কোৱা নহয়।

**উজনি অসমত দ্বিতীয় শুৱালকুছি**

অসমৰ মানচেষ্টাৰ বুলি খ্যাত কামৰূপ জিলাৰ শুৱালকুছিত আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই তাঁত শিল্পৰ উন্নতি কল্পে তাঁতী সকলক বহুৱাইছিল। তেতিয়াৰে পৰা শুৱালকুছিত অতি উন্নত মানদণ্ডৰ পাট মুগাৰ হস্ত তাঁত বস্ত্ৰ উৎপাদন হৈ আহিছে। শুৱালকুছিত উৎপাদিত পাট-মুগাৰ কাপোৰে অসমৰ বাহিৰতো বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্ত্তমান শুৱালকুছিত ৫৫০ টা পৰিয়াল এই শিল্পটোৰ লগত জড়িত। শুৱালকুছিত বৰ্ত্তমান ৩,৫০০ খন পাট আৰু ২০০০ খন মুগাৰ শাল, ১৫০০ জনী মহিলা শিপিনী, ১৩০০ জন পুৰুষ শিপিনী আৰু ৪,৫০০ জন দিন মজুৰিৰ শ্ৰমিক তাঁত শিল্পৰ লগত জড়িত। মুঠতে শুৱালকুছি আৰু ইয়াৰ আশে পাশে থকা অঞ্চলত মুঠ ৫০,০০০ জন



লোক তাঁত শিল্পৰ লগত প্ৰত্যক্ষ নাইবা পৰোক্ষ ভাৱে জড়িত।

শুৱালকুছিৰ ২,০০০ খন মুগা শালৰ বাবে প্ৰয়োজনীয় সূতাৰ বাবে মুগা খোলাৰ উৎপাদন মুখ্যতঃ উজনি অসমৰ জিলা কেইখনত হয়! উজনি অসমত উৎপাদন হোৱা এই মুগা খোলা সমূহৰ ক্ৰয়-বিক্ৰয়ৰ বাবে কোনো বজাৰ ব্যৱস্থা নথকাৰ বাবে এক শ্ৰেণীৰ মধ্যভোগী লোকে এই মুগা খোলাবোৰ মুগা পালক সকলৰ পৰা কম দামত কিনি নি অধিক দামত শুৱালকুছিত বিক্ৰি কৰে। ফলত মুগা পালক সকলে উপযুক্ত দাম নোপোৱাৰ বাবে মুগা পালন বৃত্তি এৰি অন্য ব্যৱসায়ত লাগিছে। অন্যহাতে অধিক দামত মুগা খোলা কিনিব লগা হোৱাত শুৱালকুছিত উৎপাদিত মুগা কাপোৰৰ দাম অভাৱনীয় ভাৱে বৃদ্ধি পাইছে। সৰ্বসাধাৰণৰ বাবে মুগাৰ কাপোৰ পিন্ধাটো সপোনৰ দৰে হৈ পৰিছে। গতিকে উজনি অসমত শুৱালকুছিৰ দৰে হস্ত তাঁত শিল্পৰ কেন্দ্ৰ গঢ়ি তুলিব পাৰিলে মুগা কাপোৰৰ দাম কমি যোৱাৰ সম্ভাৱনা আছে। নগৰে-চহৰে সিচঁৰিত হৈ থকা শিক্ষিত অশিক্ষিত প্ৰতিভাবান নিপুণ শিপিনী সকলক সংগঠিত কৰি এনে কেন্দ্ৰ গঢ়ি তুলিব পাৰিলে ভয়াবহ ভাৱে বাঢ়ি অহা নিবনুৱা সমস্যা কিছু পৰিমাণে লাঘৱ হোৱাৰ লগতে আমাৰ থলুৱা শিল্প আৰু কৃষ্টি সংস্কৃতিও ৰক্ষা পৰিব। আধুনিকতাৰ হেচাঁত ঘৰখনৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ পৰা হতাশাগ্ৰস্ত নিবনুৱা নাৰী সকলৰ আৰ্থিক স্বাৱলম্বীতাৰ লগতে মানসিক মুক্তিও সম্ভৱ হৈ উঠিব। তদুপৰি মুগা পালক সকলে থিতাতে মুগা খোলা বিক্ৰিৰ

সুবিধা পালে ক্ৰমান্বয়ে লোপ পাই আহিব ধৰা মুগা শিল্পয়ো পুনৰ গা কৰি উঠিব ।

আমাৰ ঐতিহ্য, পৰম্পৰা, কৃষ্টি-সংস্কৃতি আৰু আৰ্থ-সামাজিক জীৱনৰ লগত নিবিড় ভাৱে জড়িত আপুৰুগীয়া মুগা শিল্পক যুৱ সমাজে লাভজনক ব্যৱসায় হিচাবে গ্ৰহণ কৰি মুগা সূতা উৎপাদনৰ জৰিয়তে এক সোণালী বিপ্লৱ গঢ়ি তুলিব পাৰে। উন্নত মানদণ্ডৰ সোণালী বস্ত্ৰ উৎপাদনৰ যোগেদি দেশী-বিদেশী একচেতিয়া বজাৰ দখলেৰে প্ৰচুৰ অৰ্থ উপাৰ্জন কৰিব পাৰে। তাকে কৰিব পাৰিলে গ্ৰাম্য দৰিদ্ৰতা দূৰীকৰণৰ লগতে অসমৰ সামগ্ৰীক প্ৰগতিও সুনিশ্চিত হ'ব। উল্লেখযোগ্য যে চীন দেশৰ গ্ৰাম্য অৰ্থ-নীতিত ৰেচম শিল্পই যুগ যুগ ধৰি বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। মুগা শিল্পৰ উন্নতিৰ হকে লোৱা চৰকাৰী কল্যাণকামী আঁচনিসমূহৰ সফল ৰূপায়ণৰ জৰিয়তে, নাৰী পুৰুষ সমন্বিতে সমবায় সমিতি গঠন কৰি সমবায় ।ভিত্তিত মুগা পোহা সূতা কটা আৰু পাট-মুগাৰ কাপোৰ বোৱাৰ কৰ্ম সূচীৰে স্ব-নিয়োজনৰ প্ৰচুৰ সম্ভাৱনা আছে। এই বিষয়ত গভীৰ ভাৱে চিন্তা চৰ্চ্চা কৰি কৰ্ম্ম আঁচনি গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোলৈকে অকুণ্ঠিত আহ্বান জনালোঁ ।

সাধুজন হিমালয়ৰ দৰে দূৰৰপৰাই দৃশ্যমান। কিন্তু অসাধুজন ৰাতি নিক্ষেপ কৰা কাঁড়ৰ দৰে অদৃশ্য ।

--পালি সাহিত্য

খং উঠোতে আমাৰ সদায় যেন মনত থাকে— খংটো কোনো বীৰত্বৰ চিন নহয়। ........ক্লেশৰ দৰে খঙো দুৰ্ব্বলতাৰ লক্ষণ।

—মাৰ্কাচ অৰেলিয়াচ

এজন মানুহক আন এজনৰ স্বাৰ্থখিনিৰ এটা যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো মানৱ মৰ্য্যাদাৰ প্ৰতি কৰা এটা মহাপাপ।

—ইমানুৱেল কাণ্ট

# আধুনিক কবিতা আৰু কবি-মানস

—ডিম্বেশ্বৰ বড়া

আধুনিক কবিতানো কি এই কথা খোৰতে কোৱাটো টান। ইয়াৰ কাৰণ এই নহয় যে আধুনিক কবিতাই কবিতা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পৰা নাই। নাইবা ইয়াৰ কাৰণ ইয়ো নহয় যে আধুনিক কবিতাক লৈ যথোচিত চিন্তা-চৰ্চা আৰু সমালোচনা হোৱা নাই। বৰঞ্চ সাহিত্যৰ আন ভালেমান শাখা আৰু বিষয়ৰ তুলনাত আধুনিক কবিতাৰ ওপৰত লেখা-মেলা বিস্তৰ নহ'লেও অপ্ৰতুল বুলিব নোৱাৰি। তথাপি আধুনিক কবিতাক লৈ কবি, পাঠক আৰু সমালোচকৰ মাজত সন্দেহ, সংশয় আৰু বিভ্ৰান্তিৰ ওৰ পৰা নাই। এনে ধৰণৰ সংশয় আৰু বিভ্ৰান্তিক সাধাৰণ বিতৰ্ক বুলি ক'লে আধুনিক কবিতাৰ স্বচ্ছ ধাৰণাৰ বিপৰীতে সন্দেহ ঘণীভূত হোৱাৰহে সম্ভাৱনা। সেইগুণে আধুনিক কবিতাৰ প্ৰকৃত স্বৰূপ হৃদয়ঙ্গম কৰিবলৈ ইয়াক কেইবাটাও দিশৰ পৰা অবলোকন কৰা প্ৰয়োজন।

বহল অৰ্থত সাহিত্যৰ আনবোৰ শাখাৰ দৰেই বিষয়বস্তু আৰু ৰচনাশৈলী এই দুটা বৈশিষ্ট্যৰ পৰা আধুনিক কবিতাৰ সূত্ৰ নিৰ্ণয় কৰিব পাৰি। কিন্তু তাৰ লগতে আধুনিক কবিতাৰ অন্যান্য কেতবোৰ দিশ বিচাৰ নকৰিলে তাৰ তাৎপৰ্য পৰিষ্কাৰ নহ'ব। যেনে 'আধুনিক' শব্দটোৱেনো কি সূচনা কৰে তাৰ ব্যাখ্যা নিতান্তই জৰুৰী। কবি আৰু সমালোচকৰ মাজত কথাটো পৰিষ্কাৰ নোহোৱাৰ বাবে আধুনিক কবিতাক 'সাম্প্ৰতিক' 'নতুন' 'পদ্য' ইত্যাদি বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে।

আধুনিক শব্দটোৰ ইংৰাজী সমাৰ্থক modern আৰু modern শব্দই of recent time বা সাম্প্ৰতিক কালক বুজায়। আধুনিকৰ অৰ্থ 'হেমকোষ'ত এতিয়াৰ, এই কালৰ, নতুন; 'আধুনিক অসমীয়া অভিধান'ত আজি-কালিৰ, এতিয়াৰ, নতুন; 'আধুনিক অসমীয়া শব্দকোষ'ত আজি-

কালিৰ, এতিয়াৰ, নতুন, নব্য বুলি উল্লেখ কৰিছে। অভিধানৰ অৰ্থেৰে চাবলৈ হ'লে ইতিহাসৰ সাম্প্ৰতিক কালছোৱাকে আধুনিক ক'ব পাৰোঁ। তদুপৰি আধুনিক শব্দই এই দৃষ্টিকোণৰ পৰা নিৰ্দ্দিষ্ট সময় এছোৱাৰ ইঙ্গিত দিয়ে।

এনেদৰে বিচাৰ কৰিলেও কিন্তু এটা কথা অস্পষ্ট হৈ থাকে। কাৰণ সময়ৰ আৰম্ভণী কি হ'ব সেইকথা নিৰ্ণয় কৰা টান। সময় যিহেতু প্ৰবাহমান, সকলো নতুনেই পুৰণি হৈ যায়। সেয়ে হ'লেও কালচেতনাকে সৰহসংখ্যক লোকে আধুনিকৰ বিচাৰত গ্ৰহণযোগ্য বুলি বিবেচনা কৰে। কিছু অস্পষ্ট যদিও ঊনবিংশ শতাব্দীৰ শেষ-ভাগ আৰু কুৰি শতিকাৰ প্ৰথম ছোৱাকে আধুনিক অৰ্থত ব্যৱহাৰ কৰা হয়। কোনো কোনোৱে অৱশ্যে ৱৰ্ডছৱৰ্থ, গ্যেটে আৰু আন কিছুমানে বোদলেয়াৰ সময়ৰ পৰাই আধুনিক যুগৰ পতন হৈছে বুলি ক'ব খোজে। কিন্তু সমালোচকে আধু-নিকতাৰ সময় নিৰ্দ্ধাৰণৰ বাবে চন তাৰিখ পৰ্য্যন্ত ঠিক কৰিছে। যেনে ভাৰ্জিনিয়া উল্‌ফে আধু-নিকতাৰ জন্ম ১৯১০ চনৰ ১০ ডিচেম্বৰ বুলি ঘোষণা কৰিছে। আন কিছু সমালোচকে আকৌ আধুনিক কবিতাক দুটা স্তৰত ভাগ কৰিছে। প্ৰথম ছোৱা অৰ্থাৎ ১৮ শ শতিকাৰ পৰা বিংশ শতিকাৰ প্ৰথম ভাগলৈকে প্ৰত্ন আধুনিকতা আৰু তাৰ পাছৰ ছোৱা অৰ্থাৎ প্ৰথম মহাযুদ্ধৰ শেষৰ পৰা সাম্প্ৰতিক সময়লৈকে নব্য-আধুনিকতা বুলি অভিহিত কৰিছে।

সময়ৰ বিচাৰেৰে 'আধুনিকতা'ৰ সংজ্ঞা নিৰ্ণয়ৰ প্ৰচেষ্টা আমোদজনক আৰু সাধুযেন লাগি-লেও আধুনিক কবিতাৰ তাৎপৰ্য্য তাৰ দ্বাৰা প্ৰকাশিত নহয় আৰু প্ৰকৃত স্বৰূপো উদঘাটিত নহয়। তথাপি তেনে বিচাৰে নিশ্চয় কিছুমান দিশ উন্মোচিত কৰে। সেইবোৰ কথাই আমাক আনবোৰ দিশ আলোকপাত কৰাত নিশ্চয় সুবিধা দিব।

কালগতভাবে বিচাৰ কৰিলে আধুনিক কবিতাৰ পুৰোধা বোদলেয়াৰক আধুনিক বুলিব নোৱাৰি। বোদলেয়াৰ আছিল ১৯ শ শতকৰ প্ৰথম ভাগৰ কবি। অথচ ১৯ শ শতকৰ মাজ ভাগৰ পৰা গোটেই পৃথিবীতে বিশেষকৈ ইংল্যাণ্ড, ফ্ৰান্স, জাৰ্মানি আদি ইউৰোপীয় দেশত বিজ্ঞান, শিল্প কলাৰ যি বিপুল বিকাশ দেখিবলৈ পাও তাৰ বহুদিন আগতেই বোদলেয়াৰে আধুনিক কবিতাৰ মাজেদি নিজকে প্ৰতিষ্ঠা কৰিছিল। তেনেকৈ জন ডন (John Donne) সোতৰ শতি-কাৰ ইংৰাজ কবি হোৱা স্বত্বেও এলিয়ট চাহাবে তাৰ মাজত আধুনিক কবিতাৰ উপাদান আবিষ্কাৰ কৰিছে। ঠিক তেনেদৰে ৰোমাণ্টিক কবিতাৰ ধাৰা কুৰি শতিকাৰ প্ৰথম ভাগলৈকে বিশেষ স্থান আৰু প্ৰতিপত্তি লৈ থাকিলেও আমি ৰোমা-ন্টিক কবিতাক আধুনিকতাৰ অৰ্থত ব্যৱহাৰ কৰিব নোৱাৰো। ইয়াৰ পৰা এই কথাই প্ৰতীয়মান হয় যে কালগত অৰ্থত বিচাৰ কৰিলে আধুনিক কবিতাৰ যথাৰ্থ ৰূপ ফুটি নুঠে। সেইবুলি সময়ৰ কথাষাৰ একেবাৰে উলাই কৰিব নোৱাৰি। কাৰণ কবিতাৰ ইতিহাসতযে আধুনিক কবিতা শেহতীয়া সংযোজন এই কথাত দ্বিমত নাই।

সময়ৰ বিচাৰেৰে আধুনিক কবিতাৰ অৰ্থ উদ্ধাৰ বিশেষ ফলদায়ক নহলেও ই কবিতাৰ ভাব আৰু ভাষাৰ যুগান্তকাৰী পৰিবৰ্ত্তনৰ নিশ্চয় সূচনা কৰে। তদুপৰি এনে পৰিবৰ্ত্তনে দেখুৱায় যে উক্ত সময়ছোৱাৰ ভিতৰত আৰ্থ—সামাজিক ক্ষেত্ৰত ব্যাপক আৰু গভীৰ পৰিবৰ্ত্তন সাধন হৈছিল। ইয়াৰ ফলত সাহিত্যৰ সকলো ক্ষেত্ৰত বিশেষকৈ কবি আৰু কবিতাৰ ক্ষেত্ৰত পৰিবৰ্তনৰ ঢৌৱে কোবাই গৈছিল। উক্ত সময়ৰ পৰা সৃষ্টি হোৱা কবিতাৰ যিবোৰ ফচল সেইবোৰ এনেদৰে নতুন ঠাঁচত ঢলা যে পুৰণিৰ লগত তাৰ যোগসূত্ৰ আছিল যদিও তাক চিনিবৰ উপায় নাছিল।

আৰ্থ-সামাজিক ক্ষেত্ৰত যিবোৰ পৰিবৰ্ত্তনে আধুনিক কবিতাৰ জন্ম দিছিল তাৰ থূলমূল বিচাৰ সেইবাবে নিতান্ত আৱশ্যক।

মধ্যযুগৰ গেঠেলা মৰা দীঘলীয়া যাত্ৰাৰ অন্তত মানুহ যেতিয়া সোতৰশ শতিকাত ভৰি দিলেহি তেতিয়াৰ পৰাই নব-নব আবিষ্কাৰ, নতুন-নতুন দেশৰ সন্ধান আৰু নেৰা-নেপেৰাকৈ চলা বিভিন্ন অভিযানে মানুহৰ জ্ঞানৰ দুৱাৰখন ডাঙৰকৈ মেল খালে। মানুহৰ মনৰ দিগন্ত প্ৰসা-ৰণৰ লগে লগে প্ৰকৃতিৰ ওপৰত আগতকৈ অধিক ক্ষমতাৰে মানুহৰ শক্তি আৰু বিজয় ঘোষিত হ'ল। সোতৰশ শতিকাৰ নিউটনৰ যুগা-ন্তকাৰী মধ্যাকৰ্ষণ তত্ত্ব আৰু অন্যান্য বৈজ্ঞানিক সিদ্ধান্ত। ১৮৯৩ ৰ হেনৰি ফোৰ্ডৰ পেট্ৰলচালিত অট'মবাইল, ১৮৬৩ চনৰ আমেৰিকাৰ দাস প্ৰথাৰ উচ্ছেদ—তাৰেই কেইটামান উদাহৰণ। এনেবোৰ বিৰাট পৰিবৰ্ত্তনে যে মানুহৰ জীৱনলৈ চঞ্চল আৰু উথল-মাথল মনোভাবৰ সৃষ্টি কৰিব নকলেও হ'ব। ডাৰউইনৰ চিন্তা জগত কঁপাই তোলা বিবৰ্ত্তনবাদে এনে পৰিস্থিতিত প্ৰতিষ্ঠিত মতবাদৰূপে ঠাই দখল কৰিবলৈ সৰহ সময় নালাগিল। দৰ্শন, সমাজতত্ত্ব আদিটো নতুন চিন্তা-ফচল দেখা গ'ল। সৃষ্টি হ'ল স্বতন্ত্ৰ ব্যক্তিত্বৰ যুগ। বহু সমালোচকে ইয়াক নাম দিছে প্ৰত্ন-আধুনিক যুগ হিচাপে। বিজয় আনন্দ, উচ্ছাস হ'ল এই যুগৰ পৰিচয়। এই যুগেই আছিল পুঁজিবাদৰ চূড়ান্ত বিজয়ৰ যুগ।

নব্য আধুনিকতাৰ ফলত কবিতাৰ ক্ষেত্ৰত আমূল পৰিবৰ্ত্তন সাধিত হয়। কবিতাই লাভ কৰে স্বতন্ত্ৰ ৰূপ। সৃষ্টি হয় নতুন কবিতাৰ— যাৰ আকাৰ আৰু আঙ্গিক, আভ্যন্তৰিণ প্ৰকৃতি আৰু বিষয়বস্তু নতুন ঠাচত ঢলা। কবিতাৰ ব্যাখ্যাই নতুন সংজ্ঞাৰ দাবী কৰিলে। কিছুমান আচহুৱা ধৰণৰ সংজ্ঞা, নাম, ব্যাখ্যাৰ লগত কবি আৰু পাঠক জড়িত হ'ল। শুনিবলৈ পোৱা গ'ল ইমাজিচম (imagism), প্ৰতীকবাদ, অভি-ব্যক্তিবাদ, দাদাইজম্, অস্তিত্ববাদ, চুৰ্‌ৰিয়ে-লিজম্, মুক্তক-ছন্দ ইত্যাদি। এই সকলো বোৰেই কম-বেছি পৰিমাণে আধুনিক কবিতাৰ লগত সম্পৰ্কিত।

সাহিত্য মাত্ৰেই যিহেতু সমাজসম্ভূত উপ-যুক্ত পৰিবৰ্ত্তনত আচৰিত হ'ব লগীয়া নাই। কিন্তু ই যিবোৰ ৰূপান্তৰ ঘটাইছিল তাৰ আটাইবোৰ সমাজৰ বাবে সুখদায়ক নাছিল। প্ৰথম অৱস্থাত পুঁজিবাদী সমাজৰ আগমনে চাৰিওফালে উদ্যম, আশা আৰু বিজয়ৰ বাৰ্তা কঢ়িয়াই আনিছিল। পুঁজিবাদী সমাজৰ এই প্ৰসাৰণ আছিল দ্ৰুত। সাহিত্যৰ বিশেষকৈ কবিতাৰ ক্ষেত্ৰটো সেয়ে তাৰ প্ৰসাৰণ দ্ৰুত আৰু সুদূৰপ্ৰসাৰী নাছিল। সেই কাৰণেই কলা কৈবল্যবাদ arts for arts' sake ৰ মতবাদৰ পৰা ক্ৰমান্বয়ে বিভিন্ন মত-বাদৰ মাজেদি surrealism লৈকে হোৱা ব্যাপক

আৰু গভীৰ ৰূপান্তৰৰ বাবে বেছিদিনৰ প্ৰয়োজন নহ'ল।

কিন্তু পুঁজিবাদী সমাজৰ বিজয় আছিল সাময়িক। তাৰ যি প্ৰগতিশীল ভূমিকা আছিল সি বেছিদিন ক্ৰিয়াশীল হৈ নাথাকিল। কাৰণ তাৰ গৰ্ভত নিহিত আছিল কেতবোৰ মাৰাত্মক ব্যাধিৰ বীজাণু। সময় আগবঢ়াৰ লগে লগে সেইবোৰ প্ৰকট হৈ গোটেই সমাজব্যৱস্থাটোকে গ্ৰাস কৰিলে। মানুহৰ নিজৰেই সৃষ্ট অক্টোপাচ সদৃশ এই সামাজিক বাতাবৰণত মানুহ নিজেই বন্দী হ'ল। পুঁজিবাদৰ বিজয় অৱশেষত চৰম ব্যৰ্থ-তাত পৰিণত হ'ল। চাৰিওফালে নৈৰাশ্য, আশাভঙ্গ আৰু ধ্বংসৰ ছায়াই আগুৰি ধৰিলে। কবি হপ্‌কিন্সৰ ভাষাত—

Things fall apart ; the centre cannot hold ;
Mere anarchy is loosed upon the world,
The blood-dimmed tide is loosed and everywhere
he ceremony of innocence is drowned;
The best lack all convictions, while the worst
Are full of passionate intensity.

সমসাময়িক কবিসকল সচেতন হৈ উঠিল এনে এক অসহনীয় পৰিস্থিতিত। বিদ্ৰোহ ঘোষণা কৰিলে সকলো প্ৰকাৰৰ বন্ধনৰ পৰা মুক্ত হ'বলৈ। বিচাৰিলে স্বাধীন, শৃঙ্খলাহীন মুকলি আকাশ। তাৰেই প্ৰতিফলন ঘটিল কবিতাৰ ভাব আৰু ভাষাত। ব্যক্তিমানসে বিচৰা এই স্বাধীনতা কিমান-দূৰ সফল হ'ল নাইবা উপযুক্ত আছিল সি বিচাৰ্য্য। কিন্তু ইয়াৰ পৰিণাম সুদূৰপ্ৰসাৰী হ'ল। স্বাধী-নতাকামী এইসকল কবি ক্ৰমান্বয়ে চূড়ান্ত ধৰণৰ বিশৃঙ্খলী, অহমিকা আৰু নেতিবাদৰ চিকাৰ হ'ল। বহুকবিয়ে আশ্ৰয় ললে শূন্যতাবোধ আৰু অব-চেতন মনৰ অন্ধকাৰত, আত্মহননত। এক কথাত তাৰ পৰিণতি প্ৰকাশো সকলো ধৰণৰ মানৱীয় প্ৰমূল্যকে অস্বীকাৰ কৰাৰ প্ৰবৃত্তি। অ-সামাজি-কতাৰ সামাজিকৰণ। জন্ম ল'লে এমুঠিমান কবিৰ আভিজাত্যবোধ। শিল্প-কলাৰ মাধ্যমেদি সমাজৰ ওপৰত প্ৰভুত্ব কৰাৰ মানসিকতা।

প্ৰকৃততে কবিতাৰ মাধ্যমেদি কবিয়ে যি স্বাধীনতাৰ স্বপ্ন দেখিছিল সি সম্ভৱ নহ'ল। কাৰণ যি সমাজে আধুনিক কবিতাৰ ভিত্তি ভূমি তৈয়াৰ কৰিছিল তাৰ অৱসান নঘটিল। ফলত কবিৰ বিদ্ৰোহ আত্মক্ষয়ী ৰূপত প্ৰকাশিত হ'ল।

বোদলেয়াৰৰ কথাকে ধৰা যাওক। তেওঁৰ কবিতাৰ মাজেদি মূৰ্ত্ত হৈ উঠিল সমসাময়িক পেৰিছ চহৰৰ চহৰ-কেন্দ্ৰিক সভ্যতাৰ জীৱন্ত প্ৰকাশ। পেৰিছ চহৰ বিভিন্ন সামাজিক আৰু ৰাজনৈতিক সংঘাটত ক্ষতবিক্ষত হৈছিল। কবিয়ে Reve Parisien কবিতাত তাৰেই চিত্ৰ আঁকিছে। চহৰৰ পৰা সকলো সেউজীয়া উদ্ভিদৰ নিৰ্ব্বাসন বিচাৰি এখন কাল্পনিক প্ৰাসাদৰ স্বপ্ন দেখিছে। পৰিকল্পনাবিহীন স্তম্ভশীলাৰ এই প্ৰাসাদত জীৱনৰ কোনো সুন্দৰ ৰং নাই। বোদলেয়াৰৰ ১৮৮৬ খৃষ্টাব্দত প্ৰকাশিত 'অশুভ পুষ্প' ( Les Flewrs du mal ) কবিতা সংকলনৰ ছত্ৰে-ছত্ৰে কবিৰ নৈৰাশ্য, বিষাদ, বিতৃষ্ণা (ennui) অনুভৱ কৰা যায়। চাৰিফালৰ সামাজিক বাতাবৰণ আছিল সুস্থ সবল চিন্তাৰ প্ৰতিকূল। একমাত্ৰ বাহ্যিক জগতখনেই কবিৰ বাবে জীৱনৰ আন্ধাৰ ভঙ্গুৰ, পংকিল জীৱনবোধৰ বাবে যথেষ্ট আছিল। পিছে তাৰ লগত যোগ হৈছিল কবি জীৱনৰ ক্লেদময় ইতিহাস। সুস্থ জীৱনৰ পৰা কবিয়ে স্বেচ্ছাই নিৰ্ব্বা-সিত হৈছিল। বাচি লৈছিল 'অমিতাচাৰী', 'ডাণ্ডিৰ' জীৱন। শৰীৰত বাহ লৈছিল ৰোগ-ব্যাধিয়ে। শাৰীৰিক আৰু মানসিক যন্ত্ৰণাৰ পৰা মুক্তি পাবলৈ আশ্ৰয় লৈছিল নিছাজাতীয় ঔষধ সেৱনৰ। পূতি-গন্ধময় বাৰবনিতাৰ গলি আছিল শেষ আশ্ৰয়। জীৱনক সম্পূৰ্ণই বিলীন কৰি দিছিল 'ধ্বংসৰ উদগ্ৰ' কামনা'ত।

সন্দেহ নাই বোদলেয়াৰৰ নিজৰ জীৱনৰ অভিজ্ঞতা আৰু অসুস্থ জীৱন-যাপনে তেওঁৰ কবি-তাৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। সেই-গুণে তেওঁৰ কবিতাৰ মন্ময়তাৰ স্বৰূপ বুজিবলৈ হ'লে তেওঁ যি কণ্টাকিত, তীব্ৰ যন্ত্ৰণাৰ পথ বাচি লৈছিল তাৰ মৰ্মাথত সোমোৱাৰ প্ৰয়োজন। কোনো যশ-খ্যাতি বা আত্ম প্ৰশংসাৰ তাড়নাত নহয় জীৱনৰ নিগূঢ়তম কোনো সত্য সন্ধানৰ কষ্টকৰ তীৰ্থযাত্ৰা আছিল বোদলেয়াৰৰ কবিতাৰ আত্মা। তন্ময়তাক ধৰিবলৈ বিচাৰিছিল মন্ময়তাৰ মাজত। তেওঁৰ জীৱনৰ প্ৰতি থকা বিতৃষ্ণা উপ-লব্ধ ভাবপ্ৰৱণতা আৰু আহৰিত ( acquired ) নহয়। জীৱন-মন্থনৰ পৰা সৃষ্টি হোৱা সেৱা আছিল গৰল। জীৱনৰ আন্ধাৰ দিশৰ সকলো পঙ্কিলতা, পাপ, নৈৰাশ্য বিষাদ ক্লান্তি— তেওঁৰ কবিতাৰ বিষয়বস্তু। সুন্দৰ পূণ্য, সৎ পোহৰৰ ৰেঙণি তাত নাই। কেতিয়াবা দেখা গলেও তাৰ ক্ষীণ আভাই একোৱেই আলোকিত কৰিব নোৱাৰে। মুঠৰ ওপৰত বোদলেয়াৰৰ তীব্ৰ দংশন, জীৱন উপ-লব্ধি সমসাময়িক সমাজ আৰু ব্যক্তিগত জীৱন সম্ভূত। অৱশ্যে তেওঁৰ উপলব্ধিৰ আন্তৰিকতাই আৰু তপ সদৃশ অভিযানে সহজে পাঠকক আক-ৰ্ষণ কৰিব পাৰে। তদুপৰি আঙ্গিক বিশেষকৈ প্ৰতীকৰ ব্যৱহাৰত বোদলেয়াৰ আধুনিক কবি-তাৰ কাণ্ডাৰী বুলিব পাৰি। টি এচ ইলিয়ট বোদলেয়াৰ নৈৰাশ্য আৰু প্ৰতীকৰ ব্যৱহাৰ। দুয়োফালৰ পৰাই বিশেষ ভাবে প্ৰভাবান্বিত হৈছিল।

ঠিক তেনেদৰে ফৰাচী কবি মালাৰ্মে, ৰ্‌যাবোঁ, ভালেৰি, ইংৰাজ কবি ইলিয়ট লৰেন্স আদি আৰু আমেৰিকান কবি এজৰা পাউণ্ড— প্ৰতিজনেই সমসাময়িক সমাজৰ সৃষ্টি। পুঁজিবাদী সমাজৰ অৱক্ষয়, মানৱীয় প্ৰমূল্য সমূহৰ চূড়ান্ত বিপৰ্য্যয় আৰু অসুস্থ সমাজ ব্যৱস্থাত মানুহৰ অস্তিত্বৰ সংকটৰ পৰাই উদ্ভৱ হৈছে উক্ত কবি-সকলৰ কবিতাবোৰ। সকলো ধৰণৰ বাহ্যিক কলা-কৌশল আৰু আঙ্গিকৰ প্ৰসাধন সদৃশ চাকচিক্যৰ স্বত্বেও তাৰ মাজেদি প্ৰকাশিত জীৱনৰ নেতি-বাচক। ভঙ্গুৰ জীৱন-চিত্ৰ আৰু তাৰ পৰা হ'ব পৰা প্ৰতিক্ৰিয়াশীল জীৱন-বীক্ষা লুকুৱাই ৰাখিব পৰা নাই। অৱশ্যে তেওঁলোকে বাৰংবাৰ কবিৰ স্বাধীন চিন্তা বিষয়বস্তু নিৰ্ব্বাচনত কবিৰ মুক্ত মন। জীৱনৰ সকলো দিশ উন্মোচন কৰাৰ কথা কয়। কিন্তু কাৰ্য্যক্ষেত্ৰত সদায় জীৱনৰ আন্ধাৰ, পৰাজিত, ভঙ্গুৰ জীৱন চৰ্চাহে পৰিলক্ষিত হয়। পোহৰৰ যিকণ ৰেঙণি কেতিয়াবা দেখা যায় সি হ'ল কবিৰ উপলব্ধিৰ আন্তৰিকতা আৰু আত্মমুক্তিৰ তীব্ৰ আকাংক্ষা।

এলিয়টে কবিতা সম্পৰ্কে নিজে যিয়ে নকওক তেওঁৰ waste land কবিতা সমূহ যে

আধুনিক সভ্যতাৰ ওপৰত কবিৰ তীব্ৰ সংবেদনৰ প্ৰকাশ তাত সন্দেহ নাই। আধুনিক সভ্যতাৰ আৰু নগৰ কেন্দ্ৰিক জীৱনৰ, অৱক্ষয়ৰ দলিল বুলিও ক'ব পাৰি। নগৰ জীৱনৰ অন্তঃসাৰশূন্যতা শুষ্কতা, আনন্দহীন, যান্ত্ৰিক ৰূপটোৰ, প্ৰথম মহাযুদ্ধত বিধ্বস্ত ইউৰোপৰ মহাদেশৰ বিপৰ্য্যয়ৰ চিত্ৰন প্ৰকাশ ঘটিছে কবিতাটোৰ মাধ্যমেদি। বিচ্ছিন্ন মানুহ, বন্ধ্যা জীৱন, আন্তৰিকতাবিহীন যৌন-জীৱন, সংশয়ী মন এই সকলোবোৰেই আধুনিক নগৰ সভ্যতাৰ ফল। কবিয়ে waste land অৰ বাহিৰেও The love song of I. Alfred Prufrock. The Hollow men, Gerontion Sweeny among the Nightingale ইত্যাদি কবিতাবোৰত সেই বিষাদময়, নীৰস আধুনিক সভ্যতাৰ চিত্ৰকে অংকন কৰিছে।

কিন্তু প্ৰশ্ন হয় এলিয়টৰ দিনৰ সমাজখন একমাত্ৰ অৱক্ষয়ৰ সমাজেইনে? নাইবা যি মানসিক চেতনা সি অৱক্ষয়ৰ চেতনাইনে? এই চেতনাকে আধুনিক বুলিবৰ অৰ্থ আছেনে? পুঁজিবাদী সমাজৰ অৱক্ষয়, আন্ধাৰ ৰূপটোৱেই জানো সমাজৰ একমাত্ৰ পৰিচয়? সেয়ে হোৱা হ'লে মানুহৰ বিজয়যাত্ৰা স্তব্ধ হৈ পৰিলহেঁতেন। আজি যি বিপুল বৈজ্ঞানিক বিজয় সূচনা হৈছে সি সম্ভৱ নহ'লহেঁতেন। প্ৰকৃতিৰ ওপৰত মানুহে অৰ্জ্জন কৰা ক্ৰমাগত বিজয়ে মানুহৰ জীৱনলৈ যি সমৃদ্ধি আৰু সুখ কঢ়িয়াই আনিছে এইবোৰ কথা অস্বীকাৰ কৰিব পাৰি জানো? প্ৰাকৃতিক বিপৰ্য্যয়, বেমাৰ-আজাৰ সকলোতে মানুহৰ বিজয় ঘোষিত হৈছে। কৃষিৰ আধুনিকৰণ, ইলেকট্ৰনিকৰ বিশাল প্ৰয়োগ, মহাকাশ গৱেষণাত লাভ কৰা ফলসমূহ উলাই কৰি আধুনিক জীৱনৰ কথা চিন্তা কৰিব পাৰি জানোঁ? অথচ তথাকথিত আধুনিক কবিসকলে তাকেই পৰিহাৰ কৰি অৱক্ষয়ৰ চিত্ৰ অঙ্কনকে বাস্তৱ চিত্ৰ বুলি চলাই আছে।

আধুনিক কবিসকলে যে আধুনিক সমাজৰ এই পৰিবৰ্ত্তন লক্ষ্য কৰা নাই এনে নহয়। কিন্তু কবিয়ে এই শ্বাসৰুদ্ধ ব্যৱস্থাৰ পৰা মুক্তিৰ উপায় হিচাপে আশ্ৰয় লৈছে নেতিবাচক দৃষ্টিভঙ্গীত। তাৰ কাৰণ এয়ে সমাজৰ গতি সম্পৰ্কে যি সুস্থ আৰু বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰ আৱশ্যক তাক তেওঁলোকে আয়ত্ব কৰিব পৰা নাই। যি সমাজৰ পৰা মানুহৰ চৰম দুৰ্দ্দশাৰ সৃষ্টি হৈছে সেই সমাজ পৰিৰ্ত্তনৰ অবিহনে আত্ম সচেতন, আত্মক্ষয়ী কবি দ্বন্দ্বৰ নিৰসন নাই। সেই কথা যি সকলে বুজি উঠা নাই তেওঁলোকৰ বাবে ফেচিবাদৰ দৰে মানৱতা বিৰোধী শক্তিও মুক্তিৰ সোপান বুলি অনুভৱ হ'ব পাৰে। এই সকলে কবিক যদি আধুনিক কবি বুলি কোৱা হয় তেন্তে মানুহৰ ভৱিষ্যৎ বুলি একো নাই। সেই অৰ্থত আধুনিক কবিতা হ'ব মস্তিষ্ক বিকৃত লোকৰ অৰ্থহীন প্ৰলাপ। এলিয়ট, এজৰা পাউণ্ড আদিৰ কবিতাত সমসাময়িক সমাজৰ যি সমালোচনা সি নেতিবাচকেই নহয়, প্ৰতিক্ৰিয়াশীলো। এই ফালৰ পৰা তেওঁলোকৰ কবিতাক আমি আধুনিক কবিতা বুলিব নোৱাৰো।

কিন্তু তেওঁলোকৰ কবিতাৰ মাজত সঁচা সঁচা লগা কথাবোৰৰ বাস্তৱতা নাই নেকি? তেওঁলোকৰ কবিতাই কবিতাপ্ৰেমীক আকৰ্ষণ কৰে কিয়? ইয়াৰ কাৰণ এয়ে যে তেওঁলোকৰ চিন্তাধাৰাৰ লগত আধুনিক মানুহৰ চিন্তাধাৰাৰ সামান্যই পাৰ্থক্য। একেখন সমাজৰ একেবোৰ সমস্যাৰ লগত পৰিচিত বাবে তেওঁলোকৰ কবিতাবোৰ আমাৰ অন্তৰঙ্গ অনুভৱ হয়। তদুপৰি এক ধৰণৰ আন্তৰিকতা আৰু আঙ্গিকৰ সুকৌশলী ব্যৱহাৰৰ ফলত আমাক সাময়িক ভাৱে হলেও মোহাচ্ছন্ন কৰি ৰাখে। প্ৰচলিত সমাজ-ব্যৱস্থাৰ আংশিক সত্যক কলাসুলভ ৰূপত দাঙি ধৰাটো তেওঁলোক সিদ্ধহস্ত। এনেবোৰ কাৰণতে ধৰ্ম্মৰ আফিঙৰ দৰেই আধুনিক কবিতাই পাঠকক মোহগ্ৰস্ত কৰি ৰাখিব পাৰে। অৱশ্যে চেতনাৰ তীব্ৰ দ্বন্দ্বৰ মাজত sincere কবিসকলে আত্ম-আবিষ্কাৰৰ আকাংক্ষাৰ মাজত সৃষ্টি কৰে টুকুৰা সত্যৰ স্ফুলিঙ্গ। সেয়ে কড্‌ৱেলে লেখিছে: This unendurable tension is shown in the chaotic and intoxicated confusions of all sincere modern bourgeois art, decomposing and whirling about in a flux of perplexed agony. It is expressed by the cries of the Lawrence and their followers, demanding a release from the torments of modern intellectual consciousness, and the schizophrenic vision of joyce, condemning the whole Witches' Sabath of bourgeois experience.

তথাপি সন্দেহ হয় সকলো বুৰ্জোৱা কবিয়েইযে sincere। কাৰণ কছ বিপ্লৱৰ দৰে পৃথিৱী কঁপোৱা যুগান্তকাৰী বিপ্লৱেও যিসকল কবিক সামান্যতমো জোকাৰি যোৱা নাছিল তেওঁলোকৰ কবি সত্বা কি ধাতুৰে গঢ়া। এলিয়টে ইউৰোপিয়ান চেন-



চিবিলিটিৰ কথাহে কৈছে, কিন্তু ৰুছ বিপ্লৱৰ উল্লেখ ঘূণাক্ষৰেও নকৰিলে। প্ৰকৃততে বিষয়বস্তু নিৰ্ব্বাচনত কবি মানস নিৰপেক্ষ আৰু নিৰ্লিপ্ত নহয়।

এনেবোৰ বিচাৰৰ পৰা অনুভৱ হয় আধুনিকতা বুলিলে কেতবোৰ প্ৰমূল্যৰ আত্মীকৰণ বুজায়। আধুনিকতাক আমি প্ৰগতিশীল বুলি ক'লেহে তাৰ যথাৰ্থ প্ৰকাশ হয়। কিন্তু প্ৰগতিশীল শব্দই নিশ্চয় ঐতিহাসিকভাৱে কিছুমান মানবীয় উপাদান আহৰণ কৰাৰ কথা সূচায়। সাধাৰণ অৰ্থত প্ৰকাশ কৰিবলৈ হ'লে আধুনিকতাই মানৱতাবাদক বুজায়। মানুহৰ প্ৰতি সমৰ্মিতাৰ অবিহনে কবিতা আধুনিক হ'ব নোৱাৰে। তদুপৰি বিজ্ঞানমনস্কতা, যুক্তিবাদ, প্ৰকৃতিপ্ৰীতি আধুনিকতাৰ অপৰিহাৰ্য্য অঙ্গ। মানুহ আৰু সমাজৰ অৱস্থান এনে মৌলিক বিশ্বাসৰ পৰা চাব লাগিব। চলমান, সদাচঞ্চল, পৰিবৰ্ত্তনশীল মানৱীয় সত্বাৰ সন্ধান হ'ব কবিৰ কাংক্ষিত লক্ষ্য। জীৱন আৰু জগত সম্পৰ্কত সুস্থ আৰু নিবিড় আত্মীয়তাৰ অবিহনে আধুনিকতাৰ অৰ্থ বিকৃত হোৱাই স্বাভাৱিক। সৃষ্টি আৰু ধ্বংস, সংগ্ৰাম আৰু বিজয়ৰ ফল হ'ল আধুনিক সমাজ। তাক অস্বীকাৰ কৰিলে প্ৰকৃততে বাস্তৱকে অস্বীকাৰ কৰা বুজাব। আধুনিক কবিতাই এইবোৰ কথা আওকান কৰিব নোৱাৰে। জীৱনৰ আন্ধাৰ, কুৎসিৎ, নিষ্ঠুৰ, গতানুগতিক দিশ বিশেষ সামাজিক অৱস্থাৰ এটা অংশহে। তাৰ বিপৰীতে প্ৰতিমুহূৰ্ত্ততে সজীৱ হৈ আছে অনুসন্ধিচ্ছা, প্ৰেম আৰু কৰুণা, সংগ্ৰাম আৰু বিজয় গৌৰৱ। আধুনিক কবিতাৰ এইবোৰ কথা অস্বীকাৰ কৰিব পাৰিবনে?

চমুকৈ আমি ক'ব পাৰোঁ মূলতঃ আধুনিক কবিতা ধনতান্ত্ৰিক সমাজৰ সৃষ্টি। ধনতান্ত্ৰিক সমাজৰ সমাধানহীন দ্বন্দ্বসমূহৰ কাব্যিক ৰূপান্তৰ ঘটিছে আধুনিক কবিতাত। ধনতন্ত্ৰ যুগৰ শেষ বিউগলৰ দিনত যিদৰে পুঁজিবাদী সমাজে তাৰ আদিম প্ৰগতিশীল ৰূপ হেৰুৱাই প্ৰতিক্ৰিয়াশীল ভূমিকা গ্ৰহণ কৰিছে। ঠিক সেইদৰে আধুনিক কবিতাও এতিয়া মৰণ যুঁজত অৱতীৰ্ণ হৈ তাৰ শক্তি সামৰ্থ্য হেৰুৱাই পেলাইছে। প্ৰচলিত সমাজৰ গৰ্ভতে জন্ম লৈছে নতুন সমাজৰ ভ্ৰুণ। তাৰ বিকশিত ৰূপ ফুলে-ফলে জাতিস্কাৰ হৈ উঠিছে নতুন সংস্কৃতিত, নতুন সমাজ ব্যৱস্থাত, নতুন জীৱন বীক্ষাত। এই নতুন দিনক আধুনিক কবিতাই কিদৰে আৰু কিমান-দূৰ আত্মস্থ কৰিব পাৰে তাৰেই ওপৰত নিৰ্ভৰ কৰিব তাৰ শক্তি আৰু স্থায়িত্ব। সেইবোৰ কবিতাকহে আমি আধুনিক বুলি অভিহিত কৰিবলৈ ভাল পাম। 卐

---

কাৰো অস্তিত্ব নষ্ট নকৰিবা। নিজে মহান হোৱা আৰু নিজৰ দৰে আনকো মহত্ব দিয়া।

—ভগৱান মহাবীৰ

সাগৰত নদী হেৰাই যোৱাৰ লেখীয়াকৈ ভাল গুণসমূহো ব্যক্তিগত স্বাৰ্থত হেৰাই যায়।

—ৰচফাউকুড।

ভাল কাম কৰিবলৈ অসাধাৰণ সুযোগ আহিব বুলি অপেক্ষা নকৰিব, সাধাৰণ অৱস্থাতেই সদ্ব্যৱহাৰ কৰক।

—জ্যা পল ৰিষ্টাৰ

---

[ লিন্ য়ুটাং ( Lin Yutang ) ৰ দ্বাৰা সম্পাদিত ও তেখেতৰ পাতনি সম্বলিত "The Wisdom of Confucius" নামৰ গ্ৰন্থত সন্নিবিষ্ট "The Ideal Teacher" নামৰ অধ্যায়টিৰ ভাৱানুবাদ ]

# আদৰ্শ শিক্ষক

—ৰবিন চন্দ্ৰ কোঁৱৰ
প্ৰবক্তা, ইংৰাজী বিভাগ,
সোণাৰি মহাবিদ্যালয়।

কলেজীয়া শিক্ষাৰ মূল সূত্ৰ বিলাক এনে ধৰণৰ, প্ৰথমতে, বাধা দান অথবা কু-অভ্যাসবোৰ গঠিত হোৱাৰ আগেয়ে সেইবোৰক বাধা দিয়া। দ্বিতীয়তে, সময়োপযোগিতা ( Timeliness ), অথবা ছাত্ৰ-ছাত্ৰী সকল প্ৰস্তুত হৈ থকা সময়তহে তেওঁলোকক শিক্ষা দান কৰা। তৃতীয়তে ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন বিষয় উচিত ক্ৰম অনুসাৰে শিকোৱাৰ ব্যৱস্থা কৰা। চতুৰ্থতে, পাৰস্পৰিক অনুপ্ৰেৰণা ( সাহিত্যিক অৰ্থত friction ) অথবা ছাত্ৰ-ছাত্ৰী সকলক ইজনে-সিজনৰ শ্ৰেষ্ঠতা ( Excellence ) প্ৰশংসা কৰিবলৈ শিকোৱা। এই চাৰিটা কাৰ্য্যই শিক্ষাৰ কৃতকাৰ্য্যতা নিশ্চিত কৰে।

অন্যহাতেদি, ছাত্ৰ-ছাত্ৰী সকলে কু-অভ্যাসবোৰ আহৰণ কৰাৰ পিচত তেওঁলোকক বাৰণ কৰাটো তেওঁলোকৰ প্ৰকৃতি বিৰুদ্ধ হোৱা আৰু শুদ্ধ কৰিবলৈ কৰা প্ৰয়াসবোৰও ফলপ্ৰসূ নহয়। যুৱ-কাল অতীত হৈ যোৱাৰ পিছত শিক্ষা দান কৰাটো কঠিন আৰু অৰ্থহীন হয়। উচিত ক্ৰম অনুসাৰে বিভিন্ন বিষয়ৰ শিক্ষা দান কৰিব নোৱাৰিলে খেলি-মেলি ( chaos ) হোৱাৰ আশঙ্কা থাকে আৰু সুফল আশা কৰিব নোৱাৰি। অকলশৰীয়া ভাৱে কোনো বিষয় অধ্যয়ন কৰিলেও ছাত্ৰ-ছাত্ৰীৰ সাধাৰণ জ্ঞানৰ পৰিসৰ সীমিত হয়। অসৎ-সঙ্গৰ প্ৰভাৱত শিক্ষক সকলৰ বিপক্ষে থিয় দিবলৈ ছাত্ৰ-ছাত্ৰীসকল উৎসাহিত হব পাৰে আৰু বেয়া খেল-ধেমালিবোৰে ( Pastimes ) পঢ়া-শুনাৰ প্ৰতি অমনোযোগী হবলৈ বাধ্য কৰাব পাৰে। উপৰোক্ত ছটা কাৰ্য্যই কলেজীয়া শিক্ষাৰ অৱনতি সূচায়।

শিক্ষাৰ কৃতকাৰ্য্যতা কিম্বা ব্যৰ্থতা কেনে বিলাক কাৰণৰ ওপৰত নিৰ্ভৰ কৰে এই সম্পৰ্কে জ্ঞাত হোৱা বাবে 'শ্ৰেষ্ঠতৰ' ( superior )

বুলি বিবেচিত ব্যক্তি জনহে শিক্ষক হবৰ বাবে উপযুক্ত।

সেয়েহে, শ্ৰেষ্ঠতৰ ব্যক্তিজনে শিক্ষক হিচাপে তেওঁৰ ছাত্ৰ-ছাত্ৰী সকলক পথ প্ৰদৰ্শন (guides) কৰে কিন্তু তেওঁ তেওঁলোকক পোনে-পোনে টানি লৈ নেযায়। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক সঠিক পথত অগ্ৰসৰ হবলৈ অনুপ্ৰেৰণা যোগায়, কিন্তু তেওঁ-লোকক অৱদমিত কৰি নেৰাখে। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক গন্তব্য স্থানলৈ লৈ যোৱাৰ পৰিবৰ্ত্তে পথৰ নিৰ্দ্দেশনাহে দিয়ে। কাৰণ, জোৰ কৰি টানি লৈ যোৱাৰ সলনি পথৰ সন্ধান দিয়া কাৰ্য্যই শিক্ষা লাভৰ প্ৰক্ৰিয়াটো নৰম ( gentle ) কৰি তোলে। অৱদমিত কৰি নাৰাখি অনুপ্ৰেৰণা যোগোৱা কাৰ্য্যই শিক্ষা লাভৰ প্ৰক্ৰিয়াটো সহজ কৰে। গন্তব্য স্থানলৈ লৈ যোৱাৰ পৰিৱৰ্ত্তে পথটোহে মোকোলাই দিয়া কাৰ্য্যই ছাত্ৰ-ছাত্ৰী সকলক নিজ নিজ ভাৱে ভাবিবলৈ বাধ্য কৰায়। যদি এজন ব্যক্তিয়ে শিক্ষা লাভৰ প্ৰক্ৰিয়াটো নৰম আৰু সহজ কৰি তুলিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক নিজ নিজ ভাৱে ভাবিবলৈ অনুপ্ৰাণিত কৰিবলৈ সমৰ্থ হয়—সেই ব্যক্তি জনকেই আমি ভাল শিক্ষক বুলি লব পাৰেঁা।

শিক্ষাৰ ক্ষেত্ৰত চাৰিটা ত্ৰুটী বা ভুল (errors) আছে যি কেইটাৰ সম্পৰ্কে শিক্ষকজন নিশ্চয়কৈ সাৱধান হ'ব লাগে। কিছু ছাত্ৰ-ছাত্ৰীয়ে বহু বেছি কিম্বা বহু বিষয় জানিবলৈ প্ৰয়াস কৰে, কিছুমানে তেনেই কম আৰু কেইটামান বিষয়হে শিকে, কিছু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষনীয় কথা-বিলাক অতি সহজতে শিকে, কিছুমানে অতি সহজতে নিৰুৎসাহিত হয়। এই চাৰিটা কথাই ব্যক্তিবিশেষে থকা মানসিক বুদ্ধি বৃত্তি (mental endowments ) ৰ তাৰতম্যৰ কথাকেই সূচায়। মানসিক বুদ্ধি-বৃত্তিৰ তাৰতম্যৰ সম্পৰ্কে থকা জ্ঞানৰ যোগেদিয়েইহে শিক্ষকজনে ছাত্ৰ-ছাত্ৰী সকলৰ ভুলবোৰ শুধৰাব পাৰে। শিক্ষকজনো এজন ব্যক্তিহে, যিজনে ছাত্ৰ-ছাত্ৰীসকলৰ গাত নিহিত হৈ থকা ভালখিনি (good) উদ্ধাৰন কৰিবলৈ চেষ্টা কৰাৰ লগতে দুৰ্ব্বলতাখিনিৰও প্ৰতিকাৰ সাধন কৰিবলৈ প্ৰয়াস কৰে।

এজন ভাল গায়কে তেওঁৰ সুৰটোক অনুধাৰন কৰিবলৈ অন্যসকলক বাধ্য কৰে আৰু এজন ভাল শিক্ষকে অন্যসকলক তেওঁৰ আদৰ্শ অনুসৰণ কৰিবলৈ বাধ্য কৰায়। এওঁৰ কথাবিলাক কম (concise) কিন্তু ভাৱ প্ৰকাশক ( expressive), পূৰ্ব্ব প্ৰস্তুতিবিহীন ( casual) কিন্তু সম্পূৰ্ণ সুপ্ত অৰ্থ নিহিত ( full of hidden meaning ).

মানুহে এওঁক বুজি পাব পৰাকৈ নিপুণ (ingenious) উদাহৰণবিলাক ডাঙি ধৰাৰ ক্ষেত্ৰত এওঁ পাকৈত ( good)। এইদৰে তেওঁৰ আদৰ্শ অন্য লোকসকলক অনুসৰণ কৰোৱাব পৰা এজন ভাল মানুহ বুলি এওঁক কব পাৰি।

শ্ৰেষ্ঠতৰ ব্যক্তিজনে শিকিব লগা কথাবিলাকৰ ভিতৰত কোনটো কঠিন ও কোনটো উজু, কোনটো উৎকৃষ্ট ( excellent ) ও কোনটো অগ্ৰহণীয় ( deplorable ) সেয়া জানে আৰু সেয়ে উদাহৰণসমূহ ডাঙি ধৰাৰ ক্ষেত্ৰত তেওঁ পাকৈত ( good)। উদাহৰণ সমূহ ডাঙি ধৰাৰ ক্ষেত্ৰত পাকৈত হোৱা বাবে কেনেদৰে এজন শিক্ষক হব লাগে তাক তেওঁ জানে। কেনেদৰে এজন শিক্ষক হব লাগে সেইটো জনাৰ বাবে কেনেদৰে এজন জ্যেষ্ঠ (elder) হব লাগে তেওঁ তাকো জানে। কেনেদৰে এজন জ্যেষ্ঠ হ'ব লাগে সেয়া জনাৰ কাৰণেই কেনেদৰে লোকসকলৰ শাসক হব লাগে, তেওঁ সেয়াও জানে। সেয়েহে, শিক্ষক হোৱাৰ কৌশলেই ( art ) লোকসকলৰ শাসক হোৱাৰ কৌশল। এই কাৰণেই শিক্ষক নিৰ্ব্বাচনৰ ক্ষেত্ৰত যেই কোনো ব্যক্তিয়ে যথেষ্ট সাৱধানতা অৱলম্বন কৰা বাঞ্ছনীয়। 'Ancient Records' পুথিত সন্নিবিষ্ট নিম্নোক্ত কথাফাঁকিয়েও একে অৰ্থকেই প্ৰকাশ কৰে— "তিনিজন ৰজা আৰু চাৰিটা ৰাজবংশই ( উ, চিয়া, চাঙ, আৰু চাও, Yu, Hsia, shang and chou) শিক্ষক সকলৰ নিৰ্ব্বাচনৰ (selection) ক্ষেত্ৰত অত্যন্ত গুৰুত্ব প্ৰদান কৰিছিল।"

শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ অসুবিধাজনক কথাটো হৈছে শিক্ষকজনৰ প্ৰতি সন্মান প্ৰতিষ্ঠা কৰোৱাটো। শিক্ষকজন যদি সন্মানিত হয়, তেন্তে তেওঁ যি শিকায় তাকেই লোকে সন্মান কৰে আৰু যেতিয়া লোকে তেওঁ শিকোৱা খিনিক সন্মান কৰে। তেতিয়া তেওঁলোকে শিক্ষা বা পাণ্ডিত্যক ( learning or scholarship ) সন্মান কৰে। সেয়েহে, মাত্ৰ দুই শ্ৰেণীৰ লোককহে ৰজাই তেওঁৰ প্ৰজা হিচাপে জ্ঞান কৰিবলৈ সাহ নকৰে। এক শ্ৰেণী হ'ল -- তেওঁৰ শিক্ষক আৰু অন্য শ্ৰেণী হ'ল চিহ্ ( shih ) ( নৈবেদ্য প্ৰদান কৰা ঠাইত মৃতকৰ আত্মাৰ প্ৰতীক স্বৰূপ কেচুৱা )। কলেজ সমূহত প্ৰচলিত প্ৰথা অনুযায়ী আনকি ৰজাৰ পৰা ৰাজ আজ্ঞা (edict) গ্ৰহণ কৰোঁতেও এজন শিক্ষকে উত্তৰ দিশৰ ফালে মুখ কৰি থিয় হব নলগাটোৱে শিক্ষকৰ প্ৰতি গভীৰ সন্মান প্ৰদৰ্শনকে বুজায়।



যিজন মানুহে তেওঁৰ চিন্তা শক্তিক ব্যৱহাৰ নকৰে তেওঁ এটা পোহনীয়া পশুস্বৰূপ ; আৰু যিজনে অপব্যৱহাৰ কৰে তেওঁ এটা হিংস্ৰ বনৰীয়া জন্তু।

—লৰ্ড হালিফাক্স

## শঙ্খধ্বনি

—এ. কে. আহমেদ
প্ৰবক্তা, পদাৰ্থ বিজ্ঞান

মন্দিৰ-মছজিদ গঢ়াৰ স্তুতি
বজাৰৰ পণ্যৰ দৰে
আনন্দ অভিসাৰী পীৰ সুৰেশ্বৰ
মক্কা-মথুৰাৰ
ভয়াবহ সন্ধিক্ষণত
মহাকালৰ ইতিহাস

মৃত্যুৰ কৰধ্বনি আৰু সন্ত্ৰাসৰ
নিৰ্মাণৰত তন্ত্ৰ

কুবেৰে প্ৰীতিৰে হাত বুলাই
চুক ভেকুলীৰ বুকু
কলচী পাতৰ দৰে কায়াঘন সভ্যতাৰ তনয়
সুৰামত্ত দ্ৰোণাচাৰ্য্যই অৰ্ঘ্য লয়
একলব্যৰ কুহুম-উমাল-শোণিত

অলেখ একলব্যৰ কৃষ্ণকায় পলসত নামে
বিদ্ৰোহৰ উল্কা
নিনাদিত হয় শঙ্খধ্বনি
বিযুৱৰ ইপাৰ সিপাৰ

## সেউজীয়া এটি পথ বিচাৰি····

—পুলিনা দত্ত, এম, এ, বি, টি

আকাশৰ বুকুৰ পৰা মাটিৰ বুকুলৈ
নিঃশব্দ গতিৰে নামি অহা
নিয়ৰ কণাৰ দৰেই নামি আহে আশা
বিশ্বাস আৰু প্ৰাতীতি,

হৃদয় দুৱাৰেদি কুৰুকি কুৰুকি
সোমাই যাওঁ গভীৰৰ পৰা গভীৰতালৈ
সন্ধান কৰো নতুন প্ৰত্যাশা········
মাথো জীয়াই থকাৰ বাবে····।
এতিয়া, ইয়াত চৌদিশ জুৰি আছে
বিশাল অৰণ্যৰ ভয়াবহতা
য'ত লুকাই আছে হিংস্ৰ নৰখাদকৰ
লোলুপ সজাগতা।

ইয়াত এতিয়া চুৰমাৰ হৈ যায়
প্ৰতিটো আশা, প্ৰতিটো ক্ষণ,
বুভুক্ষাৰ লেলিহান শিখাই
মেৰাই ধৰিছে আজি উত্তাল যৌৱন।

ক'ত বিচাৰি পাম সূৰুযৰ সোণালী আভা
নিয়ৰে বোলাই যোৱা সেউজ দুৱৰি
শেৱালিৰ সুভাষে পাৰি দিয়া
শুভ্ৰ জোনাক ৰাতি
কেনি গতি কৰোঁ আমি
সেউজীয়া এটি পথ বিচাৰি········।

## শুকুলা পখীৰ সন্ধানত

—ৰতি প্ৰভা গগৈ
প্ৰবক্তা, অসমীয়া বিভাগ

সমস্ত দেহ-মন আগ্ৰাসিত দীনতাৰে
দুহাত মেলি ধৰিব খোজোঁতেই
নীলা কপৌজনী বতাহত মিলি গ'ল·········

মন্দিৰ-মছজিদ, গীৰ্জ্জা-গুৰুদ্বাৰ
চলাথ কৰি পালোঁ মাথো
ভাতৃ-সুহৃদৰ কৰাল মৰা তেজ
দেহৰ ঘামেৰে লুণীয়া হোৱা
মেটমৰা দুঃখৰ বোজা।
দেখিলোঁ—
নগৰ-চহৰ, গ্ৰাম-বন্দৰ, পাহাৰ-অৰণ্য
ভষ্মীভূত কৰা
লেলিহান শিখা
সমস্ত দেহ-মন আগ্ৰাসিত দীনতাৰে
দুহাত মেলি ধৰিব খোজোঁতেই
নীলা কপৌজনী বতাহত মিলি গ'ল·······

ধূলি ধূসৰিত পেৰাটো মেলিলোঁ
পদুম পাতৰ উষ্ণ গোন্ধে
কাণে কাণে ক'লে,
জুমি চোৱা,
তাতেই আছে— বহু কাঙ্ক্ষিত আমাৰ নীলা চৰাই।
হাতলৈ তুলি ললোঁ
এখনি ছবি—

আঁচলেৰে ছাঁ দি
নৰাণিৰ শেতেলীত শুই আছে আই
জুমি চালোঁ,
পিয়াহত মুখ গুজি আইৰ মাজত মই

অৰ্দ্ধশায়িত মোৰ দেহৰ ওপৰেদি
দপদপাই গুচি গ'ল— এজাক শিশু
বতাহত সৰি পৰা
পকা ফলৰ শব্দত সিহঁতবোৰ দৌৰিছে

মই— মোৰ সত্বাৰ সতে
সিহঁতৰ সমদলত চামিল হলোঁ—
এক গভীৰ প্ৰশান্তিৰে।

## দুঃসময়

—চন্দন বৰগোহাঁই
সোণাৰি কলেজ

ওন্দোলা আকাশখনত
ডাৱৰবোৰ, চৰাইবোৰ ভাঁহে
নদীয়ে কঢ়িয়াই অনা
ভয়াবহ বানে
উৎপীড়ন কৰে
পথাৰত নৱজাত শিশু

চাৰিওফালে বাৰুদৰ ধোঁৱাৰে ধূসৰিত সময়—
কেঁচা ৰক্ত বুকুয়েদি বয়
উহ্ বৰ অসহ্য
অহোৰাত্ৰি ফেঁচাৰ মৃত্যুদীপ্ত আৰ্তনাদ
মৰিশালীত স্বপ্নাতুৰ দুঃসময়—

## ঋতুমতী পথাৰখনৰ দৰে·······

—জোনমণি বৰুৱা
সোণাৰি কলেজ

[ এক ]

( সপোন সদায় আদিম )
চকুৰ জিল্‌মিল্‌ আদিম সপোন
এন্ধাৰ মোহাৰি পোহৰ চোৱাৰ বাসনা
যেন সেউজ, সেউজবুলীয়া শিশু
যাৰ ওঁঠত তৃষ্ণা, চকুত তৃষা
দুহাতত আকোল প্ৰাৰ্থনা
এখন আকাশৰ আদিগন্ত মৰমৰ বাবে

বোপাই বুলি নামাতিলোঁ যাক
তেওঁ শিৰাই ধমনীয়ে
তেজৰ দৰেই স্ফটিক

[ দুই ]

ঋতুমতী পথাৰখন·······
ধৰ্ষিত হয় শইচ
'হুৰ্‌ হুৰ্‌ বটা চৰাই
মোৰ ধান নাখাবি·······'
পথাৰ বিয়পি দুখৰ হুমুনিয়াহ

কাৰ কৰবীত মদাৰ ফুলৰ গোন্ধ
তথাপি গুণ্‌ গুণ্‌ বতাহে কয়
এতিয়া পলাশ ফুলাৰ ঋতু

[ তিনি ]

হ'ব লাগিছিল বাংঢালি যৌৱন
অতীতেয়ে কাঢ়ি নিলে জীৱনৰ সকলো সৌষ্ঠৱ

চিলনীৰ জী—
কোন বণিক আহি
ফণিয়াৰ তোৰ চুলি
শিৰৰ সেওঁতাত দিব
সূৰ্য্যৰ সাতো-বোল
আঁচল উকৰাই কেতিয়ানো গাবি
'আগলতি কলাপাত ল'ৰে কি চ'ৰে
চিলনী আই·······'

[ চাৰি ]

আকাশৰ ৰং মোৰ প্ৰিয়
আৰু সেউজ প্ৰিয় শব্দ
ৰঙা আঁচলেৰে নিয়ত বান্ধো সপোন
জীয়াই থাকিবৰ বাবে
আকাশৰ সপোন
পথাৰৰ সপোন
সেউজৰ সপোন

বুকুৰ মাজত কোন?
নুবুজে সেউজ মানে কি ??

## তুমি মোৰ প্ৰেৰণা

—হীৰা বুঢ়াগোহাঁই
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

মীনা !
কোনোবাই মতা শুনি মই উচপ খাই পিছলৈ ঘূৰি চালো। মোৰ পিছফালে এজন পুলিচ অফিচাৰ থিয় হৈ আছে। মুখলৈ চালো। মানুহজনৰ ওঁঠত এটা ক্ষীণ হাঁহি বিৰিঙি আছে। তেওঁ পুনৰ মাত লগালে – চিনি পোৱা নাই নহয়, মীনা ?

হঠাৎ মোৰ মনত খেলাই গ'ল, এইয়া সমীৰ নহয়তো ? সমীৰ, মোৰ মৰমৰ সমীৰ ?

ঃ তুমি ·········· মানে সমীৰ। তেন্তে মোৰ অনুমান ঠিকেই। কিন্তু তুমি ইয়াত ? ক'ৰপৰা কেনেকৈ ?

সমীৰে হাঁহি ক'লে, "আজি এমাহমান হ'ল মই ইয়ালৈ S. P. হৈ বদলি হৈ আহিছো।"

মোৰ মুখৰপৰা অজানিতে ওলাই গ'ল, "সমীৰ তুমি মানে সঁচাকৈয়ে পুলিচ অফিচাৰ হ'লা ?"

সমীৰে হাঁহিলে, "এয়া তোমাৰ সপোন আছিল মোক এই ৰূপত দেখাতো, নহয়নে, মীনা ?"

মোৰ মনটো আনন্দত নাচি উঠিল, সমীৰে তাৰমানে মোক এতিয়াও পাহৰা নাই ? কিন্তু কেনেকৈ ? বিশ্ববিদ্যালয়ৰপৰা বিদায় লোৱাৰ মুহূৰ্তত আমাৰ মাত-বোলেই নাছিল, আজি কিমান বছৰৰ পাছত আমি দুটা পুনৰ দেখাদেখি হৈছো। কিমান দিনৰ পিছত আকৌ মাতবোল কৰিছো। সমীৰে বাৰু পাহৰি গ'ল নেকি আমাৰ মাজত যে মাতবোল নাছিল। কথাবোৰ ভাবি থাকোতেই সমীৰে সুধিলে, "বৰ্তমান তুমি কি কৰিছা ? মই গম পাওঁ তুমি ইয়াতে আছা বুলি অথচ আজি এমাহে এবাৰলৈও তোমাক লগ পোৱা নাই, তুমি বেঙ্কৰ চাকৰিটো এৰি দিলা কিয় ?" মই আচৰিত হ'লো। সি ইমানবোৰ খবৰ কেনেকৈ জানিলে ? আজি কিমান বছৰ আমাৰ মাজত কোনো সংযোগেই নাছিল। অথচ সি মোৰ প্ৰায়বোৰ খবৰেই ৰাখিছে। তাহানি বিশ্ববিদ্যালয়ত পঢ়া দিনবোৰলৈ মনত পৰিল। সমীৰক যেতিয়া কওঁ এইটো কথা তুমি কেনেকৈ জানিলা, সি তৎক্ষণাৎ উত্তৰ দিব "মইতো সব 'কথাই

জানো।” এতিয়া যদি তাক সুধিলোহেঁতেন তুমি মোৰ বিষয়ে কেনেকৈ খবৰ ৰাখিছা, সি বাৰু তাহানিৰ অভ্যাসগত উত্তৰটো দিবনে ? মই সমীৰৰ মুখলৈ চাই অতীত সুঁৱৰি আছিলো। তাৰ মুখলৈ চাই থকাৰ বাবেই নেকি সি মোক ক'লে, ‘শুনা তুমি মোৰ কোৱাৰ্টাৰলৈ যাব লাগিব। কেতিয়া যাবা ? কাইলৈ ?’

মই নিৰ্বিবাদে মূৰ দুপিয়ালো।

গভীৰ আগ্ৰহ আৰু উৎকণ্ঠাৰে মই পিছৰ দিনটোলৈ বাট চালো। বিছনাত পৰি টোপনি যাবলৈ চেষ্টা কৰিলো। টোপনিও নাহিল। বাহিৰত জোনাক। খিৰিকিৰ কাচৰ মাজেদি শুভ্ৰ পোহৰৰ ম্লান ৰেখা চাৰিওফালে সিঁচৰিত হৈ পৰিছিল। টোপনি নহা চকুৰ পটাত অজস্ৰ স্মৃতিৰ ভিৰ। বহুতো স্মৃতি। সৰু সৰু টুকুৰা টুকুৰা বহুতো।

বিছনাৰপৰা উঠি মই মোৰ সৰু ভি আই পিটোৰপৰা সযতনে এখন ফটো উলিয়াই আনিলো। জোনৰ পোহৰতে ফটোখন চাবৰ চেষ্টা কৰিলো। এজন যুৱকৰ ফটো। লাইফচাইজৰ। যুৱকজনে গালত হাত দি এচটা শিলৰ ওপৰত বহি সন্মুখৰ নৈখনলৈ চাই আছে। মুখত হাঁহিৰ আভাস। হাঁহিটোৰ আঁৰত যেন এক দুখৰ ছাঁয়াত লুকাই আছে। দেখিলে এনে লাগে তেওঁ যেন প্ৰেয়সীৰ সতে তৰ্ক কৰি এনেকৈ অভিমান কৰি বহি আছে। এইখন সমীৰৰ ফটো। ফটোখন মই পিক্‌নিক্‌লৈ যাওঁতে তুলিছিলো। সমীৰৰ স্মৃতি হিচাপে মই এই ফটোখনকে থৈ দিছো। আজি আঠ ন বছৰে মই সমীৰৰ একো খবৰেই নাপাওঁ যদিও সমীৰৰ স্মৃতি মোৰ মনৰ মাজত মচিব নোৱাৰাকৈ অঁকা আছিল।

বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিয়েই চিনাকি হৈছিলো সমীৰ বড়া নামৰ সুন্দৰ চেহেৰাৰ যুৱক জনৰ লগত। আমি দুয়ো একে বিভাগৰে ছাত্ৰ-ছাত্ৰী আছিলো। প্ৰথম চিনাকিৰ মাধুৰ্যৰ চমক নৌকাটোতেই বুজি উঠিছিলো সমীৰক মোৰ ভাল লাগিছে। সেয়েহে প্ৰথমতে বন্ধুত্ব আৰু তাৰ পিছতেই প্ৰেম। মাজে মাজে আমি দুয়ো ব্ৰহ্মপুত্ৰৰ পাৰলৈ ওলাই যাওঁ। সেই শান্ত নিৰিবিলি পৰিৱেশত আমাৰ দুয়োৰে নিৰ্বাক, নিশব্দ চাৱনিত বহুতো নোকোৱা কথাৰ অৰ্থ ফুটি উঠিছিল। ব্ৰহ্মপুত্ৰৰ পাৰত বহি, ব্যস্ত চহৰৰ পৰা দূৰৈত থাকি অলেখ সপোন ৰচিছিলো সমীৰ আৰু মই যুটীয়াভাৱে। ভাব হয়, নৈৰ বুকুত উটি যোৱা আমি যেন দুখন নাওঁ, ওচৰাউচৰিকৈ গৈ আছো অন্তহীন সময়ৰ সোঁতত।

—উভতি আহি সৰু চাহৰ দোকানখনতে বহো। দোকানখনৰ চাহ দিয়া ল'ৰাটোৱে আমাৰ সন্মুখত এগিলাচ চাহ আৰু এটা খালী গিলাচ দি থৈ যায়। সি জানে আমি দুয়ো একে গিলাচ চাহকে সদায় ভাগ কৰি খাওঁ। গতিকে সি অভ্যস্ত।

সমীৰ দৃঢ়, দুঃসাহসী। ক'ব নোৱাৰাকৈ সি মোৰ মন অধিকাৰ কৰি লৈছিল। সমীৰে কৈছিল, “মই মানুহটো অলপ বেলেগ ধৰণৰ। মই যেতিয়া ‘মই’ বুলি কওঁ তেতিয়া তাত কেৱল মইয়ে নহয়, তুমিও জড়িত থাকা। তুমি মই লগ লাগিহে ‘মই’ হওঁ। এই সিদ্ধান্ত গোটেই জীৱনৰ কাৰণে কৰিছো। তুমি ভাবি চাবা।”

কিন্তু সমীৰৰ সিদ্ধান্ত বেছিদিন নাথাকিল। এদিন মোৰ অনুমান হ'ল। সমীৰে মোৰপৰা যেন এৰাই চলিবলৈ যত্ন কৰিছে। মই তাৰ



কাষলে কথা পাতিবলৈ গ'লেই সি ফালৰি কাটি আঁতৰি যায়। ক্লাচৰ বাকী ছোৱালীবোৰৰ লগত মোক দেখুৱাই যেন বেছিকৈ কথা পাতে। ইমানদিনৰ নিবিড় সম্পৰ্কটো মোৰ অৰ্থহীন যেন বোধ হ'ল। ক'ৰবাত যেন এটা সৰু ভুল হৈ গৈছে। সেই ভুল ক'ত, কেনেকৈ, কেতিয়া হ'ল মই নাজানো, কিন্তু সমীৰে জানে, জানে বাবেই যেন সি মোৰপৰা লাহে লাহে আঁতৰি গৈছে। আত্মাভিমানত মই ভিতৰি ভিতৰি জ্বলি উঠিছিলো। ইমানদিনৰ পৰিচয়ৰ পিছত সমীৰৰ এনে পৰিবৰ্তনে মোক দুৰ্বল কৰি পেলাইছিল। মই বুজি উঠিছিলো মোৰ ভুল হ'ল। কিন্তু সেই ভুলেই মোৰ সমগ্ৰ জীৱন। নিজকে জনাৰ বুজাৰ, চোৱাৰ পৰিপূৰ্ণ জীৱন। জীৱনত মাথোন মৰম দিয়া নিয়াৰ খেলা হয় বুলি ভাব হ'ল। এদিন মই সমীৰক লগ কৰিছিলো। সি যেন বিৰক্তিবোধ কৰিছিল। মই সুধিছিলো, “আমাৰ ইমানদিনৰ সকলো কথা মিছা নেকি ?” মিছা নহয় সঁচা, কিন্তু বহুত সময়ত সঁচা কথাও মিছা লাগি যায়। সমীৰে বহুতো কথা কৈছিল, শুনাৰ ধৈৰ্য্য মোৰ নাছিল। নাছিল কোনো আগ্ৰহ। ভীষণ অভিমানী আৰু জেদী আছিলো মই। কথাবোৰ বুজিবলৈ মই কোনো চেষ্টা নকৰাকৈয়ে আঁতৰি আহিলো। সমীৰো আঁতৰি গ'লগৈ। সমীৰে মোৰ বিষয়ে কৈ ফুৰা বহুতো কথাই মই শুনিছিলো। কথাবোৰ সঁচা নে মিছা কোনো বিচাৰ নকৰাকৈ মই সমীৰক মাতবোল কৰিবলৈ এৰি দিলো। প্ৰথমতে সমীৰে মাতিবলৈ চেষ্টা কৰিছিল, “মাতবোল কৰিলেতো একো জগৰ নালাগে মীনা ; মাতিবা please।” কিন্তু সমীৰৰ কথাত মই কৰ্ণপাত কৰা নাছিলো। মোৰ খং উঠিছিল সমীৰৰ ওপৰত এনে অভাৱনীয় পৰিৱৰ্ত্তনৰ কাৰণে। কিন্তু তাৰ এনে পৰিৱৰ্ত্তনৰ গুৰি ক'ত, মই বুজিবৰ চেষ্টা নকৰিলো আৰু প্ৰয়োজনও বোধ কৰা নাছিলো। অৱশেষত আমি দুয়ো দুয়োৰে কাৰণে নিলগৰ তৰা হৈ পৰিলো। দুই এক ঘনিষ্ঠ বান্ধৱীৰ বাহিৰে আমাৰ সম্পৰ্কছেদ হোৱাৰ কাৰণটো কেৱে নাজানিলে। বহুতে হয়তো ঘটনাটো বেলেগ ধৰণে লৈছিল। আৰু এনেকৈয়ে কোনেও কাকো মাতবোল নকৰাকৈয়ে এদিন বিশ্ববিদ্যালয়ৰ পৰা বিদায় ললো। তাৰ পাছত আৰু কোনেও কাকো লগ পোৱা নাই। মইও চাকৰিত সোমাই ব্যস্ত হৈ পৰিলো। ইয়াৰ মাজতো সমীৰৰ স্মৃতিয়ে মোক এৰা দিয়া নাছিল। অহৰহ লগত লৈ ফুৰিছো স্মৃতি বিজড়িত কিছুমান পাই হেৰুৱাৰ বেদনা। ঘৰৰপৰা জোৰ কৰিছিল মোক বিয়াত বহিবলৈ। কিন্তু নিজৰ শূন্য জীৱন পূৰ্ণ কৰাৰ বাসনা মোৰ নাজাগিল। সমীৰৰ কোনো খবৰেই মই পোৱা নাছিলো। বাহিৰত মই নিজকে যিমানেই মুক্ত কৰি নেদেখুৱাওঁ, মই জানো, সমীৰক হেৰুওৱাৰ বেদনা মই কেতিয়াও পাহৰিব নোৱাৰো।

ৰাতিপুৱাৰে পৰা মোৰ মনটো উচপিচাই আছিল। সমীৰক লগ পাবলৈ এক অদম্য হেঁপাহ হৈছিল। সমীৰ পুলিচ অফিচাৰ হোৱাটো মোৰ স্বপ্ন আছিল। কিয় জানো মোৰ ভাব হৈছিল সমীৰ পুলিচ অফিচাৰ হ'লে যেন তাক খুব ভাল লাগিব। সমীৰৰ দায়িত্ববোধ আছিল। প্ৰতিটো কামেই সি বৰ নিষ্ঠা সহকাৰে কৰিছিল। সেই কাৰণে মই কৈছিলো, তুমি পুলিচ অফিচাৰ হবা ;

ভাল লাগিব তোমাক। কেতিয়াবা যদি হ'ব পাৰা মোৰ কাষলৈ যাবা। সেই ৰূপত তোমাক দেখিলে মোৰ কিমান ভাল লাগিব।" সঁচাকৈ সমীৰ আজি পুলিচ অফিচাৰ। সি মোৰ স্বপ্ন দিঠকত পৰিণত কৰিলে। সমীৰে তেন্তে মোক পাহৰি যোৱা নাই ?

ঠিক চাৰিমান বজাত মই সমীৰৰ কোৱাৰ্টাৰ পালোগৈ। পৰ্দাৰ ফাঁকেদি দেখিলো সমীৰে চোফাত বহি আলোচনীৰ পাত লুটিয়াই আছে। বোধকৰো মোলৈকে বাট চাই আছে। মোক দেখি সমীৰৰ চকুৱে মুখে এক আনন্দৰ ঢৌ বাগৰি গ'ল। সি মোক তাৰ সন্মুখৰ চোফাখনত বহিবলৈ আঙুলিয়াই দিলে। ঘৰটো নীৰৱ নিস্তব্ধ। বোধকৰো সমীৰ অকলেই থাকে। তথাপি মই সুধিলো, "তোমাৰ লগত আৰু কোন থাকে ?"

"নাই অকলে আছো, কাম কৰা ল'ৰা এটা ৰাখি লৈছো।" ভাবিছিলো, সুধিম নেকি সি বিয়া বাৰু কৰিলে নে নাই, কিন্তু সুধিবৰ মন নগ'ল। কিয় নগ'ল মই নুবুজিলো, নিজকে প্ৰশ্ন কৰিলো সি বিয়া কৰালে বুলি কলে মোৰ বাৰু ঈৰ্ষা হ'ব নেকি ? কিন্তু কিয় হ'ব মইতো সমীৰলৈ বাট নোচোৱাকৈয়ে জীৱনত অকলে বাট বুলিব পাৰিম বুলি দৃঢ়সংকল্পবদ্ধ হৈছিলো।

"মই ইয়ালৈ আহিয়েই তোমাৰ খবৰ লৈছো। বাটে-ঘাটে চাই ফুৰো, কিজানি তোমাক লগ পাওঁৱেই।"

সমীৰে কৈ গৈছে। তাৰ কথাবোৰ মোৰ চিনাকি। তাহানি বিশ্ববিদ্যালয়ত পঢ়ি থকা দিনলৈ মনত পৰিল। সি কথা ক'লে মই তাৰ মুখলৈ তধা লাগি চাই থাকো। মোৰ ভাল লাগে তাৰ মুখলৈ, তাৰ চকুলৈ চাই থাকিবলৈ। সি মোক কেতিয়াবা ধমক কি কয় "কিনো মুখলৈ ৰ লাগি চাই আছা, তুমিতো একো কথাই নাপাতা, মাথোন মইহে কৈ থাকিব লাগে।" কিন্তু মই কথা পতাতকৈ তাৰ মুখলৈ ঘণ্টাৰ পিছত ঘণ্টা চাই কটাই দিবলৈহে ভাল পাওঁ। সি হয়তো নুবুজে। আজিও মই সমীৰৰ মুখলৈ চাই আছো। আগতকৈ সি শকত হ'ল। মূৰৰ দুই এডাল চুলি পকিছে। তাৰ চকুযুৰি বৰ মোহনীয়, আগতে এই যুৰি চকুতে অলেখ সপোন দেখিছিলো। ক'ব নোৱাৰাকৈয়ে এটি গধুৰ হুমুনিয়াহ ওলাই আহিল। "তোমাক এনেদৰে এদিন লগ পাম বুলি ভবাই নাছিলো, সমীৰ।" কিন্তু মোৰ বিশ্বাস আছিল মই তোমাক লগ পামেই। সমীৰে গভীৰ আত্মপ্ৰত্যয়েৰে ক'লে, M. A. পাছ কৰিয়েই কলেজৰ চাকৰিত সোমালো। তাৰপাছত A. P. S. C. পাছ কৰি D. S. P. পালো। তোমাৰ কাষলৈ উভটি যোৱাৰ দুৰ্বাৰ হেঁপাহ হৈছিল, কিন্তু সাহস গোটাব নোৱাৰিলো। তুমি মোক কেনেভাৱে গ্ৰহণ কৰিবা সেইয়াতো মই নাজানিলো। মই জানো, তুমিতো ভীষণ অভিমানী আৰু জেদী। তথাপি তোমাৰ সপোন বাস্তৱত যেতিয়া পৰিণত কৰিলোৱেই তেতিয়া সেই সৌভাগ্যলৈ তোমাক মাতি অনাৰ খুবেই ইচ্ছা হৈছিল। কিন্তু....... ." আধাকোৱাকৈ সমীৰ ৰৈ গ'ল। তললৈ মূৰ কৰি সি বহি আছে।

মই ভাবিলো, ইমান দিনৰ আন্তৰিকতাৰ পৰিচয় থকাৰ পিছতো সি মোক অকনো নুবুজিলে, চিনি নাপালে। সি মোক বুজিও নুবুজাৰ ভাও ধৰিছে, নেকি ? মোৰ অভিমান আৰু জেদৰ উৎস ক'ত আছিল, সেই কথাও সি নাজানিলে ? পূৰ্বৰ জেদটোৱে পুনৰ টনটনাই ধৰিলে।

"কিন্তু তুমি মোৰ খবৰ কেনেকৈ পালা ?"

"সীতাৰপৰা।"

সীতা এসময়ত মোৰ অন্তৰংগ বান্ধৱী আছিল। সুদৰ্শনৰ লগত তাইৰ বিয়া হৈ গৈছে। সুদৰ্শন সমীৰৰ বন্ধু আছিল। সিহঁত দুটাৰ হিয়া দিয়া নিয়া আমাৰ দুটাৰ মাধ্যমেৰেই হৈছিল। সুদৰ্শন মোৰো ভালবন্ধু আছিল। সুদৰ্শন আছিল কবি সুলভ স্বভাৱৰ। গছৰ পাতকেই লৈ কবিতা লিখে, চকুৰ পানীতেই কবিতাৰ ৰস দেখা পায়। সীতা এতিয়া খুব সুখী গৃহিনী।

সমীৰ ভিতৰলৈ উঠি গ'ল। বোধকৰো কাম কৰা ল'ৰাটোক চাহৰ অৰ্ডাৰ দিব। সমীৰৰ মুখখন মোৰ চকুৰ আগত ভাঁহি থাকিল। বিভিন্ন মুহূৰ্তৰ বিভিন্ন সমীৰ। হাঁহি থকা সমীৰ, কথা কৈ থকা সমীৰ, ভাবুক সমীৰ, খঙাল সমীৰ, মই জানিছো সমীৰক মই আগৰদৰেই ভাল পাই আছো। কিন্তু সমীৰে ?

হয়তো সমীৰে এই উচ্ছাস এনেয়ে দেখুৱাইছে। ইমানদিনৰ নিবিড় সম্পৰ্ক এটা আছিল বাবেই হয়তো এনেদৰে উল্লাসিত হৈছে, তাতে আকৌ বহু বছৰৰ পাছত লগ পাইছে, আকৌ পাহৰি যাব ঠিক তেতিয়াৰ দৰে। সমীৰে তেতিয়া মোক কিয় তেনে ব্যৱহাৰ কৰিছিল মই আজিও নাজানিলো। কিন্তু এতিয়াও মই সমীৰক ভাল-পাওঁ নহ'লে সি ইয়ালৈ বদলি হৈ অহাৰ কাৰণে মই মনে মনে ইমান আনন্দিত হৈছো কিয় ? মই নিবিচাৰো, সমীৰে মোৰ সঁচা অন্তৰখন দেখক ; ইয়াতেই মোৰ জেদ, ই মোৰ আত্মাভিমান।

সমীৰৰ পিছে পিছে সৰু ল'ৰা এটাই ট্ৰে এখনত দুকাপ চাহ আনি থ'লে। সমীৰ এইবাৰ মোৰ কাষত বহিল। বহুবছৰৰ পাছত আমি এনেদৰে বহি কথা পাতিছো। সমীৰৰ দেহৰ সুবাস মোৰ চকুৱে মুখে এতিয়াও লাগি আছে। মই একাপ চাহ সমীৰৰ হাতত তুলি দিলো। সি মোৰ চকুলৈ চালে। কি-যে এক আচৰিত মোহ এতিয়াও তাৰ চকুত আছে। অকণো ভাব নহয় যে আমি দুয়ো কেতিয়াবাই বিচ্ছিন্ন হৈ গ'লো।

"তুমি বাৰু এতিয়াও মোৰ ওপৰত খং কৰি আছা নেকি ?" সমীৰে সুধিলে। "মীনা, তুমিয়েই মোক দিছিলা অনুপ্ৰেৰণাদায়ক সঁচা মৰম।"

সমীৰে এটি গধুৰ হুমুনিয়াহ এৰিলে।

"নাই, মই কোনো খং ৰখা নাই। তোমাক ভাল পাইছিলো সঁচা ; সেইবাবেই তোমাৰ ওপৰত মোৰ অভিমান হৈছিল। এতিয়া বুজিছো, মই হয়তো তোমাৰ যোগ্য নহয়। শাসনৰ মাজত নহয় ; কিন্তু কাৰোবাৰ পৰা জোৰ কৰি ভালপোৱা আদায় কৰিব নোৱাৰি।"

"জীৱনটো তুমি এনেদৰে পাৰ কৰিব খুজিছা কিয় মীনা ?"

মনে মনে মোৰ খং উঠিল। মোক এৰি যাবৰ সময়ত তাৰ অকণো বেয়া নালাগিল, এতিয়া ইমান সহানুভূতি দেখুৱাবৰ কি প্ৰয়োজন ? ল'ৰা-বিলাকো যে! ছোৱালীবোৰক সিহঁতে কি বুলি ভাবে ? ভালপোৱাটো কি পুতলাৰ খেল। ইচ্ছা কৰিলেই যে হঁহুৱাব, কন্দুৱাব, নচুৱাব পাৰি। তাৰ

হয়তো ধাৰণা হৈছে মই তাৰ বাবেই বিয়া হোৱা নাই।

"এইবিলাক কথালৈ এতিয়া মোৰ কোনো আপচোচ নাই, কোনো ক্ষোভ নাই। তুমি এৰি যাবৰ সময়ত মই একো বুজা নাছিলো, কিন্তু আজি মই বুজিছো, কিন্তু মোৰ বাবে এই বুজাৰ এতিয়া কোনো অৰ্থ নাই। অংকটো ক'ত ভুল হল তাক পুনৰাই চোৱাৰ সময় পাৰ হৈ গৈছে।"

সমীৰে গালত হাত দি বহি আছে। মই জানো তাৰো এক আক্ষেপ আছে, কিবা এক বেদনা আছে।

"কিন্তু মিনা, এতিয়া মই যি বুজিছো, এই বুজাৰ বৰ কষ্ট আছে। ছিন্ন-ভিন্ন হৃদয় বেদনাৰে প্লাৱিত অপৰিসীম কষ্ট।" সমীৰে খুউব কষ্টৰে কথাখিনি ক'লে। তাৰ মাতত অন্তৰৰ বেদনাৰ স্পষ্ট ৰূপ।

"তোমাক আচলতে মোৰ বহুতো কথাই ক'বলগীয়া আছিল।" "কিন্তু সেইবোৰ কথা শুনাৰ সময় পাৰ হৈ গ'ল সমীৰ।"

মই ক'লো, "এতিয়া যাওঁ।"

সমীৰো মোৰ লগতে উঠিল। অজান কাৰণত মোৰ মনটো পুনৰ গধুৰ হৈ পৰিছে। বাহিৰলৈ ওলাই আহিলো। আন্ধাৰ হ'ল যদিও জোনৰ জোনাকৰ কাৰণেই পোহৰ হৈ আছে। সমীৰে পিন্ধি থকা নীলা ৰঙৰ চাৰ্টটো অধিক উজ্জ্বল হৈ জিলিকি পৰিছে। সমীৰক মই নীলা চাৰ্ট পিন্ধিলে ভাল দেখো। মোৰ পছন্দৰ ৰং কাৰণে সি আগতেও নীলা ৰঙৰ চাৰ্ট বেছিকৈ পিন্ধে। সি এতিয়াও পিন্ধিছে। সমীৰৰ এইবোৰ কামৰ পাছতো তাৰ মনৰ ইংগিতটো খুব স্পষ্টকৈ বুজিব নোৱাৰিলো। সি মোক এৰি যোৱাৰ পাছত মই বিচৰা কামবোৰেই দেখোন কৰি গৈছে। সমীৰক মই বহু বছৰৰ পাছত লগ পাইছো, মাতবোল কৰিছো, এয়াই মোৰ সন্তোষ। তাক নমতাকৈয়ে যেতিয়া এদিন বিশ্ববিদ্যালয়ৰ পৰা বিদায় লৈ গুচি আহিছিলো, তেতিয়া মই কেনেদৰে আহত পক্ষীৰদৰে চটফটাই আছিলো, সি হয়তো নুবুজিব। আজি তাক লগ পাই মোৰ মন পুলকিত হৈ পৰিছে এক অবুজ আনন্দত। তাক যেতিয়া মাতিব পৰা নাছিলো, দেখিও নেদেখাৰ ভাও ধৰি গুচি গৈছিলো, তেতিয়াও মই জৰ্জৰিত হৈ পৰিছিলো দুখ আৰু শোকত। অথচ সি মোৰ কিমান আপোন? পাহৰিব খুজিও পাহৰিব পৰা নাই সমীৰক। পাহৰা হ'লেই মই শান্তি পালোহেঁতেন।

মোৰ কাষে কাষে সমীৰ আহি আছে। এনেদৰে ওচৰা-উচৰিকৈ আমি বাৰু কিমান দিনৰ পাছত খোজ কাঢ়িছো? মোৰ মনত নাই। সমীৰলৈ চালো। জোনৰ পোহৰত দেখিলো তাৰ মুখখন অস্বাভাৱিক ভাৱে গহীন হৈ আছে। মুখখন বিষাদৰ ডাৱৰে ঢকা। দেখিলে ভাব হয় তাৰ মনত যেন বহুত কথাই লুকাই আছে, ক'বও খুজিও যেন ক'ব পৰা নাই।

সমীৰে ক'লে, "অহা সপ্তাহত মোৰ পত্নী আহিব। তুমি আহিবা মীনা, চিনাকি কৰাই দিম।"

মই উচপ খাই উঠিলো। তাৰ মানে সমীৰ পৰৰ হৈ গৈছে। আৰু মই? নিজৰ কাণ দুখনকে বিশ্বাস কৰিবৰ মন নগ'ল মোৰ। মই নিমাতে ৰ'লো। হঠাতে বন্ধ হৈ থকা পানীৰ বান্ধ কাটি দিয়াৰ দৰে মোৰ অন্তৰত অবুজ বেদনাৰ সুঁতি তীব্ৰ বেগত বাগৰি আহিল। সমীৰক হেৰুওৱাৰ দুখ মই যেন প্ৰথমবাৰৰ বাবে গভীৰ ভাৱে উপলব্ধি কৰিলো। সমীৰৰ ওপৰত মোৰ অভিমান হঠাতে নোহোৱা হৈ গ'ল।

বহুদূৰ নিৰৱে আহি সমীৰে মোক আগবঢ়াই থৈ গৈছিল। তাৰ মৌনতাই মোৰ আহত হৃদয়খনক বেছিকৈ জোকাৰি দিছিল। —আৰু এয়া মই ব্ৰহ্মপুত্ৰৰ পাৰৰ সেই ঠাইতে বহি আছো য'ত সমীৰ আৰু মই একেলগে বহি ব্ৰহ্মপুত্ৰৰ ঢৌ লেখিছিলো; ৰচিছিলো ভৱিষ্যতৰ সোণালী সপোন। আজি মোৰ কাষত সমীৰ নাই। বুকুখন বিষাই উঠিল। ফেৰফেৰীয়া বতাহ জাকে মোক চুই গ'ল; চুই গ'ল মোৰ ভগ্ন হৃদয়। নিৰিবিলি পৰিবেশটোৱে মোৰ মনটো অধিক বেদনাগধুৰ কৰি তুলিছে। সঁচাকৈয়ে মই বৰ অকলশৰীয়া! কাণত বাজি গ'ল সমীৰে কোৱা কথাষাৰ "তুমি মোৰ প্ৰেৰণা, মীনা।" □





এজন মানুহে কোৱা কথাৰ ওপৰত বিচাৰ নকৰিবা। তেওঁ কিয় সেই কথা ক'লে সেইটোহে বিচাৰি চাবা।

টমাচ পেন।

# বিচ্ছিন্নতা বনাম প্ৰগতি ঃ আহোমসকলৰ ভৱিষ্যত

ড° হীৰেণ গোহাঁই

আজি অসমৰ চুকে-কোণে বিভিন্ন জনগোষ্ঠীৰ মাজত এবিধ নতুন আত্মচেতনাৰ জোৱাৰ অহা দেখা গৈছে। চাৰিওপিনৰ আন জনগোষ্ঠীতকৈ নিজৰ পাৰ্থক্য সাব্যস্ত কৰি আত্মশাসনৰ দাবী প্ৰায় প্ৰত্যেকেই তুলিবলৈ লৈছে। শেহতীয়াকৈ কোঁচ আৰু আহোম সকলৰ মাজতো এনে ধ্বনি উঠিছে। কোঁচ সকল সংগঠিত হৈছে, আহোমসকলৰ মাজত এতিয়াও এনে ব্যাপক আৰু গভীৰ সংগঠন হোৱা নাই।

অসমীয়া সমাজৰ অন্তৰ্ভুক্ত এটা সম্প্ৰদায় ৰূপে থাকি তেওঁলোকে কিছুমান বিশেষ সা-সুবিধা দাবী কৰিব পাৰিলেহেঁতেন। তেনেস্থলত সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিকভাবে বেলেগ হৈ যোৱাৰ এই প্ৰক্ৰিয়াৰ কাৰণ কি, অনুসন্ধান কৰা দৰকাৰ।

সন্দেহ নাই যে স্বাধীনতাৰ আগৰেপৰা উন্নয়ন আৰু দেশ গঠনৰ যি প্ৰক্ৰিয়া আৰম্ভ হৈছিল, তাত ক্ষুদ্ৰ ক্ষুদ্ৰ অথবা পিছপৰা জনগোষ্ঠীবোৰ সুখী হব পৰা নাছিল। ঔপনিবেশিক যুগৰ নিয়ম আছিল এয়ে যে— উন্নয়ন যিকন হৈছিল তাৰ সুযোগ কেতবোৰ অঞ্চল আৰু জাতিয়ে আন অঞ্চল আৰু জাতিতকৈ বেছিকৈ লাভ কৰিব পাৰিছিল। স্বাধীনতাৰ পিছত উন্নয়নৰ মাত্ৰা আৰু পৰিসৰ বাঢ়িল হয়, কিন্তু পৰিস্থিতিটো একেধৰণৰ হৈ থাকিল। এতিয়াও কিছুমান জাতি আৰু অঞ্চল তুলনামূলক ভাৱে আনতকৈ পিছ পৰি ৰ'ল।

প্ৰথম অৱস্থাত সংৰক্ষণৰ যোগেদি এই বৈষম্য দূৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু ৰাষ্ট্ৰক্ষমতা তথা চৰকাৰ উন্নত গোষ্ঠী বা জাতিৰ দখলত থকাৰ ফলত সংৰক্ষণৰ সুবিধাবোৰ যথাৰ্থভাৱে অনুন্নত গোষ্ঠী বা জাতিয়ে নাপালে। উদাহৰণ স্বৰূপে, কৈৱৰ্ত্তসকলে আপত্তি কৰিছে যে চাকৰি-বাকৰি আদিত তেওঁলোকৰ প্ৰাপ্য সুবিধাৰ পৰা কাৰ্য্যক্ষেত্ৰত তেওঁলোক আজিও বহু পৰিমাণে বঞ্চিত। সেয়ে কম-বেছি পৰিমাণে স্বকীয়া পৰিচয় থকা জনগোষ্ঠীবোৰে মূল সমাজৰ পৰা আঁতৰি আত্মশাসন দাবী কৰিছে।



এওঁলোকৰ অভিযোগ কিমান দূৰ সত্য? ৰাষ্ট্ৰ পৰিচালনাত বৈষম্য মিছা কথা নহয়। জাতিগত বা গোষ্ঠীগত চেতনা আজি নিশ্চয় আগৰ পৰ্য্যায়ত নাই। উচ্চ বৰ্ণৰ মানুহে আজি আহোম, বড়ো, মিছিঙৰ লগত একে পাগত খোৱা-বোৱা বা বিয়া-বাৰু এতিয়া সমস্যা নহয়। কিন্তু সাংস্কৃতিক জাত্যভিমান এতিয়াও নথকা নহয়। অসমীয়া সংস্কৃতিৰ প্ৰতি আজি অনুন্নত হৈ থকা সম্প্ৰদায় আৰু জনগোষ্ঠী সকলৰ অৱদান নাকচ কৰি তাক কেৱল বৰ্ণ হিন্দুৰ সৃষ্টি বুলি কৈ থকাৰ প্ৰৱণতা এতিয়াও আছে। তদুপৰি আজিও শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত কথাটো স্পষ্টকৈ স্বীকাৰ কৰি লোৱা নহ'ল। বৰ্ণ হিন্দু সকলে (অথবা তেওঁলোকৰ বৃজন অংশ এটাই) অসমীয়া জাতি গঠনত আহোম সকলৰ অৱদানক আন্তৰিক স্বীকৃতি দিব নোখোজে। তাৰ ফলত ৰাষ্ট্ৰপৰিচালনাতো বৈষম্য দেখা দিয়ে। আগৰ তুলনাত কিছু সুযোগ সুবিধা পালেও আজিও অনুন্নত মানুহখিনি বঞ্চিত হৈ আছে। তেওঁলোকৰ মাজত সাক্ষৰতাৰ হাৰ, তেওঁলোকৰ অৰ্থবল, তেওঁলোকৰ স্বাস্থ্যচেতনা, ব্যবসায় বাণিজ্য প্ৰশাসনত তেওঁলোকৰ ভূমিকা আজিও তুলনামূলকভাবে দুৰ্বল। নিজৰ জাতিৰ পিছপৰা সন্তান বুলি তেওঁলোকৰ উন্নতিৰ প্ৰতি মনোযোগ দিবলৈ বৰ্ণহিন্দু নাৰাজ।

ইয়াৰ ফলতে বিবিধ জনগোষ্ঠীগত আন্দোলন আৰু জাগৰণ হৈছে। এই সকলোবোৰৰ শেষ লক্ষ্য স্বতন্ত্ৰ ৰাজনৈতিক ক্ষমতা। স্বকীয়া ৰাজ্যলৈ হওঁক, বা আন কিবা উপায়ে হওক, এওঁলোকে উন্নয়ন প্ৰক্ৰিয়া নিজৰ নিয়ন্ত্ৰণলৈ আনিব খোজে।

বৰ্ণহিন্দুৰ তুলনামূলক অৱহেলা আৰু উচ্চাত্মিকা এক সত্য ঘটনা। তেওঁলোকে প্ৰকৃততে অসমীয়া বা ভাৰতীয় জাতিগঠন প্ৰক্ৰিয়াত আন্তৰিক আস্থা ৰখা হ'লে নিজৰ এই দুৰ্ব্বল ভাই-ভনীহঁতৰ উন্নতিৰ বাবে আন্তৰিক সেৱা আগবঢ়ালেহেঁতেন। তেতিয়া বিচ্ছিন্নতাবাদৰ ভূতো পলাল হেঁতেন। কিন্তু তেওঁলোকে বৃটিছ ঔপনিবেশিক যুগৰ নীতি বা মনোভাৱকে আকোঁৱালি লৈ বহি থাকিল। সেই নীতি হৈছে কেন্দ্ৰীয় চৰকাৰৰ মুখাপেক্ষী হৈ জাতি গঠনৰ বাবে কাৰ্য্যকৰী আৰু গণতান্ত্ৰিক ব্যৱস্থা নলৈ বৰ্দ্ধিত সা-সুবিধা বৰ্ণহিন্দুৰ মাজতে আৱদ্ধ কৰি ৰখাৰ নীতি। তেওঁলোকে নিজাববীয়াকৈ অসমৰ শিল্পায়ন বা উন্নয়নৰ সুচিন্তিত কাৰ্য্যপদ্ধতি গ্ৰহণ নকৰি কেন্দ্ৰৰ ওপৰতে দায়িত্ব এৰি দি, কেন্দ্ৰৰ নিৰ্দ্দেশ মতে উঠাবহা কৰি থাকিল। আনহাতে কেন্দ্ৰতো ৰাষ্ট্ৰক্ষমতাত আছে উন্নত অঞ্চল বা জাতিবোৰৰ প্ৰতিনিধি, যি সকলে বৃহৎ পুঁজিৰ সুবিধা বা প্ৰয়োজন অনুযায়ী কাম কৰে, দেশৰ সকলো অঞ্চলৰ সৰ্ব্বাংগীন উন্নয়ণৰ কথা নাভাবে। ফলত তেওঁলোকে অসমলৈ পঠোৱা ধন বৰ্ণহিন্দু অসমীয়া মধ্যবিত্তই উন্নয়নৰ বাবে ব্যৱহাৰ কৰিলেনে নিজে লুটিলে, তেওঁলোকে খবৰ নাৰাখিলে। এই পৰিস্থিতিৰ প্ৰতিক্ৰিয়া হৈছে অনুন্নত গোষ্ঠীবোৰৰ বিচ্ছিন্নতাবাদ।

এই বিচ্ছিন্নতা আহোমৰ বাবে উপকাৰী হবনে? কথাটো কেৱল বৰ্ণহিন্দুৰ মনোভাৱৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াৰ আবেগিক দৃষ্টিৰে চালে নহব। বস্তুনিষ্ঠ বিবেচনা কৰিব লাগিব।

খাছীসকলৰ অসমৰ লগত সম্পৰ্ক ঘনিষ্ঠ নাছিল। তেওঁলোকে চৰকাৰ আৰু অৰ্থ-

নীতিৰ পৰা অসমীয়াৰ প্ৰাধান্য সম্পূৰ্ণ লুপ্ত কৰিছে। মেঘালয়ত থাকি যোৱা অসমীয়াসকল নিৰাপত্তাহীনতাত ভুগিছে। কিন্তু খাছীসকলৰ আৰ্থিক স্বচ্ছলতা, সাক্ষৰতা, সাংস্কৃতিক উন্নতি কিমান হৈছে? কিছু হৈছে, কিন্তু সম্ভাব্য উন্নতিৰ তুলনাত নগণ্য। তেওঁলোকৰ ক্ষুদ্ৰ চাম এটা শিক্ষা দীক্ষাত আগবাঢ়ি চৰকাৰী সা-সুবিধা একচেতীয়া ভাৱে দখল কৰি পশ্চিমীয়া সংস্কৃতি আয়ত্ত কৰিছে আৰু নিজৰ সমাজ তথা জাতিৰ পৰা ক্ৰমাৎ বিচ্ছিন্ন হৈ পৰিছে। সৰ্ব্বসাধাৰণ খাছী ৰাইজৰ অৱস্থা বৰ সন্তোষজনক নহয়। সাংস্কৃতিক দিশতো তেওঁলোকৰ সাম্প্ৰতিক কৃতিত্ব উল্লেখযোগ্য নহয়। তেওঁলোকৰ অৰ্থনীতিৰ ওপৰত বহিৰাগতৰ প্ৰতিপত্তি ইমান বাঢ়িছে যে সুকীয়া ৰাজ্য হোৱা সত্বেও এক ধৰণৰ অন্ধ উগ্ৰ জাতীয়তা বাদ তাত গঢ় লৈ উঠিছে। স্বায়ত্ত শাসনৰ কল অসমৰ অৱহেলিত, অনুন্নত জনগোষ্ঠীবোৰৰ বাবে এনেকুৱাই হ'ব।

স্বায়ত্তশাসন মঞ্জুৰ কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ ইমান ব্যগ্ৰ কিয়? তেওঁলোকে জানে যে তাৰ ফলত এহাতে তেওঁলোকে মাত্ৰ সামান্য পৰিমাণৰ ওপৰঞ্চি ধন ব্যয় কৰিব লাগিব আৰু আনহাতে, বৃহৎ ভাৰতীয় পুঁজিৰ দখলত থকা অৰ্থনীতি আৰু ৰাজনীতিৰ বিশেষ পৰিবৰ্ত্তন কৰিব লগীয়া নহ'ব। আচলতে বৃহৎ পুঁজিৰ দখলত থকা অৰ্থনীতি, ৰাজনীতিৰ পৰিবৰ্ত্তন অবিহনে এইবোৰ দুৰ্ব্বল জনগোষ্ঠীৰ উন্নতি সম্ভৱ নহ'ব।

তাৰ উপায় কি? চৰ্ত্ত কি? এই অঞ্চলৰ জনগোষ্ঠীবোৰৰ জনগণৰ ঐক্যবদ্ধ সংগ্ৰামে বৃহৎ পুঁজি আৰু কেন্দ্ৰীয় চৰকাৰে চলোৱা অৰ্দ্ধ ঔপনিবেশিক নীতিৰ শোষণৰ পৰা মুক্ত কৰি সকলো জনগোষ্ঠীৰ সমবিকাশৰ পথ সুগম কৰিব পাৰে। তাৰ বাহিৰে আন সকলো চুটি বৃধিৰ আৰু অসাধন সমাধান।

কিন্তু সংগ্ৰামৰ অৰ্থ একেকোবে ৰাষ্ট্ৰ ক্ষমতা দখলৰ সংগ্ৰাম (বা বিচ্ছিন্নতাৰ সংগ্ৰাম) নহয়। অৰ্থনৈতিক অনগ্ৰসৰতা দূৰ কৰিবলৈ জনগণৰ মাজত যেনে সচেতনতা আৰু উদ্যোগ লাগে, তাক ঢাপে ঢাপে গঢ়ি তুলিব লাগিব। লগতে পুৰণি অৰ্থনীতি আৰু সমাজ ব্যৱস্থাৰ প্ৰভাৱত বঞ্চিত লোকসকল যাতে বঞ্চিত হৈ নৰয় তাৰ বাবে বিশেষ নজৰ ৰাখিব লাগিব, গোষ্ঠী সমূহৰ নেতাসকলে এই অৰ্থ নৈতিক উন্নয়ন, সামাজিক সংস্কাৰ আৰু সাংস্কৃতিক বিষয়ৰ ক্ষেত্ৰত নিজ নিজ গোষ্ঠীৰ জনগণক নেতৃত্ব দিব পাৰে। মনত ৰাখিব লাগিব তিনিবিধ বিকাশ পস্পৰৰ সহায়ক। আৰু তেওঁলোকৰ সন্মিলিত নেতৃত্ব অসমৰ সমগ্ৰ জনগণৰ নেতৃত্ব হিচাপে ওলাই আহিব লাগিব। তাৰ বাবে পুৰণি ঐতিহ্য আৰু পৰম্পৰা প্ৰয়োজন অনুসৰি আমি সলাই লব পাৰিব লাগিব। বিশেষকৈ সংস্কৃতিৰ জৰিয়তে বিভিন্ন জনগোষ্ঠীৰ মাজত একতাৰ ভাৱ জগাই তুলিব লাগিব।

এনেকৈ আগবাঢ়ি যাওঁতে কেতিয়াবা গণসংগ্ৰামৰ পথ, কেতিয়াবা সংসদৰ পথ, সকলো পথ সমানে ব্যৱহাৰ কৰিব লাগিব সন্মুখৰ বাধা গুচাবলৈ। কাৰণ উন্নয়ন তথা শিল্পায়নৰ গাঁঠনিগত বাধাবোৰ তেনেকৈহে দূৰ কৰা সম্ভৱ হব। অসমৰ সম্পদ ব্যৱহাৰত অসমৰ জনগণৰ অগ্ৰাধিকাৰ, আৰু ৰাজ্যৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ হোৱা উপাৰ্জনৰ সৰহ ভাগ ৰাজ্যৰ উন্নয়নৰ অৰ্থে পূৰ্ণবিনিয়োগ— এনেবোৰ চৰ্ত্ত এনেকৈহে পূৰণ কৰা সম্ভৱ হব। কাৰণ বৃহৎ পুঁজি বা কেন্দ্ৰই সেইবোৰ অধিকাৰ সহজে নিদিব। তেতিয়াহে অসমৰ জনগোষ্ঠী সমূহৰ প্ৰকৃত উন্নয়নৰ পৰিবেশ ৰচিত হব।

কিন্তু তাৰ বাবে এতিয়াৰ পৰাই আহোম গাওঁ বিলাকত উন্নত আৰু intensive কৃষিৰ বাবে আগ্ৰহ আৰু ধৈৰ্য্য জগাই তুলিব লাগিব, জীৱন যাত্ৰাৰ মান উন্নত কৰিবলৈ হাবিয়াস সৃষ্টি কৰিব লাগিব। প্ৰত্যক্ষ যোগাযোগ, শিক্ষা আৰু কিতাপ পত্ৰৰ জৰিয়তে উন্নত জাতিৰ পৰা নিশিকিলে আহোম সকলে সেই আগ্ৰহ আৰু উদ্যম অকলে আয়ত্ত কৰিব নোৱাৰিব। আৰু এইয়ে বিচ্ছিন্নতাৰ বিপদ। সি আমাক একাষৰীয়া কৰি শিক্ষাৰ সুযোগৰ পৰা বঞ্চিত কৰে। বিশ্বৰ কোনো সভ্য জাতি অকলশৰে সভ্য হোৱা নাই।



নিজৰ জাতিক ভাল পোৱা আহোম নেতাৰ বৰ্ত্তমান কাৰ্য্যপন্থা এনেকুৱাই হোৱা উচিত।

কোৱা বাহুল্য মই উল্লেখ কৰা কাৰ্য্যসূচী আহোমসকলে অকলে লব নোৱাৰিব। অসমৰ সকলো জনগোষ্ঠীয়ে গ্ৰহণ কৰিলেহে, আৰু বিশেষকৈ বৰ্ণ হিন্দুসকলে বুজিলেহে, কাৰ্য্যসূচীটো সফল হব। নতুবা অসমখন থানবান হব, কিন্তু অসমৰ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ অভাৱ আৰু দাৰিদ্ৰ হ্ৰাস নাপাব। সাংস্কৃতিক বিকাশো নহব। জাতীয় সংস্কৃতি ৰক্ষাৰ নামত কেৱল জনজাতীয় স্তৰৰ বিশ্বাস, আচাৰ আৰু মূল্যবোধ আঁকোৱালি লৈ থকাটো প্ৰগতিৰ পৰিপন্থী হব।

সেয়ে আহোম বিচ্ছিন্নতাবাদ কেৱল আহোম সকলে দূৰ কৰিব নোৱাৰে। বাকী চিন্তাশীল প্ৰগতিশীল অসমীয়া মানুহেও তাৰ দায়িত্ব নিজে গ্ৰহণ কৰি এক প্ৰগতিশীল গণতান্ত্ৰিক জাতীয় বিকাশৰ পথ গ্ৰহণ কৰিব লাগিব। 卐

"আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছোঁ, কিন্তু এখন পৃথিৱীত ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।"

— মাৰ্টিন লুথাৰ

## কলিজাত কবৰ খান্দি আত্মগোপন

—কমলচন্দ্ৰ শইকীয়া, প্ৰাক্তন ছাত্ৰ
প্ৰৱক্তা, ইংৰাজী বিভাগ
ড° বিঃ কেঃ বিঃ মহাবিদ্যালয়, পুৰণি গুদাম

.... the world does not end tonight
And the fruit that we shall pick
tomorrow
Await us, weighing the unstripped
bough.

—Tomlinson.

চাৰিওফালৰ পৰা আহি
পাখিলগা কাড়ত ওলমি
যুদ্ধবিধ্বস্ত শিলাময় খবৰ দুঃখবৰ
কবৰ খান্দি খান্দি সিহঁতে বিচাৰিছে মোৰ
উশাহকাতৰ কলিজাৰ ডাঁহেচীয়া উম

মাজনিশা
গাৰ নোম ডাল ডাল হোৱা তমসা
খোল বুলি কলেই নুখুলিবি দুৱাৰ
বুকুৰ মেঠনি আঁটি বান্ধিবি
হাতৰ মুঠিত দা.
সুধিবি কোন আহিছ এই মাজনিশা ?
ভোকে-লঘোণে যেতিয়া সাঁচিছ যৌৱন
ৰচিছ সপোন
পিশাঁচহঁতে দে বুলিলেই নিদিবি দুৱাৰ খুলি
বুকুৰ মেঠনি আঁটি বান্ধিবি

তোক পিছে জনাই থলো কথা এটা
বেজহৈ জাৰোতো জনহে ভিতৰি ৰোগীয়া
মধু বচন শুনিলেই খোপনি নেৰিবি
অতল বিশ্বাসত চকু মুদি
পৰুৱাই পোৱা মানুহৰ আসৈ নেমাতিবি

লুইতখনলৈকে চা
দুপাৰ খহাই খহাই নিস্প্ৰাণ স্ফীতোডৰা
বৰলুইত বুলিলে যাৰ তুলনা নাই
কালৰ কুটিল ফন্দিত
সিয়ো আজি কুটুম্বৰ তেজতে তৃষ্ণা পূৰায়

মানুহৰ পত্তলিত শুভ্ৰ সমাধি নিশ্চুপ
তোৰে মোৰে কলিজাত
হেজাৰ-বিজাৰ কৃষ্ণচূড়া ফুল

তথাপি কওঁ
প্ৰেম নহয় ভ্ৰম মিছা ওভাচালি
স্ফীতোডৰা তমসাইহে প্ৰসৰ কৰে পৃথিৱী
যদিওবা হতাশাত গধুৰ আনমনা মন
খামুচি ধৰিবি লঠঙা গছ
নাঙঠ শিপাইহে দিয়ে বতৰৰ সুমিষ্ট ফল। *

## মাইক বাজিলেই উছৱ হোৱা হলে

—কমলা বৰগোহাঁই

এতিয়া ইয়াত মাথোন
চৌদিশে উছৱৰ পয়োভৰ।
উছৱ মানেই
বহুৰঙী পোহৰৰ মেলা
( নিৰন্তৰ অন্ধকাৰৰ মাজত
কেৱল উছৱৰ বাবেহে
দুষ্প্ৰাপ্য ৰূপত আহে খন্তেকীয়া পোহৰ )
উছৱ মানেই
কেৱল বক্তৃতাৰ ফুলজাৰি
কেৱল তাৰেই সৈতে আলোকিত হয়
ফাইলত লুকাই থকা প্ৰগতিৰ খতিয়ান।
এৰা, কেৱল মাইক বাজিলেই উছৱ হোৱা
হলে......

## দুঃসময়

আজিকালি দিনকাল এনেকুৱাই—
ভঁৰাল গছকিবলৈ নোপোৱা লখিমীৰ কান্দোনত
দুৰু দুৰুকৈ কঁপি থাকে আঘোনৰ পথাৰ।
হাবিলৈ যোৱা ডেকাজাক
আজিও ঘূৰি নাহিল বাবেই
ৰণুৱা খোঁৰাই ওহিলং কৰি থৈ গ'ল
শইচ ভৰা পথাৰ।
দৈনিক লটাৰীয়ে আনিব খোজা
অনাগত ভাগ্যক ধিয়াই
দেশৰ ৰজা-প্ৰজা আটায়ে ব্যাকুল।
চিৰাল ফটা পথাৰতো
লুকাই আছে শইচৰ সঁচ
গজালি মেলিবলৈ নো আৰু কত পৰ ?

## প্ৰতীতি

—কবিতা গগৈ (চাবুকধৰা)
প্ৰাক্তন ছাত্ৰী
শিক্ষয়িত্ৰী, বি পি বি, সোণাৰি

মনৰ ভাববোৰ
শব্দৰ টুকুৰাহৈ
সৰি পৰিছে এটি এটি কৈ

শইচৰ পথাৰত দেখিছোঁ
বানে গৰকা শইচ
বেলি লহিওৱাৰ পৰত
মনৰ শিথিল দুৱাৰখন খুলি
দলিয়াই পেলালোঁ মোৰ মলিয়ণ পোছাক

শুনিছোঁ সিপাৰত
গান গোৱা চৰাইৰ কলকলনি
আৰু কাৰোবাৰ থুনুক-থানাক মাত
সেয়ে—
সিঁচি দিলো মই উকা পথাৰত
সূৰ্য্যকণাৰ দৰে এমুঠি বীজ
ফুলক
সুগন্ধি সুবাসেৰে
দুয়োপাৰ উপচি পৰক
আহক এজাক তুমুল বৰষুণ
আমোল মোলাই যোৱা মোৰ মনৰ চোতালত
লহ্ পহকৈ বাঢ়ক সূৰ্য্য কণাৰ শৰীৰ।

## কবি তোমালৈ

—ভাস্কৰ চাংমাই বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

কবি, মইতো ভৰা নাছিলোঁ,
ইমান মৰম নিৰস বুকুতোযে
থাকিব পাৰে
ইমান সুপ্ত হৃদয়েও যে
কথা ক'ব পাৰে
কবি, মইতো শুনা নাছিলোঁ,
ক'লা-ডাৱৰৰ লগত কৃষ্ণচূড়াৰ প্ৰেম
জনাতো নাছিলো ফাগুণতেই দিব পাৰা বুলি
বহাগৰ সুবাস

কবি, শব্দৰ যাদুকৰ তুমি,
শব্দৰেই বোৱাই দিয়া
বিশ্বপ্ৰেমৰ সোণালী নিজৰা
তোমাৰ প্ৰতিটো শব্দত
সন্নিবিষ্ট হওঁক তৰালি
পৃথিৱীলৈ বৈ আহক
চিৰদিন —চিৰকাল
শব্দৰ আমাজান মিছিছিপি
গংগা ব্ৰহ্মপুত্ৰ কাবেৰী ●

## সংকল্প

—গুণলতা শইকীয়া,
সোণাৰি

মোৰ ফুলনিৰ সূৰ্য্যমুখী ফুল জুপি
সযত্নে ৰাখিছিলোঁ ।
বুকুৰ মৰম আৰু আশাৰ ৰঙেৰে বোলাই
আপদীয়া বতাহ জাকে, ৰাতিৰ ভিতৰতে
ফুল কলিটি মুটুকাই থৈ গ'ল।
পুৱাই উঠি কলিটি নেদেখি
মোৰ হাঁহাকাৰ লাগিল।
জঁই পৰা কলিটি বুকুৰ মাজত সাৱটি
ললোঁ, দৃঢ়তাৰে— সংকল্প কৰিলোঁ
সূৰ্য্যমুখী ফুলপাহ ফুলাবই লাগিব।
বুকুৰ উমেৰে, দেহৰ ৰক্তেৰে। 卐

# চৰাইদেউ মহকুমাৰ অৰ্থনৈতিক প্ৰতিচ্ছবি

—দিলীপৰঞ্জন বৰুৱা, (প্ৰাক্তন ছাত্ৰ)
প্ৰবক্তা, সোণাৰি মহাবিদ্যালয়

শিৱসাগৰ জিলাৰ পূৱ প্ৰান্তত অৱস্থিত ৯৪°.৪৯'-৯৫°.২১ অক্ষাংশ আৰু ২৬°.৫৪'-২৭°.১৩' দ্ৰাঘিমাংশেৰে আবৃত অঞ্চলটোৱেই হ'ল চৰাইদেউ মহকুমা। অসমৰ এক লেখত লবলগীয়া আৰু ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ অঞ্চল। নৱ গঠিত শিৱসাগৰ মহকুমাৰ তিনিটা মহকুমা শিৱসাগৰ নাজিৰা আৰু চৰাইদেউৰ নামকৰণ তথা চিহ্নিতকৰণ হয় ১৯৮৩ চনত। ইয়াৰ পূৰ্বতে এই অঞ্চলটোক কিছু বিস্তৃত এলেকা সামৰি সোণাৰি মহকুমা বোলা হৈছিল। চৰাইদেউ মহকুমা হ'ল উত্তৰ-পূব ভাৰতৰ দুখন ৰাজ্যৰ সীমাত অৱস্থিত মহকুমা। এই মহকুমাৰ পূবত আছে অৰুণাচল প্ৰদেশ আৰু অসমৰ ডিব্ৰুগড় জিলাৰ একাংশ, পশ্চিমত আছে শিৱসাগৰ আৰু নাজিৰা মহকুমা, উত্তৰত আছে ডিব্ৰুগড় জিলা আৰু দক্ষিণত আছে নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশ। মহকুমাটোৰ মুঠ মাটিকালি হ'ল ৯৩৯.০৬ বৰ্গ কিলোমিটাৰ ; ইয়াৰে ৯২৯.৪৬ বৰ্গ কিলোমিটাৰেই হ'ল গ্ৰাম্য এলেকা। নগৰীয়া এলেকাৰ পৰিমাণ হ'ল মাত্ৰ ৯.৬০ বৰ্গ কিলোমিটাৰ।

১৯৯১ চনৰ লোকপিয়ল অনুসৰি অঞ্চলটোৰ মুঠ জনসংখ্যা হল ৩, ৪৯, ৬৫৫ জন ; ইয়াৰে ১, ৮৪, ০৯৩ জন হ'ল পুৰুষ আৰু ১. ৬৫. ৫৬২ গৰাকী হ'ল মহিলা। মুঠ জনসংখ্যাৰ ৩,৩৩,২৭০ জনেই গাওঁ অঞ্চলত বসবাস কৰে। জনসংখ্যাৰ ঘনত্বৰ দিশেৰে চালে দেখা যায় যে গাওঁ অঞ্চলৰ ঘনত্ব হ'ল প্ৰতি বৰ্গ কিলোমিটাৰত ৩৫৯ জন আৰু নগৰ অঞ্চলৰ ঘনত্ব হ'ল ১৭০৭ জন। অঞ্চলটোত থকা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকৰ সংখ্যা হ'ল ক্ৰমে ৫৩৫৯ জন আৰু ৮৮১৪ জন। জনবিতৰণৰ দিশেৰে লক্ষ্য কৰিলে কব পাৰি যে এই অঞ্চলটো মূলতঃ গ্ৰাম্য কেন্দ্ৰীক। গতিকে মহকুমাটোৰ অৰ্থনৈতিক অৱস্থা ইয়াৰ গ্ৰাম্য অৰ্থনীতিৰ ওপৰতে প্ৰধানকৈ নিৰ্ভৰশীল।

এটা অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ লগত অঞ্চলটোৰ জনসাধাৰণৰ শিক্ষা প্ৰশিক্ষণ আদি উপাদানৰ ওতঃপ্ৰোত সম্বন্ধ থাকে। শিক্ষাৰ দিশৰ পৰা চৰাইদেউ মহকুমা উৎসাহজনকভাৱে আগবঢ়া নহয় বুলি কলে বঢ়াই কোৱা নহব যেন

লাগে। কিয়নো ১৯৯১ চনৰ লোকপিয়লৰ পৰা দেখা যায় যে মুঠ জনসংখ্যাৰ ৪২·৫৫ শতাংশহে শিক্ষিত। ইয়াৰ বিপৰীতে একে সময়ত সমগ্ৰ অসমৰ শিক্ষিতৰ গড় হাৰ হ'ল ৫৫·৫৫ শতাংশ। মহকুমাটোত মুঠ শিক্ষিত লোকৰ সংখ্যা হ'ল ১,৪৮,৭৭৯ জন। ইয়াৰ ৯২,০৩৪ জন হ'ল পুৰুষ আৰু ৫৬,৭৪৫ গৰাকী মহিলা। শিক্ষা গ্ৰহণৰ বাবে অঞ্চলটোত ১৯৯৪ চনৰ প্ৰাপ্ত তথ্যমতে ৪৯৫ খন প্ৰাথমিক আৰু নিম্নবুনিয়াদী বিদ্যালয়, ৯০ খন মাধ্যমিক আৰু বুনিয়াদী বিদ্যালয় আৰু ৩৬ খন উচ্চ মাধ্যমিক বিদ্যালয় আছে। সেই অনুপাতে উচ্চ শিক্ষাৰ অনুষ্ঠানৰ সংখ্যা যথেষ্ট তাকৰ। অৱশ্যে শেহতীয়াভাবে কেইবাখনো উচ্চ মাধ্যমিক বিদ্যালয় উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ উন্নীত কৰাত ১৯৯৪ চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা ১৩ খন হয়গৈ। মহাবিদ্যালয় পৰ্য্যায়ৰ শিক্ষাৰ সুবিধা অঞ্চলটোত তেনেই নগণ্য। সমগ্ৰ মহকুমাটোত 'সোণাৰি মহাবিদ্যালয়' খনেই হ'ল একমাত্ৰ পূৰ্ণপৰ্য্যায়ৰ মহাবিদ্যালয়। ১৯৭০ চনত কেৱল কলা শাখাৰে গঢ়ি উঠা এই মহাবিদ্যালয়খনিত ১৯৮৪ চনত বিজ্ঞান শাখাৰ প্ৰৱৰ্ত্তন কৰা হয়। নানান আলৈ আহুকালৰ মাজেৰে এই মহাবিদ্যালয় খনিয়ে ১৯৯৫ চনত ইয়াৰ ২৫ বছৰ পূৰ্ণ কৰিছে। ইয়াৰ বাহিৰেও আশীৰ দশকৰ শেষৰ পৰা মহকুমাটোত আন দুই তিনিখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছে যদিও এইবিলাক একেবাৰে চালুকীয়া অৱস্থাত। বাণিজ্য শিক্ষাৰ সুবিধাও অঞ্চলটোত তেনেই সীমিত। মাত্ৰ আজি ৩ বছৰ মান পূৰ্বতে 'সোণাৰি বাণিজ্য মহাবিদ্যালয়' স্থাপিত হৈছে। এই মহাবিদ্যালয়খন পূৰ্ণপৰ্য্যায়লৈ উন্নীত নোহোৱালৈকে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে বাণিজ্য শিক্ষাৰ বাবে অঞ্চলটোৰ বাহিৰলৈ ঢাপলি মেলিব লগা হব। বৃত্তিগত প্ৰশিক্ষণৰ ক্ষেত্ৰত সোণাৰিৰ সমীপত এটা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ আছে। ইয়াৰ বাহিৰে আন বৃত্তিগত প্ৰতিষ্ঠান বুলি কলে কেইখনমান সৰু সৰু টাইপলেখন আৰু চিলাই প্ৰশিক্ষণৰ অনুষ্ঠান দেখা যায়।

চৰাইদেউ মহকুমাত পূৰ্ণতাপ্ৰাপ্ত অসামৰিক চিকিৎসালয় বৰ্ত্তমানলৈকে হৈ উঠা নাই। সোণাৰিৰ সমীপত ৰজাপুখুৰীত ১০০ খন বিছনাযুক্ত এখন অসামৰিক চিকিৎসালয় নিৰ্মিয়মান অৱস্থাত আছে। অত্যাধুনিক চিকিৎসা সা-সুবিধা আৰু দক্ষ চিকিৎসকৰ নিযুক্তিৰে এই চিকিৎসালয়খনি মুকলি কৰিব পাৰিলেহে অঞ্চলটোৰ জনসাধাৰণ প্ৰকৃতাৰ্থত উপকৃত হব। ১৯৯৪ চনৰ পৰিসংখ্যা অনুযায়ী সমগ্ৰ মহকুমাটোত স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ দিশত কমিনিউটি স্বাস্থ্য কেন্দ্ৰ ( Comunity Health Centre ) ১ খন, প্ৰাথমিক আৰু ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰ ( Primary and Mini Health Centre ) ৮ খন, ৰাজ্যিক ডিচপেন্সেৰী ১ খন, আনুসঙ্গিক স্বাস্থ্যকেন্দ্ৰ ( Subsidiary Health Centre ) ১ খন আৰু শাখা কেন্দ্ৰ ( Sub-centre ) ৬৪ খন আছে। এই স্বাস্থ্যকেন্দ্ৰসমূহ অঞ্চলটোৰ জনসংখ্যা আৰু এলেকাৰ দিশেৰে যথেষ্ট হোৱা নাই। তদুপৰি যিকেইখন স্বাস্থ্যকেন্দ্ৰ আছে সেইকেইখনতে উপযুক্ত পৰিমানৰ ডাক্তৰ, নাৰ্চ, বিছনা, ঔষধ আদিৰ অভাৱ।

পৰিবহন আৰু যোগাযোগৰ ক্ষেত্ৰত মহকুমাটোৰ অৱস্থা সন্তোষজনক নহয়। মহকুমাটোৰ অন্তৰ্গত কোনো ৰাষ্ট্ৰীয় ঘাই পথ নাই। ১৯৯৪ চনৰ প্ৰাপ্ত তথ্যমতে অনান্য PWD পথৰ ভিতৰত পকা ( Black Topped ) পথৰ দৈৰ্ঘ্য হ'ল কেৱল ১০৫ কিলোমিটাৰ। আনহাতে, শিলদিয়া ( Gravelled ) পথ দৈৰ্ঘ্য হ'ল ৪৮৫·৬৬ কিলোমিটাৰ। মহকুমাটোত ইতিহাস প্ৰসিদ্ধ কেইবাটাও গুৰুত্বপূৰ্ণ পথ আছে যদিও এইবিলাকৰ অৱস্থা অতিশয় দুখলগা। গোলাঘাট জিলাৰ কমাৰগাঁওৰ পৰা ডিব্ৰুগড় জিলাৰ জয়পুৰলৈকে বিস্তৃত হৈ থকা ৪২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঐতিহাসিক ধোদৰ আলিৰ প্ৰায় ৭০ কিলোমিটাৰ এই মহকুমাৰ মাজেৰে পাৰ হৈ গৈছে। এই পথটোৱেই হ'ল অসমৰ বাকী অংশৰ লগত সংযোগ কৰা একমাত্ৰ মূল পথ। প্ৰায় জৰাজীৰ্ণ অৱস্থাত পতিত হোৱা এই পথটো উত্তৰ পূব পৰিষদৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথৰ সমপৰ্য্যায়ৰ হিচাপে গঢ়ি তোলাৰ আঁচনি গ্ৰহণ কৰা হয়। কিন্তু এই আঁচনিৰ ৰূপায়ণ অতিশয় লেহেম গতিত হোৱা দেখা গৈছে। ৰাজ্যিক গড়কাপ্তানী বিভাগৰ নিয়মীয়া মেৰামতিৰ অভাৱো এই ক্ষেত্ৰত মন কৰিব লগীয়া। ফলস্বৰূপে, মহকুমাটোৰ অন্তৰ্গত এই পথছোৱাৰে খৰটকীয়া আৰু উপযোগী পৰিবহনৰ সুবিধা হৈ উঠা নাই। উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া আদি জিলাৰ লগত এই পথৰ সংযোগ স্থলত থকা দিল্লী পকীদলংখন বৰ্ত্তমান পৰিবহনৰ এক ডাঙৰ অন্তৰায় হৈ পৰিছে। উক্ত দলংখনৰ একাংশ তললৈ বহি যোৱাৰ বাবে প্ৰায় এবছৰৰো অধিক কাল পোনপটীয়া যানবাহনৰ চলাচলৰ বাবে বন্ধ আছিল। যথেষ্ট টকা ব্যয় কৰি এবছৰ মান পূৰ্বত এই দলঙৰ মেৰামতি কৰা হ'ল যদিও পুনৰ আগৰ বহি যোৱা অংশ অধিক বহি গৈ যোগাযোগ বিচ্ছিন্ন হৈ আছে। অঞ্চলটোৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই দলঙৰ পুনৰ নিৰ্ম্মাণৰ বাবে চৰকাৰে সোনকালে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। ধোদৰ আলিৰ পৰা ফাটি গৈ ডিব্ৰুগড় জিলাক সংযোগ কৰা অঞ্চলটোৰ আন কেইটামান পথৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। সোণাৰিৰ পৰা ভজো, কাকতীবাৰী হৈ ডিব্ৰুগড় জিলাক সংযোগ কৰা পথটো সম্পূৰ্ণৰূপে পকী নহয়। সোণাৰিৰ পৰা ডিব্ৰুগড়লৈ যথেষ্ট চমু হোৱা এই পথৰ একাংশ বাৰিষা কালত যানবাহন চলাচলৰ বাবে একেবাৰে অনুপযোগী হৈ পৰে। চৰাইদেউ মহকুমাৰ সাপেখাতী সমীপৰ অৰুণাচল সীমান্তৰ কানুবাৰীৰ পৰা ডিব্ৰুগড় জিলাৰ পিঠাগুটি সংযুক্ত সাপেখাতী-পিঠাগুটি পথটো যাতায়াতৰ বাবে এক গুৰুত্বপূৰ্ণ পথ। এই পথৰ মাজত দিচাং নদীৰ ওপৰত বহু প্ৰচেষ্টাৰ ফলত এখন পকী দলং নিৰ্মিত হ'ল। এই পথেৰে ডিব্ৰুগড়ৰ লগত দূৰত্ব যথেষ্ট হ্ৰাস পায়। এই পথৰ সাপেখাতীৰ পৰা ডিব্ৰুগড় জিলাৰ ৰাজগড়লৈ প্ৰায় ১৫/২০ কিলোমিটাৰ অংশ অতিশয় বেয়া। দিল্লী পকীদলং ভাগি যোৱাৰ ফলত এই পথছোৱাৰ উন্নীতকৰণ মহকুমাটোৰ যাতায়াতৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। এই মহকুমাটোক ডিব্ৰুগড় জিলাৰ লগত সংযোগ কৰা অভয়পুৰ-চক্ৰাই-চেপন, ডিপলিং-ৰাঙলী, কাকতীবাৰী-ৰাজগড় আদি দিশত আন তিনিটা পথ আছে। এই পথ কেইটাও যানবাহনৰ চলাচলৰ বাবে বিশেষ উপযোগী নহয়। মহকুমাটোৰ অন্তৰ্গত আন

আন ভিতৰুৱা ৰাস্তাসমূহৰ অৱস্থাও সন্তোষজনক নহয়। এই পথসমূহ অধিকাংশই কেঁচা আৰু শিলদিয়া। অঞ্চলটোত থকা আন এটি ঐতিহাসিক পথ হ'ল 'নাহৰ আলি'। গড়গাওঁৰ সমীপৰ পৰা শিলাকুটি, অভয়পুৰ, ভজো, মিৰিপথাৰ, চেচাসত্ৰ, ৰহণ, সাপেখাতী, আটালপথাৰ বৰহাট আদিক চুই অৰুণাচল প্ৰদেশৰ মহবলৈ বিস্তৃত হোৱা এই আলিক সোণাৰিৰ পৰা বৰহাটলৈ এক বিকল্প পথ হিচাপে গণ্য কৰিব পাৰি। বৰহাট অঞ্চলৰ ওচৰত এই আলিৰ কোনো কোনো অংশ ভগ্ন। আনহাতে ৰহণ হুমুখীয়াৰ পৰা চেচাসত্ৰলৈ এই আলিৰ একাংশ দিচাং নদীৰ গড়াখহনীয়াত পৰিল। তদুপৰি উক্ত স্থানত থকা এখন কাঠৰ দলং আজি প্ৰায় ১০ বছৰ পূৰ্বতে ভাগিল যি খনৰ পুনৰ নিৰ্ম্মাণ অদ্যপৰিমিত নহ'ল। ফলস্বৰূপে, উক্ত পথেদি যানবাহনৰ চলাচল বন্ধ হ'ল। দিচাং নদীৰ পৰা কিছু আঁতৰত এই পথছোৱাৰ পুনৰ নিৰ্মাণৰ ব্যৱস্থা ললে এই অঞ্চলৰ যথেষ্ট সংখ্যক লোকে যাতায়াতৰ ক্ষেত্ৰত সকাহ পাব। মহকুমাটোৰ জনসাধাৰণে ব্যৱহাৰ কৰা বহুতো খাদ্য দ্ৰব্য, কাপোৰ কিতাপ, লোহা-লক্কৰ জাতীয় সামগ্ৰী বন্ধন গেচ আদি ডিব্ৰুগড়, তিনিচুকীয়া, ডুলীয়াজান আদিৰ পৰা অনা হয়। পথ পৰিবহনৰ অসুবিধাৰ ফলত এই অঞ্চলৰ জনসাধাৰণে ব্যৱহাৰ কৰা সামগ্ৰী মূল্য বৃদ্ধি পায়। অঞ্চলটোৰ মাজেৰে সাপেখাতী, সোণাৰি, নিমনাগড় আদিৰ পৰা অৰুণাচল তথা নাগালেণ্ডক সংযোগ কৰা কেইবাটাও পথ আছে। অৱশ্যে, এই কেইটাৰ আটাইকেউটা পকী পথ নহয়। অঞ্চলটোৰ মাজেৰে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ এটা মূল লাইন পাৰ হৈ গৈছে। এই ৰেলপথৰ দ্বাৰা সৰ্বসাধাৰণ লোক উপকৃত হৈছে ; কিন্তু ৰেল পথেদি চলাচল কৰা যাত্ৰীবাহী ৰেলসমূহৰ অনিয়মিত চলাচলৰ বাবে যাত্ৰীসকল সঘনে অসুবিধাত পৰিব লগা হয়। অৱশ্যে, এই পথছোৱা মিটাৰ গজৰ পৰা ব্ৰডগজলৈ উন্নীতকৰণৰ ব্যৱস্থা ৰেল-বিভাগে হাতত লৈছে। ১৯৯৬ চনৰ ভিতৰত ডিব্ৰুগড়লৈ এই সেৱা সম্প্ৰসাৰণ হব বুলি আশা কৰা হৈছে। এই সেৱা মুকলি হলে অঞ্চলটোৰ জনসাধাৰণে দ্ৰুতগামী ৰেল পৰিবহণৰ দ্বাৰা উপকৃত হ'ব পাৰিব।

চৰাইদেউ মহকুমা মূলতঃ কৃষিপ্ৰধান। অঞ্চলটোৰ অধিকাংশ লোকেই গাওঁ অঞ্চলত বাস কৰে আৰু গাওঁ অঞ্চলৰ সৰহসংখ্যক লোকৰ জীৱিকাৰ মূল অৱলম্বন হ'ল কৃষি। অঞ্চলটোত উৎপাদন কৰা কেইটামান মূল শস্যৰ ভিতৰত আছে ধান, ঘেহু, কুঁহিয়াৰ, সৰিয়হ, আলু, ৰবিশস্য আদি। ১৯৯৩-৯৪ চনত মহকুমাটোত শৰতকালিন ধানখেতি ৭৭৮ হেক্টৰ, শীতকালিন ধানখেতি ২৮, ৮৪৩ হেক্টৰ, ঘেহু ৭৫ হেক্টৰ, কুঁহিয়াৰ ১০ হেক্টৰ, সৰিয়হ ৯৭০ হেক্টৰ, আলু ২২৫ হেক্টৰ আৰু ৰবিশস্য ৩৫২ হেক্টৰ ভূমিত কৰা হৈছিল। ইয়াৰ পৰা বুজা যায় যে অঞ্চলটোৰ কৃষিকাৰ্য্য কৰা ভূমিৰ বেছি অংশতে ধানখেতি কৰা হয়। কৃষিকাৰ্য্যৰ ফলাফললৈ লক্ষ্য কৰিলে দেখা যায় যে ১৯৯৪-৯৫ চনত উপৰোক্ত প্ৰধান শস্য সমূহৰ ক্ষেত্ৰত চাউল ৪২,৮৬৮ টন, ঘেহু ৯৬ টন, গুৰ ৯ টন, সৰিয়হ ৭৩৮ টন, আলু ১,৭৪৭ টন আৰু ৰবিশস্য ২০১ টন উৎপাদন হৈছিল। গতিকে ক'ব



পাৰি যে অঞ্চলটোৰ শস্য উৎপাদনৰ গঠনৰ ক্ষেত্ৰতো চাউলৰ উৎপাদনেই সৰ্ব্বোচ্চ স্থান লাভ কৰিছে। অঞ্চলটোৰ কৃষিভূমি প্ৰায়বিলাক শস্যৰ বাবেই কমবেছি পৰিমাণে উপযুক্ত। ঘেহু, কুঁহিয়াৰ সৰিয়হ, ৰবিশস্য আদিৰ খেতি অধিক মাটিত বিস্তৃত কৰি যথেষ্ট পৰিমাণে উৎপাদন সৃষ্টি কৰিব পৰা থল এই অঞ্চলত নিহিত আছে। এই বিলাকৰ উপৰিও এই মহকুমাটোত যথেষ্ট পৰিমাণৰ তামোলৰ উৎপাদন হয়। অৱশ্যে, প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও অঞ্চলটোত পাণ, জালুক, হালধি, নাৰিকল, কল, জলকীয়া আদিৰ দৰে খেতি বিস্তৃতভাৱে কৰা নহয়। অঞ্চলটোৰ জনসাধাৰণৰ সৰহ অংশই কৃষিকাৰ্য্যত নিবদ্ধ যদিও উন্নত কলাকৌশলৰ প্ৰয়োগ, উন্নত বীজ, সাৰৰ প্ৰয়োগ, ব্যৱসায়িক উৎপাদনৰ মনোবৃত্তি আশানুৰূপ নহয়। কৃষিকাৰ্য্যৰ বাবে প্ৰয়োজনীয় জলসিঞ্চনৰ সা-সুবিধা অঞ্চলটোত একেবাৰে সীমিত। সাপেখাতী আৰু দিচাংপানীত উত্তোলন জলসিঞ্চনৰ দুখন আঁচনি গ্ৰহণ কৰা হয় ; কিন্তু এই দুখন আঁচনিৰ কৃষক ৰাইজ বিশেষ সুফল পাইছে বুলি ক'ব নোৱাৰি। ১৯৭৮ চনতে স্থাপন কৰা সাপেখাতী উত্তোলন জলসিঞ্চন আঁচনিৰ পৰা সেই অঞ্চলৰ কৃষক ৰাইজ উপকৃত হোৱাৰ বিপৰীতে ই চৰকাৰী বগাহাতীতহে পৰিণত হৈছে। জলসিঞ্চনৰ অসুবিধাৰ ফলত কৃষকসকলে বছৰত দুটা বা ততোধিক খেতি কৰাৰ ক্ষেত্ৰত অসুবিধা পায়। তদুপৰি, বাৰিষা বতৰত হোৱা বানপানীয়ে অঞ্চলটোৰ খেতিপথাৰৰ যথেষ্ট ক্ষতি সাধন কৰে।

চৰাইদেউ মহকুমা মীনপালনৰ ক্ষেত্ৰত এটা লাভজনক অঞ্চল। ১৯৯৪-৯৫ চনৰ পৰিসংখ্যা মতে এই মহকুমাত মীন পালনৰ বাবে ব্যৱহৃত মুঠ মাটিকালিৰ পৰিমাণ হ'ল ১০৮৬ হেক্টৰ। এই মহকুমাত পঞ্জীভুক্ত বিল ফীচাৰী নাই ; কিন্তু অপঞ্জীভুক্ত বিল ফীচাৰীৰ সংখ্যা হ'ল মুঠ ২৪ খন। অঞ্চলটোত থকা চৰকাৰী পুখুৰী ( ponds & Tanks ) ৰ সংখ্যা হ'ল ৫১ টা। ইয়াৰ বিপৰীতে ৮০২ টা ব্যক্তিগত পুখুৰী আছে। অঞ্চলটোৰ মাজেৰে দিচাং নদী প্ৰবাহিত হৈছে। এই নদীৰ ভালেমান সুঁতি মহকুমাটোৰ বিভিন্ন অংশইদি প্ৰবাহিত হৈছে। এই আটাইবিলাকে অঞ্চলটো এক সম্ভাৱনাপূৰ্ণ মীনপালনৰ ক্ষেত্ৰ হিচাপে পৰিগণিত কৰিছে। মীনপালনৰ ক্ষেত্ৰত ইমানবিলাক সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ থকা স্বত্বেও কিন্তু অঞ্চলটোৰ মাছৰ বজাৰখন আমদানীকৃত মাছেৰেহে ভৰি পৰিছে। ইয়াৰ মূলতে হ'ল মীনপালনৰ ক্ষেত্ৰত ৰাইজ তথা চৰকাৰ উভয়পক্ষই দেখুওৱাই অহা অনিহা। অঞ্চলটোত সৰু-ডাঙৰ ভালেসংখ্যক বিল আছে যদিও এই বিলাকৰ উপযুক্ত প্ৰতিপালন হোৱা নাই। উদাহৰণস্বৰূপে, সাপেখাতীৰ গাতে লাগি থকা দিচাংনদীৰ কাষত থকা দুখন বিলৰ কথা কব পাৰি। ইয়াৰে 'ভলক বিল' খনৰ দৈৰ্ঘ্য প্ৰায় ৪ কিলোমিটাৰ আৰু প্ৰস্থ প্ৰায় আধা কিলোমিটাৰ। একেদৰে ২ কিঃ মিঃ— ৢ কিঃ মিঃ দীঘ-প্ৰস্থৰ 'তিনিকোণীয়া বিল' নামৰ আন এখন বিল কাষতে আছে। এই দুয়োখন বিল গোটেই বছৰধৰি পানীমেটেকাৰে পৰিপূৰ্ণ হৈ থাকে। চৰকাৰে এই বিলসমূহ চাফাকৰি আৰু এইবিলাকৰ উপযুক্ত প্ৰতিপালন কৰি বৈজ্ঞানিক পদ্ধতিৰে মাছ পোহাৰ ব্যৱস্থা হাতত ললে মহকুমাটোৰ মাছৰ যোগান

যথেষ্ট বৃদ্ধি হব আৰু অঞ্চলটোৰ পৰা মাছ ৰপ্তানি কৰিব পৰা অৱস্থা আহিব। একেদৰে, নিবনুৱা যুৱক-যুৱতীসকলে ব্যৱসায়িক ভিত্তিত মীন পালনৰ প্ৰতি মন মেলিলে নিজ নিজ সংস্থাপনৰ উপৰিও মাছৰ যোগান বৃদ্ধিত প্ৰভূত বৰঙণি যোগাব পাৰিব।

চৰাইদেউ মহকুমাৰ অৰ্থনৈতিক মানচিত্ৰ খন সলনি কৰাৰ ক্ষেত্ৰত মহকুমাটোৰ ৰেচম শিল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। সমগ্ৰ মহকুমাটোতে এৰাগছ, চোম, সুনী আদিৰ খেতি কৰিব পৰা যায়। এই গছসমূহৰ অৱলম্বনত অসমৰ ঐতিহ্যপূৰ্ণ ৰেচম শিল্পৰ বিকাশ ঘটোৱাৰ যথেষ্ট স্থল অঞ্চলটোত আছে। বৰ্ত্তমান সময়লৈকে এই দিশত যিখিনি কৰা হৈছে তাক আশানুৰূপ বুলিব নোৱাৰি। ৰেচম শিল্পৰ ওপৰত ভিত্তি কৰি ভালেসংখ্যক গ্ৰাম্যলোকে জীৱন নিৰ্ব্বাহৰ এক অৱলম্বন লাভ কৰিছে। অৱশ্যে, এই ক্ষেত্ৰত নিয়োজিত উৎপাদকসকলে উৎপাদিত পলুসমূহ বিক্ৰি কৰি উপযুক্ত মূল্য নাপায়। তদুপৰি, মহকুমাটোৰ ৰেচম উৎপাদনক ৰেচম শিল্প আখ্যা দিয়াতকৈ ৰেচম খেতি বোলাহে উচিত হ'ব। কাৰণ, ইয়াত উৎপাদিত এৰী, মূগা আৰু পাট পলুসমূহৰ বৈজ্ঞানিক পদ্ধতিৰে প্ৰক্ৰিয়াকৰণ কৰি এৰী, মূগা আৰু পাটকাপোৰ তৈয়াৰ কৰা উদ্যোগ অঞ্চলটোত নাই। দুই-চাৰিজন উৎপাদকে ঘৰুৱাভাৱে সূতা তৈয়াৰ কৰি কাপোৰ উৎপাদন কৰে; কিন্তু এই বিলাকৰ উপযুক্ত মানদণ্ডৰ অভাৱত উৎপাদকে বহু কষ্টৰ বিনিময়ত সামান্য মূল্যহে লাভ কৰে। ১৯৯৪ চনৰ পৰিসংখ্যা মতে মহকুমাটোত ৰেচম গাওঁ হ'ল ২৩৪ খন। মহকুমাটোত চৰকাৰী ৰেচম ফাৰ্ম ৫ খন আছে। এই ফাৰ্মসমূহত গাওঁ অঞ্চলৰ বহুতো লোকে লেটা উৎপাদন কৰি চৰকাৰক বিক্ৰি কৰে। ১৯৯৪ চনত মহকুমাটোত এৰী, মূগা আৰু পাটপলুৰ উৎপাদন ক্ৰমে ৬২৭৫ কিঃ গ্ৰাঃ, ৪৯২১ কিঃ গ্ৰাঃ আৰু ৪১৯ কিঃ গ্ৰাঃ।

ঔদ্যোগিক দিশত এই অঞ্চলটো একেবাৰে পিচ পৰা। সমগ্ৰ মহকুমাটোত লাকোৱা তাপ-বিদ্যুৎ প্ৰকল্প আৰু চাহ উদ্যোগক বাদ দিলে বেচৰকাৰীখণ্ডত আন কোনো বৃহৎ উদ্যোগ দেখা পোৱা নাযায়। চাহ উদ্যোগৰ ক্ষেত্ৰত এই অঞ্চলটো যথেষ্ট আগবঢ়া। প্ৰাপ্ত তথ্যমতে মহকুমাটোত ৫৯ খন ডাঙৰ চাহবাগিছা আছে। ইয়াৰ অধিকাংশ বাগিছাৰ নিজা কাৰখানা আছে। ১৯৯২-৯৩ চনত এই বাগানসমূহৰ দখলত মুঠ ২৫, ৭২৯.৭ হেক্টৰ ভূমি আছিল আৰু তাৰ ১৩,৭১৭ হেক্টৰত চাহখেতি কৰা হৈছিল। এই একেবছৰতে বাগান সমূহৰ জৰিয়তে পোৱা মুঠ চাহৰ উৎপাদনৰ পৰিমাণ আছিল ২৯,৫৬৪ হেজাৰ কিলোগ্ৰাম। বৰ্ত্তমান অঞ্চলটোত ডাঙৰ চাহবাগানৰ সংখ্যা প্ৰায় একে আছে। এই বাগানসমূহত প্ৰায় ৯,০০০ লোকে কাম কৰি আছে। এই বাগান সমূহে বছৰি প্ৰায় ৭০ লাখ ঘন মিটাৰ গেচ আৰু প্ৰায় ২৩০০ কিলোৱাট বিদ্যুৎ শক্তিৰ ব্যৱহাৰ কৰে। এই বাগান সমূহৰ উপৰিও যোৱা কেইবছৰত অঞ্চলটোত ভালে সংখ্যক ক্ষুদ্ৰ চাহবাগিছা গঢ়ি উঠিছে। এই বাগিছাসমূহে বহুতো নিবনুৱা লোকৰ স্বনিয়োজনৰ সুবিধা সৃষ্টি কৰিছে। অঞ্চলটোত বিস্তৃত হৈ থকা এই চাহবাগান সমূহে ইয়াৰ আৰ্থ-সামাজিক বিকাশত কিছু পৰিমাণে হলেও বৰঙণি আগবঢ়োৱা পৰিলক্ষিত হৈছে। অঞ্চলটোত গঢ়ি উঠা বিভিন্ন শিক্ষা, সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানলৈ এই বাগিছাসমূহে যথেষ্ট আৰ্থিক বৰঙণি আগবঢ়োৱা দেখা যায়।

প্ৰাকৃতিক সম্পদৰ দিশেৰে লক্ষ্য কৰিলে কব পাৰি যে এই মহকুমাত তেনেধৰণৰ কোনো ধাতৱ সম্পদ পোৱা নাযায়। অঞ্চলটো খনিজ সম্পদৰ ক্ষেত্ৰত তুলনামূলক ভাৱে দুখীয়া। লাকোৱা তৈল ক্ষেত্ৰই হৈছে অঞ্চলটোৰ খনিজ তেলৰ মূল ক্ষেত্ৰ। তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ অধীনত এই তৈল ক্ষেত্ৰত খাৰুৱা তেল উৎপাদন কৰা হয়। ফলস্বৰূপে, এই অঞ্চলত এক তৈলনগৰী গঢ়ি উঠিছে আৰু ই যথেষ্ট সংখ্যক লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিছে। ডিব্ৰুগড় জিলাৰ জয়পুৰ কয়লাখনিৰ একাংশ চৰাইদেউ মহকুমাৰ অন্তৰ্গত হৈ আছে। এই কয়লাখনিতো বিশেষ প্ৰাকৃতিক কাৰণত উৎপাদন বন্ধ হোৱাৰ উপক্ৰম হোৱা বুলি জানিব পৰা গৈছে। বনজ সম্পদৰ দিশত অঞ্চলটো বিশেষ আগবঢ়া নহয়। অঞ্চলটোত থকা বনাঞ্চল সমূহৰ পৰিমাণ দুখজনকভাৱে হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে। কাঠৰ চোৰাং কাৰবাৰী আৰু বেদখলিৰ প্ৰকোপত বনাঞ্চলসমূহ ক্ৰমাৎ ধ্বংসৰ মুখলৈ আগবাঢ়িছে। এই ক্ষেত্ৰত চৰকাৰে প্ৰতিৰোধ মূলক ব্যৱস্থা গ্ৰহণ কৰিছে যদিও এনে কাৰবাৰ সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা হোৱা নাই। ১৯৯৩-৯৪ চনত সমগ্ৰ মহকুমাটোত থকা বনাঞ্চলৰ পৰিমাণ হ'ল ১১২.৬৬ বৰ্গ কিলোমিটাৰ। ইয়াৰোপৰি অঞ্চলটোত ৪.৮৮ বৰ্গ কিলোমিটাৰ এলেকাৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আছে। অঞ্চলটোৰ কেইটামান মূল বনাঞ্চল হ'ল— অভয়পুৰ সংৰক্ষিত বনাঞ্চল, দিৰাই সংৰক্ষিত বনাঞ্চল, বৰহাট সাপেখাতী সংৰক্ষিত বনাঞ্চল আৰু দিল্লী সংৰক্ষিত বনাঞ্চল।

অঞ্চলটোৰ ব্যৱসায়-বাণিজ্যৰ জগতখনত থলুৱা লোকৰ অংশ গ্ৰহণতকৈ বিহাৰ, ৰাজস্থান আদি অঞ্চলৰ লোকৰ আধিপত্য বেছি। অৱশ্যে, পলমকৈ হ'লেও এই দিশত থলুৱা লোকৰ আনুগত্য কিছু বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। কাষৰীয়া নাগালেণ্ড আৰু অৰুণাচলৰ লগত পোনপটীয়া সংযোগ থকাৰ বাবে অঞ্চলটোত দোকান, বজাৰ তথা ব্যৱসায়িক সম্প্ৰসাৰণৰ উৎসাহ বৃদ্ধি পোৱা দেখা যায়। তামোলৰ ব্যৱসায়ত অঞ্চলটো যথেষ্ট লাভজনক। এই অঞ্চলৰ পৰা বছৰি প্ৰায় ১,৩৫,০০০ পোণ তামোল ইম্ফল, ধুবুৰী আদি অঞ্চললৈ ৰপ্তানি হোৱা দেখা যায়। অৱশ্যে এই ৰপ্তানি নিয়মিত নহয়। তামোলৰ পাইকাৰী ব্যৱসায়তো থলুৱা লোকৰ অংশ গ্ৰহণ কম। মাছ, শাক-পাচলি আদিৰ ব্যৱসায়তো অঞ্চলটো যথেষ্ট লাভজনক।

বিদ্যুৎ শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত মাইবেলাত থকা লাকোৱা তাপ বিদ্যুৎ প্ৰকল্পৰ কথা উল্লেখ কৰিব পাৰি। এই প্ৰকল্পৰ বৰ্ত্তমান প্ৰতিষ্ঠাপিত ক্ষমতা হ'ল ১১০ কিলোৱাট। প্ৰাকৃতিক গেচৰ অভাৱত এই প্ৰকল্পই ৫০-৫৫ কিলোৱাটৰ ভিতৰতহে বিদ্যুৎ উৎপাদন কৰিব পাৰিছে। এই প্ৰকল্পৰ স্থাপনে যথেষ্ট সংখ্যক লোকৰ কৰ্মসংস্থাপনৰ পথ মুকলি কৰাৰ লগতে পৰোক্ষভাৱে অৰ্থনৈতিক উন্নয়নত সহায় কৰিছে। মহকুমাটোত

যোগদান ধৰা বিদ্যুতৰ একাংশ নামৰূপ তাপ বিদ্যুৎ প্ৰকল্প আৰু একাংশ লাকোৱা তাপবিদ্যুৎ প্ৰকল্পৰ পৰা পোৱা যায়। অঞ্চলটোৰ অধিকাংশ গাওঁলৈ বিদ্যুৎ সেৱাৰ সম্প্ৰসাৰণ ঘটিছে যদিও সঘন বিদ্যুৎ নাটনিয়ে জনসাধাৰণক অসুবিধাত পেলায়।

এটা অঞ্চলৰ উন্নয়নত বেংক বা আন বিত্তীয় অনুষ্ঠানৰ ভূমিকা অনস্বীকাৰ্য্য। ১৯৯৪ চনত অঞ্চলটোত থকা ব্যৱসায়িক বেংকৰ শাখা হ'ল মুঠ ৯টা। ইয়াৰে ৬ টা গাওঁ অঞ্চলত আৰু ৩টা নগৰ অঞ্চলত, আঞ্চলিক গ্ৰাম্য বেংকৰ শাখা হ'ল ৯টা। ইয়াৰ ৮ টাই গ্ৰাম্য অঞ্চলত স্থাপিত। সমবায় বেংকৰ শাখা হ'ল ২ টা। ইয়াৰে এটা গাওঁ অঞ্চলত। ইয়াৰোপৰি মহকুমাটোৰ নগৰ অঞ্চলত এটা মাটি-বন্ধকী বেংক আছে। সমবায় বেংকৰ কথা বাদ দিলে বাকী বেংক সমূহে অঞ্চলটোত ব্যৱসায়-বাণিজ্য আদিৰ সম্প্ৰসাৰণত যথেষ্ট অৰিহণা যোগাই আহিছে। অৱশ্যে, মহকুমাটোৰ মাটিকালি আৰু জনসংখ্যালৈ চাই এই বেংকবিলাকৰ অধিক শাখাৰ সম্প্ৰসাৰণ ঘটোৱা উচিত। মহকুমাটোত থকা সমবায় বেংকৰ ক্ষেত্ৰত শিৱসাগৰ জিলা কেন্দ্ৰীয় সমবায়বেংকৰ কথা উল্লেখ কৰিব পাৰি। এই বেংকৰ সোণাৰি শাখাই আজি প্ৰায় ৫ / ৬ বছৰ পূৰ্বলৈকে বহুতো লোকক দোকান, গাড়ী, মটৰ চাইকেল আদিৰ বাবে ঋণৰ যোগান ধৰিছিল। কিন্তু ঋণগ্ৰহণকাৰী সকলে ঋণ পৰিশোধ নকৰা আৰু বেংক পৰিচালনাত জড়িত লোকৰ অদক্ষতা আদিৰ বাবে মুৰকত এই বেংকে জমাকাৰীক তেওঁলোকৰ জমাধন ঘূৰাই দিবলৈও অসমৰ্থ হৈছে। সৰ্বসাধাৰণ লোকৰ বেংকটোৰ প্ৰতি আস্থা লোপ পাইছে। সমবায়ৰ আদৰ্শৰ প্ৰতি জনসাধাৰণৰ আস্থা পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে বেংকটো পুনৰ উজ্জীৱিত কৰাত বেংক কৰ্তৃপক্ষ তথা স্থানীয় প্ৰশাসনে প্ৰয়োজন হলে দৃঢ় আইনগত ব্যৱস্থা গ্ৰহণ কৰা উচিত। এই বেংক সাপেখাতীত স্থাপন কৰা শাখাটো জনসাধাৰণৰ আস্থাৰ অভাৱতে আৱস্তণীৰে পৰা প্ৰায় বন্ধ হৈ আছে। বেংক সেৱাৰ উপৰিও ইতিমধ্যে সোণাৰিত জীৱন বীমা নিগমৰ এটি কাৰ্য্যালয় স্থাপিত হৈছে। ই অঞ্চলটোৰ বীমা-সেৱাৰ সম্প্ৰসাৰণত যথেষ্ট ইন্ধন যোগাইছে।

সমগ্ৰ মহকুমাটোতে গ্ৰাম্য উন্নয়নৰ দিশত চৰকাৰে যথেষ্ট কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত মহকুমাত থকা খণ্ড উন্নয়ন কাৰ্য্যালয় আৰু গাওঁপঞ্চায়ত সমূহৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ ৰূপায়ন কৰা হৈছে। ১৯৯৪-৯৫ চনৰ তথ্যমতে মহকুমাটোত মুঠ ৪ টা উন্নয়ন খণ্ড আৰু ৩৮ খন গাওঁ পঞ্চায়ত আছে। উক্ত বছৰটোত অঞ্চলটোত গ্ৰহণ কৰা বিভিন্ন গ্ৰাম্য উন্নয়নৰ আঁচনিৰ সম্পৰ্কে এইখিনিতে এটি আভাস লব পাৰি। একীভূত গ্ৰাম্য উন্নয়ন আঁচনি ( IRDP ) ৰ অধীনত ২৩৪ টা আঁচনি গ্ৰহণৰ লক্ষ্যৰ বিপৰীতে ৬৫৫ টা আঁচনি গ্ৰহণ কৰা হয়। জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত মুঠ ০'২৪৩ লাখ মানৱদিন সৃষ্টিৰ লক্ষ্যৰ বিপৰীতে ১'৫৭৫ লাখ মানৱদিন সৃষ্টি কৰা হয়। TRYSEM আঁচনিৰ অধীনত ৭৩ জন প্ৰশিক্ষাৰ্থীক সুবিধা দিয়াৰ লক্ষ্য লোৱা হৈছিল আৰু ৭৭ জন প্ৰশিক্ষাৰ্থীক এনে সুবিধা প্ৰদান কৰা হয়। উক্ত বছৰটোত মহকুমাটোত ৮ টা



গোবৰ গেচ প্ৰকল্প স্থাপনৰ লক্ষ্য লোৱা হৈছিল। কিন্তু বাস্তৱক্ষেত্ৰত ১ টাহে এনে প্ৰকল্প স্থাপন কৰিব পৰা হ'ল। ১৯৯৪-৯৫ বছৰটোত চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে মুঠ ২৯ জন লোকলৈ স্বনিয়োজনৰ সুবিধা আগবঢ়োৱা হয়।

মহকুমাটোৰ গাতে লাগি আছে ঐতিহাসিক চৰাইদেউ মৈদাম। এই মৈদামৰ উপৰিও অঞ্চলটোত আন দুই এটা ৰজাদিনীয়া মৈদাম আছে। এই মহকুমাৰ পশ্চিম প্ৰান্তত থকা দিল্লীঘাটৰ প্ৰাকৃতিক দৃশ্য অতি মনোমোহা। তদুপৰি, অঞ্চলটোত কেইবাটাও ৰজাদিনীয়া পুখুৰী আছে। এই ঐতিহাসিক সম্পদ সমূহৰ উপযুক্ত সংৰক্ষণ কৰা প্ৰয়োজন। যথেষ্ট সংখ্যক চাহবাগিছাৰে পৰিপূৰ্ণ, দুখন ৰাজ্যৰ সীমান্তত থকা এই মহকুমাটোক পৰ্য্যটকৰ এক আকৰ্ষণস্থলী হিচাপে গঢ় দিব পৰাৰ স্থল নথকা নহয়।

চৰাইদেউ মহকুমাৰ অৰ্থ নৈতিক অৱস্থা বৰ্ত্তমানেও বৰ সন্তোষজনক বুলিব নোৱাৰি। অঞ্চলটোৰ যথেষ্ট সংখ্যক লোক এতিয়াও দৰিদ্ৰসীমা-ৰেখাৰ তলত। শিক্ষা, জনস্বাস্থ্য আদিৰ উপযুক্ত সা-সুবিধাৰ পৰা জনসাধাৰণ যথেষ্ট পৰিমাণে বঞ্চিত হৈ আছে। জলসিঞ্চনৰ অভাৱ, বিশুদ্ধ খোৱাপানীৰ অভাৱ, বাট-পথৰ অসুবিধা, যানবাহনৰ অসুবিধা, বানপানীৰ সমস্যা আদি অঞ্চলটোত অহৰহ বিৰাজ কৰি থাকে। কৰ কাটলৰ জৰিয়তে চৰকাৰে এই অঞ্চলৰ পৰা যথেষ্ট ৰাজহ সংগ্ৰহ কৰে। কেৱল ভূমি ৰাজহৰ পৰাই যোৱা ১৯৯৪-৯৫ চনত অসম চৰকাৰে ৪৪৪'৪৬ হেজাৰ টকা লাভ কৰিছিল। চৰকাৰে ৰাজনৈতিক লাভালাভতকৈ জনহিতকৰ কামত অধিক মনোনিবেশ কৰিলেহে অঞ্চলটোৰ প্ৰকৃত বিকাশ হ'ব। ইয়াৰ লগতে জনসাধাৰণেও তেওঁলোকৰ মানসিকতাৰ পৰিবৰ্ত্তন কৰা প্ৰয়োজন। স্থানীয় যুৱক-যুৱতী সকলৰ মাজত সহজ ধন অৰ্জন কৰা আৰু চাকৰীমুখী মনোভাৱ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ব্যৱসায়িক মনোবৃত্তি, বৈজ্ঞানিক চিন্তাধাৰা, নতুন কলা-কৌশলৰ শিক্ষা-প্ৰশিক্ষণ আদিৰ প্ৰতি আগ্ৰহী হৈ অঞ্চলটোক স্বনিৰ্ভৰশীল আৰু ৰপ্তানীমুখী কৰি গঢ়ি তুলিব পৰা যায়।



( বিঃ দ্ৰঃ— প্ৰবন্ধটো যুগুত কৰোতে মহকুমা পৰিসংখ্যা বিষয়াৰ কাৰ্য্যালয়ৰ পৰা পৰিসংখ্যা সমূহ সংগ্ৰহ কৰা হৈছে। )

# সোণাৰি মহাবিদ্যালয় —এটি বিৱৰণ

—গোলাপ বৰগোহাঁই
অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়

১৯৭০ চনৰ ৫ আগষ্ট। ৯৬ জন ছাত্ৰ-ছাত্ৰীৰে ৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী, এজন কাৰ্য্যালয় সহায়ক আৰু এজন ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক লৈ পুৰণি জিম্‌খানা ক্লাব ঘৰত আৰম্ভ কৰা হ'ল সোণাৰি মহাবিদ্যালয়। ৩০/৪০ মাইল পথ বাট-কুৰি বাই গৈ সমীপস্থ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিব লগা সোণাৰি অঞ্চলৰ ৰাইজৰ বাবে ই কম আনন্দৰ কথা নহয়।

সোণাৰিত এখন মহাবিদ্যালয়ৰ আৱশ্যকতাৰ কথা বিভিন্ন সভা সমিতিত চেগা-চোৰোকাকৈ চলাই থকা হৈছিল যদিও, এই দিশত নিৰ্দ্দিষ্ট এটি পদক্ষেপ দিয়া হ'ল ১৯৬৯ চনৰ ১৬ আগষ্ট তাৰিখে। সেইদিনা সোণাৰিত এখন মহাবিদ্যালয় খোলা সম্পৰ্কে আলোচনা কৰিবলৈ সৰ্ব্বশ্ৰী প্ৰণৱিৰাম বৰুৱা, ডিম্বেশ্বৰ গগৈ, কনক বৰুৱা, শান্তালাল আগৰৱালা আৰু আফ্‌তাবুল হুচেইনৰ আহ্বান ক্ৰমে সাপেখাটি হাইস্কুলৰ তৎকালীন প্ৰধান শিক্ষক শ্ৰীসুকুমাৰ বৰুৱাৰ সভাপতিত্বত সোণাৰি নগৰ প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা বহে। এই সভাই ১৯৭০ চনতে সোণাৰিত এখন মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৭৫ জন সদস্যৰে এখনি প্ৰস্তুতি সমিতি গঠন কৰি দিয়ে (পৰিশিষ্ট—১)। এই প্ৰস্তুতি সমিতিয়ে ৩১ আগষ্ট তাৰিখে বহা প্ৰথমখন বৈঠকতে ৩৩ জন সদস্যৰে এখন কাৰ্য্যকৰী সমিতি গঠন কৰি (পৰিশিষ্ট—২) পুঁজি সংগ্ৰহৰ বাবে যাৱতীয় ব্যৱস্থা লোৱাৰ দিহা কৰে। কাৰ্য্যকৰী সমিতিয়ে পুঁজি সংগ্ৰহৰ লগে লগে বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ আৰম্ভ কৰি ১৯৭০ চনৰ জানুৱাৰী মাহৰ কুৰি তাৰিখে মহাবিদ্যালয় খোলাৰ অনুমতি বিচাৰি নিৰ্দ্দিষ্ট মাচুলসহ আবেদন পত্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দাখিল কৰে।

নগৰৰ মাজমজিয়াত চৰকাৰে টীয়ক বাগানৰ পৰা ১৯৬১ চনতে কিনিথোৱা পুৰণা জিম্‌খানা ক্লাব ঘৰটো সেইসময়ত পৰিত্যক্ত অৱস্থাত আছিল। কাৰ্য্যকৰী সমিতিয়ে চৰকাৰৰ ওচৰত প্ৰস্তাৱিত মহাবিদ্যালয়খন এই ঘৰটোতে আৰম্ভ কৰিবলৈ অনুমতি বিচাৰি আবেদন জনায়। অসম চৰকাৰে চিঠি নং আৰ. এল. এ. ৩৩০ / ৬৬ / ৯৭ তাং ১১/৪/৭০ যোগে প্ৰস্তুতি সমিতিক এবছৰৰ বাবে ঘৰটো ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়ে। এই বছৰৰ ম্যাদ ওকলি যোৱাৰ পাছত প্ৰথমে ৩ বছৰৰ বাবে আৰু শেষত ঘৰটোসহ ১৫ বিঘা মাটি চিঠি নং জি, এ, জি, ১২৪ / ৬২ / ১১৭-(ক) তাং ৯ /৮/ ৭৬ যোগে মহাবিদ্যালয়ত স্থায়ীভাৱে আৱণ্টন দিয়ে। এই ঘৰটোৱে সোণাৰিবাসী ৰাইজক মহাবিদ্যালয়খন আৰম্ভ কৰাত প্ৰচুৰ সকাহ দিয়ে আৰু উদ্যোক্তাসকলৰ মনত আত্ম-বিশ্বাস বঢ়ায়।

গতিশীলতা বৃদ্ধি কৰিবৰ উদ্দেশ্যে ৩১/৫/৭০ তাৰিখে বহা কাৰ্য্যকৰী সমিতিয়ে এই সমিতিখন পুনৰ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ১৪/৬/৭০ তাৰিখে এখনি ৰাজহুৱা সভা আহ্বান কৰে। ৰাজহুৱা সভাই পূৰ্ব্বৰ সমিতিখন ভঙ্গ কৰি ১৫ জন সদস্যৰে এখনি তদৰ্থ সমিতি গঠন কৰি দিয়ে। (পৰিশিষ্ট — ৩)

মহাবিদ্যালয়ৰ দৰে এটি অনুষ্ঠান আৰম্ভ কৰা কিছু সহজ যেন লাগিলেও চলাই যোৱা অতি কঠিন কাম। ইয়াক আৰম্ভ কৰিবলৈ গৈ প্ৰথম সমস্যা হ'ল শিক্ষক শিক্ষয়িত্ৰীৰ। বৰ্ত্তমানৰ উপাধ্যক্ষ শ্ৰীসুৰেশ দাস আৰু বৰ্ত্তমানৰ অসম চৰকাৰৰ বিত্তীয় নিগমৰ সঞ্চালক শ্ৰীপ্ৰণৱ কুমাৰ খাউণ্ড আছিল স্থানীয় ভগৱতী প্ৰসাদ বৰুৱা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষক। তেখেতসকলক অনা হ'ল ক্ৰমে ৰাজনীতি বিজ্ঞান আৰু ইতিহাস পঢ়াবলৈ। ধেমাজী দিচাং পানী হাইস্কুলৰ পৰা শ্ৰীৰবীন কোঁৱৰক অনা হ'ল ইংৰাজী পঢ়াবৰ বাবে। স্থানীয় চাহ মজদুৰ সংঘৰ তৎকালীন কৰ্ম্মচাৰী শ্ৰীৰামেশ্বৰ ধানোৱাৰে আনিলে বৰ্ত্তমানৰ মন্ত্ৰী শ্ৰীদিলেশ্বৰ তাঁতীক অৰ্থ-



নীতি পঢ়াবলৈ। যুটীয়া সম্পাদক শ্ৰীকনক বৰুৱাই আনিলে শ্ৰীসোনমাই বৰাক অসমীয়া পঢ়াবৰ বাবে। শিক্ষা বিষয়টোৰ বাবে বিভিন্ন ধৰণে যোগাযোগ কৰি ৰহাৰ পৰা অনা হ'ল শ্ৰীকমলাৰতী শইকীয়াক। চাকৰি বাদ দি ঘৰতে বহি থকা শ্ৰীবিষ্ণু বসুমতাৰী আৰু শ্ৰীফণী দত্তক নিয়োজিত কৰা হ'ল ক্ৰমে কাৰ্য্যালয় সহায়ক আৰু পিয়ন হিচাবে। অসমীয়া বিষয়ৰ ক্ষেত্ৰত অসুবিধাই দেখা দিয়াত কিছুদিনৰ পাছত সহায় কৰিবলৈ অনা হ'ল তেতিয়াৰ ভজোৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰৱক্তা শ্ৰীগদাধৰ চুতীয়াক। এই প্ৰতিবেদক আছিলো তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ইতিহাসৰ প্ৰৱক্তা হৈ। শ্ৰীকনক বৰুৱা, শ্ৰীডিম্বেশ্বৰ গগৈ, মঃ আল্‌তাৱ হুছেইন আদিৰ কথা এৰাব নোৱাৰি আহিলো সোণাৰিত মহাবিদ্যালয় পাতিবলৈ, এইয়ে আৰম্ভ।

পুঁজি সংগ্ৰহৰ সমস্যা সবাটোকৈ কঠিন। বিশ্ববিদ্যালয়ৰ পৰা কলেজ খোলাৰ অনুমতি পাবলৈ হলে তেতিয়াৰ দিনত কমেও ১৫,০০০ ০০ টকাৰ এটা স্থায়ী পুঁজি থাকিব লাগে। তদুপৰি দৈনন্দিন খৰছ, নামমাত্ৰ যদিও কৰ্ম্মচাৰীৰ পাৰিতোষিক ইত্যাদি আছেই। পুঁজিসংগ্ৰহৰ অভিযান ব্যাপকভাৱে চলাই স্থায়ী পুঁজিৰ ১৫ হেজাৰ টকা ১৯/৬/৭০ তাৰিখে জমা কৰা হয়। বাকী পাৰিতোষিক আদিৰ বাবে বিভিন্ন পন্থা অৱলম্বন কৰা হৈছিল। সোণাৰি নগৰৰ ভালেকেইগৰাকী ব্যক্তিয়ে প্ৰতিমাহে নিৰ্দিষ্ট হাৰত একোটা বৰঙণী আগবঢ়াইছিল। (পৰিশিষ্ট – ৪)। ১৯৭১ চনত সোণাৰিৰ সমবায় বিষয়া শ্ৰীমানিক বড়াৰ সহযোগত ধানৰ ব্যৱসায় কৰি প্ৰায় ৩

হাজাৰ টকা লাভ হৈছিল। ১৯৭১ চনৰ শেষৰ ফালে ধান চপোৱাৰ দিনত ঔগুৰি শ্যাম গাওঁ, লুখুৰাখন, টিয়কহাবি, সৰুপথাৰ, জলাহ, মাহমৰা আদি অঞ্চলত পথাৰৰ পৰা ডাঙৰি সংগ্ৰহ কৰি আনি বিক্ৰী কৰি প্ৰায় ৯ হেজাৰ টকা পোৱা গৈছিল।

সেইখিনি সময়ত সোণাৰিত চলচ্চিত্ৰ গৃহ বা অন্য কোনো আমোদ প্ৰমোদৰ ব্যৱস্থা নাছিল। তদৰ্থ সমিতিয়ে তাৰে সুবিধা লৈ প্ৰথমে নাজিৰাৰ প্ৰয়াত জান্‌টি আলি আৰু শেষত নামৰূপৰ শ্ৰীমুকুট দত্তৰ সহযোগত চিনেমা প্ৰদৰ্শন কৰি এটি নিয়মীয়া আয়ৰ ব্যৱস্থা কৰিছিল। তদুপৰি সোণাৰিত যিহেতুকে চাহ উদ্যোগ ব্যতিৰেকে অন্য কোনো উদ্যোগ নাই সেয়ে চাহবাগানৰ কৰ্ম্মকৰ্ত্তাসকলৰ ওচৰ চপাত প্ৰত্যেক বাগিছাই ১৯৭৩ চনৰ উৎপাদিত চাহৰ কিলোৱে প্ৰতি ১ পইছাকৈ বৰঙণি দিয়াৰ সিদ্ধান্ত কৰে। তাৰে প্ৰথম কিস্তি হিচাবে প্ৰায়বোৰ বাগানেই ৩ হাজাৰকৈ টকা দিয়ে। অৱশিষ্ট ধনখিনি অৱশ্যে পোৱা নহ'ল। চাহ মজদুৰ ভাই-ভনীসকলে প্ৰত্যেকেই ১ টকাকৈ দিয়াৰ যি সিদ্ধান্ত কৰিছিল সেই টকা কিন্তু প্ৰায়ে পোৱা হৈছিল।

চৰকাৰৰ সাহায্যৰ ক্ষেত্ৰত অনুদান হিচাবে প্ৰথমে ঘৰ সজাৰ বাবে ৮,০০০·০০ টকা আৰু ছোৱালী জিৰণি কোঠাৰ বাবে ৫,০০০·০০ টকা মুঠ ১৩০০০·০০ টকা ১৯৭২ চনৰ জুলাই মাহত পোৱা হয়। পুনৰ ১৯৭৩ চনৰ মাৰ্চ্চ মাহত ১০,০০০·০০ টকাৰ আন এটা অনুদান চৰকাৰৰ পৰা পোৱা হয় আৰু সেই মাৰ্চ্চ মাহৰ পৰাই মাহে এহেজাৰ টকাকৈ এটা পুনঃপৌণিক অনুদান চৰকাৰে মঞ্জুৰ কৰাৰ ফলত মহাবিদ্যালয়খন চলাই যোৱাত যথেষ্ট সকাহ পোৱা হয়।

এনেদৰেই বিভিন্ন অৰ্থ নৈতিক ঘাত-প্ৰতিঘাতৰ মাজেদি আগুৱাই গৈ বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীৰ বিশেষ তৎপৰতাৰ বাবে ১৯৭৭ চনৰ ১ জুলাই তাৰিখৰ পৰা সোণাৰি মহাবিদ্যালয়খনি ঘাটি-মঞ্জুৰী ব্যৱস্থাৰ অন্তৰ্ভুক্ত হয়।

প্ৰথমতে শ্ৰেণীসমূহ পুৱা আৰু গধূলি দুয়োটা খেপতে বহিছিল যদিও শিক্ষক তথা ছাত্ৰ-ছাত্ৰী সকলৰ কিছু অসুবিধা হোৱাৰ বাবে ইং ১/১০/৭০ তাৰিখৰ পৰা দিনতে লোৱাৰ ব্যৱস্থা কৰা হয়। সোণাৰি মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰ হোৱাৰ গৌৰৱ অৰ্জন কৰে শ্ৰীপ্ৰিয়তোষ চাংমাইয়ে আৰু দ্বিতীয় অথচ প্ৰথম ছাত্ৰীৰ গৌৰৱৰ অধিকাৰী হয় শ্ৰীখুচি প্ৰামানিক।

সৌভাগ্যৰ কথা যে মাত্ৰ এটা বছৰৰ বাবেহে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অনিয়মীয়াকৈ পৰীক্ষা দিব লগা হৈছিল। বিশ্ববিদ্যালয়ৰ দ্বাৰা আৰোপিত প্ৰায়বোৰ চৰ্ত্তকে পূৰণ কৰাৰ বাবে প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ ক্ষেত্ৰত ১৮/১১/৭১ তাৰিখৰ পৰাই বিশ্ববিদ্যালয়ৰ স্বীকৃতি পোৱা হয়। স্নাতক শ্ৰেণীৰ স্বীকৃতি পোৱা হয় ১/৫/৭৫ তাৰিখৰ পৰা। সেয়ে ১৯৭৩/৭৪ চনৰ পৰাই ছাত্ৰ-ছাত্ৰী সকলে নিজ শিক্ষানুষ্ঠানতে বিশ্ববিদ্যালয়ৰ ফাইনেল পৰীক্ষাসমূহ দিব পৰা হৈছিল। প্ৰথমে মেজৰ আৰম্ভ কৰা হৈছিল অৰ্থনীতি বিষয়ত। ক্ৰমাত শিক্ষা, অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিষয়ত আৰম্ভ কৰা হয় আৰু শেহতীয়াকৈ বুৰঞ্জী আৰু অঙ্ক শাস্ত্ৰতো মেজৰ আৰম্ভ কৰা হৈছে।



মহাবিদ্যালয় পৰিচালনা সমিতিৰ বিভিন্ন বৈঠকত সোণাৰি মহাবিদ্যালয়ত বিজ্ঞান শাখাটো আৰম্ভ কৰাৰ কথা আলোচনা হৈছিল যদিও বিশেষকৈ অৰ্থ নৈতিক দিশটোৰ প্ৰতি লক্ষ্য কৰি সাহস কৰিব পৰা নাছিল। উদ্যোগী ৰাইজৰ ফালৰ পৰাও বিভিন্ন সময়ত সোণাৰি মহাবিদ্যালয়ত বিজ্ঞান শাখাটো আৰম্ভ কৰাৰ পৰামৰ্শ আহিছিল। চাপৰিলে মেঘ নেৰাই বোলা প্ৰৱচনটোৰ কথা ভাৱি পৰিচালনা সমিতিয়ে ১৯৮৪/৮৫ শিক্ষাবৰ্ষৰ পৰা সোণাৰি মহাবিদ্যালয়ত বিজ্ঞান শাখাটো আৰম্ভ কৰে। আৰম্ভ কৰাৰ ক্ষেত্ৰত স্থানীয় ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক সৰ্ব্বশ্ৰী যতীন বৰগোহাঁই, প্ৰিন্স দত্ত, ভৰত বড়া, ভীৰ্থ গোস্বামী আৰু আলিম আহমেদৰ অৱদান স্মৰণীয়। তেখেত সকলৰ নিজ কৰ্ত্তব্যৰ উপৰিও প্ৰথম বছৰত মহাবিদ্যালয়ৰ শ্ৰেণীসমূহত পাঠদান নকৰাহেঁতেন হয়তো বিজ্ঞান শাখাটো অঙ্কুৰিত হোৱাত পলম হ'লহেঁতেন। ক্ৰমাত ৰাইজৰ সহায়-সহযোগত বিজ্ঞান শাখাটো পৰিস্ফুট হৈ উঠিল।

মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে বিজ্ঞান শাখাটো চলাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট অৰ্থ নৈতিক সংকটৰ সন্মুখীন হৈছিল। উপহাৰ কুপনৰ জৰিয়তে প্ৰায় আঢ়ৈ লক্ষ টকাৰ পুঁজি সংগ্ৰহ হৈছিল যদিও বিজ্ঞানাগাৰৰ খৰছৰ তুলনাত সেয়া নগণ্য আছিল। উপহাৰ কুপনৰ সফলতাৰ ক্ষেত্ৰত তৎকালীন মহকুমাধিপতি শ্ৰীভূপেন দাসৰ সহায়-সহানুভূতি পাহৰিব নোৱাৰি। সেইখিনি সময়তে ঘৰ-দুৱাৰ আদিও সাজিব লগা হোৱাৰ বাবে অৰ্থ নৈতিক সংকট বেছি প্ৰকট হৈ পৰিছিল। কিন্তু অনুষ্ঠানটিৰ প্ৰতি ৰাইজৰ মৰমৰ বাবেই কোনো সমস্যাই মহাবিদ্যালয় খনিৰ প্ৰগতিত ব্যাঘাট জন্মাব পৰা নাছিল। ১৯৮৪ চনত প্ৰায় ১৫ দিনৰ ভিতৰতে ৰাইজৰ পৰা ৭৫ বাণ্ডিল টিন্‌পাট সংগ্ৰহ কৰা হৈছিল।

এনেদৰে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি আহি ১৯৯২ চনৰ জুলাই মাহৰ পৰা স্থানীয় বিধায়কৰ তৎপৰতাত সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অন্তৰ্ভুক্ত হয়। বিজ্ঞান শাখাত কেৱল সাধাৰণ স্নাতকৰ ব্যৱস্থা থকাৰ বাবে স্নাতক মহলাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰথমৰে পৰা কম আছিল। ঘাটি মঞ্জুৰীৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে জীৱবিদ্যা আৰু উদ্ভিদবিদ্যা বিষয়ত মেজৰ শ্ৰেণী আৰম্ভ কৰা হয়। বৰ্ত্তমান মহাবিদ্যালয়খনিত সৰ্ব্বমুঠ ৮ টা বিষয়ত মেজৰ শ্ৰেণীৰ ব্যৱস্থা হৈছেগৈ।

এই মহাবিদ্যালয়ৰ পৰা প্ৰথম শ্ৰীকমল শইকীয়াই ১৯৮৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষাত দশম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হৈছিল। ১৯৭৬ চনত স্নাতক পৰীক্ষাত প্ৰথম Distinction পাইছিল শ্ৰীঅমূল্য প্ৰসাদ শইকীয়াই। অৰ্থনীতি বিষয়ত প্ৰথম মেজৰ ৰাখিছিল শ্ৰীঅপূৰ্ব্ব শইকীয়া আৰু শ্ৰীইন্দ্ৰকান্ত বড়াই আৰু প্ৰথম বিজ্ঞান স্নাতক আছিল শ্ৰীপূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু শ্ৰীঋদিব ৰঞ্জন শইকীয়া।

মহাবিদ্যালয়খনিৰ বাবে এটি প্ৰেক্ষাগৃহ বিচাৰি ভাৰতীয় চাহ সন্থাৰ অসম শাখাৰ ওচৰ চপাত তেখেতসকলে T A I ৰ সহযোগত ৭.৭৪,১০২·০০ টকা ব্যয়ত নিৰ্ম্মাণ কৰি এটি প্ৰেক্ষাগৃহ ৯/১১/৯১ তাৰিখে কলেজ কৰ্ত্তৃপক্ষক চমজাই

দিয়ে। এই গৃহটিয়ে সোণাৰি মহাবিদ্যালয়ৰ বহু সমস্যা সমাধান কৰে। মহাবিদ্যালয় বিজ্ঞানাগাৰ নিৰ্ম্মাণৰ বাবে সাহায্য বিচাৰি স্থানীয় তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ কাষ চপাত তেখেতসকলে শিৱসাগৰ জিলাৰ Development Board ৰ যোগেদি ৫ লক্ষ টকা মঞ্জুৰ কৰে। তাৰে প্ৰথম কিস্তিত ১ লক্ষ, দ্বিতীয় কিস্তিত ৮০ হেজাৰ আৰু তৃতীয় কিস্তিত ১ লক্ষ মুঠ— ২ লক্ষ ৮০ হেজাৰ টকা পোৱা হয়। বাকী মঞ্জুৰীৰ টকা খিনি ১৯৯১ চনৰ পৰা অদ্য পৰিমিত নোপোৱাত বিজ্ঞানাগাৰৰ দুটা কোঠা আধৰুৱা হৈ ৰয়। শেহতীয়া ভাৱে মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদযাপনৰ লগত খাপ খোৱাই কিছু ঘৰ দুৱাৰ সঁজাৰ আঁচনি গ্ৰহণ কৰি বিভিন্ন ব্যক্তি তথা অনুষ্ঠান প্ৰতিষ্ঠানক অনুৰোধ জনোৱা হৈছিল। তাৰে পৰিপ্ৰেক্ষিতত স্থানীয় বিধায়ক তথা বান নিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰীশৰৎ বৰকটকীয়ে ৫০ হেজাৰ টকা আৰু সাংসদ শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাঁইয়ে Area Development Fund ৰ পৰা বিজ্ঞানাগাৰৰ দুটা কোঠা সাজিবৰ বাবে মুঠ ১,৫০,০০০.০০ টকা দিয়ে। ইয়াৰ বাহিৰেও আৰু কেইটামান কাম বৰ্ত্তমান চলি আছে। লগতে স্থানীয় দাতা শ্ৰীহিম হাজৰিকাই তেখেতৰ শহুৰেক প্ৰয়াত বসন্ত দত্তৰ সোঁৱৰণত মহাবিদ্যালয়ৰ স্থায়ী তোৰণখন নিৰ্ম্মাণ কৰি দিছে।

সোণাৰি মহাবিদ্যালয়খনি গঢ় দিয়াৰ ক্ষেত্ৰত ৰাইজৰ অকুণ্ঠ সহযোগৰ কথা দোহৰা নিষ্প্ৰয়োজন। ওপৰত উল্লেখিত ব্যক্তিসকলৰ বাদেও বহুজনৰ কথা হয়তো আমি উল্লেখ কৰিব পৰা নাই। তাৰ বাবে যেন দায়-দোষ মাৰ্জ্জনা কৰে। অদূৰ ভৱিষ্যতে সোণাৰি মহাবিদ্যালয় খনিয়ে পূৰ্ণতা লাভ কৰক এই প্ৰাৰ্থনাৰে সামৰিলো।

## পৰিশিষ্ট — ১

১। প্ৰয়াত বিমলা প্ৰসাদ চলিহা
২। শ্ৰী কামাখ্যা প্ৰসাদ বৰুৱা
৩। " জানকী সন্দিকৈ
৪। প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱা
৫। শ্ৰী সুকুমাৰ বৰুৱা
৬। টাউকাক্ বাগিছাৰ জেনেৰেল মেনেজাৰ
৭। শ্ৰী বলীন শইকীয়া
৮। " প্ৰণৱিৰাম বৰুৱা
৯। প্ৰয়াত টঙ্কেশ্বৰ বৰুৱা
১০। " হৰনাথ শৰ্ম্মা
১১। প্ৰয়াত পৱনাথ শৰ্ম্মা
১২। শ্ৰী কেশৱ সেন শৰ্ম্মা
১৩। উপপ্ৰতি সমাহৰ্ত্তা, সোণাৰি
১৪। ভাৰপ্ৰাপ্ত বিষয়া, সোণাৰি থানা
১৫। শ্ৰী কনক বৰুৱা
১৬। শ্ৰী ডিম্বেশ্বৰ গগৈ
১৭। সোণাৰি শাখা চাহ মজদুৰ সঙ্ঘৰ সভাপতি
১৮। সোণাৰি শাখা চাহ মজদুৰ সঙ্ঘৰ সম্পাদক
১৯। চাহ কৰ্ম্মচাৰী সঙ্ঘৰ সভাপতি
২০। চাহ কৰ্ম্মচাৰী সঙ্ঘৰ সম্পাদক
২১। শ্ৰী দেৱেন দাস
২২। প্ৰয়াত মইনা দৈমাৰী
২৩। শ্ৰী বুদ্ধি প্ৰসাদ বৰগোহাঁই
২৪। শ্ৰী বৈদ্যনাথ শৰ্ম্মা
২৫। শ্ৰী দেৱী প্ৰসাদ বৰগোহাঁই
২৬। শ্ৰী গোলাপ বৰগোহাঁই
২৭। শ্ৰী খগেন বৰা
২৮। সভাপতি ভজো গাওঁসভা
২৯। প্ৰয়াত চিদ্দিক আলি
৩০। প্ৰয়াত প্ৰদ্যুৎ সিংহ
৩১। প্ৰয়াত ডিম্বেশ্বৰ হাজৰিকা
৩২। শ্ৰী ফটিক বৰঠাকুৰ
৩৩। শ্ৰী শান্তালাল আগৰৱালা
৩৪। মঃ আলতাব্ হুছেইন
৩৫। মঃ আফ্তাবুল হুছেইন
৩৬। প্ৰয়াত গঙ্গাধৰ বৰঠাকুৰ
৩৭। প্ৰয়াত নন্দবংশ মহাস্থৱিৰ
৩৮। শ্ৰী নগেন ভট্ট
৩৯। শ্ৰী শৰৎ বৰকটকী
৪০। প্ৰয়াত ডিম্বেশ্বৰ মহন্ত
৪১ শ্ৰী বৈশাখু তাঁতী
৪২। শ্ৰী প্ৰফুল্ল বৰঠাকুৰ
৪৩ এচ্. ডি অ., পি. ডব্লিউ. ডি., সোণাৰি
৪৪। আৱকাৰী পৰিদৰ্শক, সোণাৰি
৪৫। প্ৰয়াত অনিল মোহন দত্ত
৪৬। শ্ৰী সত্য তাঁতী
৪৭। শ্ৰী সুৰেশ দাস
৪৮। শ্ৰী যোগেন চাংমাই
৪৯। শ্ৰী ৰামেশ্বৰ ধানোৱাৰ
৫০। শ্ৰী ধৰণী চৌধুৰী
৫১। শ্ৰীধীৰেণ গগৈ
৫২। প্ৰয়াত সত্যৰঞ্জন পাল
৫৩। শ্ৰীৰজনী বৰুৱা
৫৪। শ্ৰীৰত্নেশ্বৰ কোঁৱৰ, প্ৰাক্তন এম, এল, এ
৫৫। ম. নজৰুল হুছেইন
৫৬। শ্ৰীনাথমল আগৰৱালা
৫৭। শ্ৰীসুৰেণ বৰুৱা
৫৮। শ্ৰীপূৰ্ণানন্দ ৰাজকোঁৱৰ
৫৯। শ্ৰীননী বৰুৱা
৬০। শ্ৰীযজ্ঞেশ্বৰ হাজৰিকা
৬১। শ্ৰীযুগল কিশোৰ আগৰৱালা
৬২। শ্ৰীঋষিভদ্ৰ শ্যাম
৬৩। শ্ৰীযদু গগৈ
৬৪। শ্ৰীগিৰিণ ৰাজখোৱা
৬৫। প্ৰধান শিক্ষক, চলাপথাৰ হাইস্কুল
৬৬। শ্ৰীসুৰেণ গোহাঁই
৬৭। শ্ৰীহীৰা হাজৰিকা
৬৮। শ্ৰীচাৰু ভূঞা
৬৯। শ্ৰীভক্তি দেৱী
৭০। শ্ৰীগোৱৰ্দ্ধন দাস আগৰৱালা
৭১। সোণাৰি গাওঁ পঞ্চায়তৰ, সভাপতি
৭২। সোণাৰি আঞ্চলিক পঞ্চায়তৰ সভাপতি
৭৩। প্ৰয়াত ইদ্ৰিচ আলি
৭৪। প্ৰয়াত নাৰায়ণ আগৰৱালা
৭৫। প্ৰয়াত কুশল চান্দ আগৰৱালা

## পৰিশিষ্ট— ২

১। শ্ৰী কামাখ্যা প্ৰসাদ বৰুৱা — সভাপতি
২। প্ৰয়াত টঙ্কেশ্বৰ বৰুৱা — উপসভাপতি
৩। প্ৰয়াত প্ৰদ্যুৎ কুমাৰ সিংহ সাধাৰণ সম্পাদক
৪। শ্ৰী কনক বৰুৱা } — যুটীয়া সম্পাদক
৫। শ্ৰী ডিম্বেশ্বৰ গগৈ } — যুটীয়া সম্পাদক
৬। প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱা — সদস্য
৭। ডি এম. দধিচ "
৮। উপপ্ৰতি সমাহৰ্ত্তা, সোণাৰি "
৯। প্ৰয়াত হৰনাথ শৰ্ম্মা, "
১০। প্ৰয়াত যোগেন বৰুৱা "
১১। প্ৰয়াত সুৰেন্দ্ৰনাথ মিশ্ৰ "
১২। শ্ৰী বলীন শইকীয়া "
১৩। প্ৰয়াত গঙ্গা বৰঠাকুৰ "
১৪। অধ্যক্ষ, ভগৱতী প্ৰসাদ বৰুৱা
সোঁৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় "
১৫। অধ্যক্ষ, দ'লবাগান উঃ মাঃ বিদ্যালয় "
১৬। " , ডিপ্লিং " " " "
১৭। অধ্যক্ষ, বৰহাট উঃ মাঃ বিদ্যালয় সদস্য
১৮। " , সাপেখাটি " " " "
১৯। " , দিচাংপানী " " " "
২০। " , মথুৰাপুৰ " " " "
২১। " , বেঙেনাবাৰী " " " "
২২। প্ৰধান শিক্ষক, লংপতীয়া হাইস্কুল "
২৩। প্ৰধান শিক্ষক, ভজো হাইস্কুল সদস
২৪। " " , মাহমৰা " "
২৫। শ্ৰী জানকী নাথ সন্দিকৈ "
২৬। " বৈশাখু তাঁতী "
২৭। " শান্তালাল আগৰৱালা "
২৮। " লখাই ভূঁই "
২৯। " ফণীন্দ্ৰ গগৈ "
৩০। শ্ৰীমতী ভক্তি দেৱী "
৩১। প্ৰয়াত ডিম্বেশ্বৰ হাজৰিকা "
৩২। প্ৰয়াত ইদ্ৰিচ আলি "
৩৩। প্ৰধান শিক্ষক, চলাপথাৰ হাইস্কুল "

## পৰিশিষ্ট— ৩

প্ৰয়াত বিমলা প্ৰসাদ চলিহা পৃষ্ঠপোষক
শ্ৰীৰত্নেশ্বৰ কোঁৱৰ "
" জানকীনাথ সন্দিকৈ "
" ডি. এম. দধিচ "
১। প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱা, সভাপতি
২। " টঙ্কেশ্বৰ বৰুৱা. উপ-সভাপতি
৩। " হৰনাথ শৰ্ম্মা, কাৰ্য্যবাহী সভাপতি
৪। শ্ৰীগোলাপ বৰগোহাঁই সম্পাদক
৫। " ডিম্বেশ্বৰ গগৈ সহকাৰী যুটীয়া সম্পাদক
৬। " বিপিন দত্ত সহকাৰী যুটীয়া সম্পাদক
৭। শ্ৰীকামাখ্যা প্ৰসাদ বৰুৱা সদস্য
৮। " শান্তালাল আগৰৱালা "
৯। " জীতেন নন্দী "
১০। " ফণীন্দ্ৰনাথ গগৈ "
১১। প্ৰয়াত ইদ্ৰিচ আলি "
১২। ম. আল্‌তাব্‌ হুছেইন "
১৩। শ্ৰীখগেন বড়া "
১৪। " লখাই বাউৰী "
১৫। " কনক বৰুৱা "

卐



## পৰিশিষ্ট— ৪

১। প্ৰয়াত পৰনাথ শৰ্ম্মা
২। শ্ৰীদুলাল বৰগোহাঁই
৩। " ৰামলাল শ্বাহ
৪। " ধীৰেন চাংমাই
৫। " কেশৱ দত্ত
৬। " বিজন পাল
৭। " ডিম্ব বড়া
৮। প্ৰয়াত হৰনাথ শৰ্ম্মা
৯। " মিঠাৰাম চেতিয়া
১০। " গঙ্গা বৰঠাকুৰ
১১। " কামেশ পাল
১২। " বিনয় পাল
১৩। শ্ৰী উমেশ ঘোষ
১৪। " ধৰণী ডেকা
১৫। শ্ৰী মলং আলি
১৬। " জীতেন নন্দী
১৭। " নিতো পাল
১৮। " কনক বৰুৱা
১৯। " ঘন ৰাজকোঁৱৰ
২০। " কৃষ্ণ ভট্ট
২১। " চিত্ত পাল
২২। " দিলীপ পাল
২৩। " বিষ্ণু দত্ত
২৪। " যতীন দত্ত
২৫। " এচ. আৰ. ডে.
২৬। " এম. আৰ. ৰহমান
২৭। প্ৰয়াত লোহিত হাজৰিকা

সোণাৰি মহাবিদ্যালয় ৰূপালী জয়ন্তী উৎসৱৰ সফলতা কামনাৰে —

STUDIO D'E "SUNDARAM"

Bhojo Road, SONARI-785690

We deal in B. W / Colour Photograpy & Photo Binding Lamination

'দিগ্‌বলয়' (Digboloi)

অনুমোদিত বস্ত্র বিক্রি কেন্দ্র

'এপল ফেব্রিক্স'

ভাৰতবৰ্ষৰ এটি সুপ্ৰতিষ্ঠিত থলুৱা বস্ত্ৰ উদ্যোগ প্ৰতিষ্ঠান

ভজো পথ, সোণাৰি

'চিত্ৰবন ষ্টুডিঅ'

সোণাৰি

উন্নত মানৰ ক'লা-বগা আৰু ৰঙীন ফটোৰ উৎকৃষ্ট প্ৰতিষ্ঠান


## SONARI COLLEGE SILVER JUBILEE

### CELEBRATION EXECUTIVE COMMITTEE



**Sitting from (L to R)**
B. Shyam, P. Gohain, T. Gogoi, S. Das, K. Boruah (President), S. Borkotoky, S. Tanti, G. Borgohain (Principal & Secretary), D. Borgohain, D. Gogoi, B. Tanti, B. D. Sharma.

**Standing 1st Row (L to R)**
G. Gogoi, B. Mohan, R. Borthakur, S.Borah, K.Das, R.Konwar, S. Suri, M. Chetia, G. Boruah, R. Buragohain, A. K. Boruah, P. Paul, B. Gogoi, C. R. Kalita, R. Konwar.

**Standing 2nd Row (L to R)**
D. R. Boruah, R. Kotoky, T. Boruah, P. K. Boruah, S. Rajkhowa, M. Boruah, A. Borpuzari, H. Gogoi, A. Hazarika, C. Borgohain, S. Buragohain

## SONARI COLLEGE TEACHING & NON-TEACHING STAFF



**Sitting from (L to R)**
B. R. Basumatari, Prof. P. Paul, Prof. R. Buragohain, Prof. B. Mohan, Prof. B. P. Phukan, Prof. R. Konwar, Principal G. Borgohain, Prof. S. Borah, Prof. G. Gogoi, Prof. M. Boruah, Prof. A. K. Baruah, Prof. D. Gogoi, Prof. R. Borthakur.

**Standing from (L to R)**
B. Dutta, N. Dutta, J. Gogoi, M. Lahon, J.P. Kakoty, Prof. M. Gogoi, Prof. B. Dihingia, Prof. D. R. Baruah, Prof. R. Konwar, Prof. T. Baruah, Prof. M. Chetia, B. Lahon, Prof. R. Konwar, Prof. A. Borpuzari, Prof. S. N. Rajkhowa, Prof. P. K. Baruah, Prof. U. Konwar, Prof. S. Dutta, K. Dutta, S. Basumatari, M. Haque.

(The absence of a few members is regretted)—Editor

# ৰূপালী জয়ন্তী—
# এক সোণালী স্বপ্ন

— প্রণৱ কুমাৰ খাউণ্ড
( আই, এ, এচ )
প্রাক্তন অধ্যাপক, (বুৰঞ্জী বিভাগ)
সোণাৰি কলেজ

সোণাৰি মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বাতৰি সঁচাকৈয়ে এটি সোণালী স্বপ্ন। সময় বাগৰি যায়— ৰূপান্তৰ হয়— পৰিৱৰ্ত্তন ঘটে। এই সুদীৰ্ঘ পঁচিশ বছৰে সোণাৰি মহাবিদ্যালয়ৰো বহু পৰিৱৰ্ত্তন হ'ল। উন্নতিৰ সূচনা হ'ল। দোপত দোপে আগবাঢ়ি গৈ আজি ৰূপালী জয়ন্তী বছৰত পদাৰ্পণ কৰিলেহি।

স্মৃতিবোৰে মনত খুন্দিয়াই। বুৰঞ্জীয়ে আঁচোৰা সোণাৰিৰ বুকুত ১৯৭০ চনত এই শিক্ষানুষ্ঠানটি স্থাপিত হৈছিল। ইয়াৰ পূৰ্ব্বে এক দিশত নাহৰকটীয়া মহাবিদ্যালয় আৰু অন্য দিশত গড়গাওঁ মহাবিদ্যালয়েই আছিল সোণাৰিৰ সমীপস্থ মহাবিদ্যালয়। সেই সময়ত ৺ভগৱতী প্রসাদ বৰুৱা সোৰঁৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় আছিল সোণাৰিৰ সৰ্ব্বোচ্চ শিক্ষানুষ্ঠান। এই বিদ্যালয়ৰ স্থাপনৰ পটভূমিত আছে এটি মৰ্ম্মন্তুদ ঘটনা! ১৪ অক্টোবৰ, ১৯৩৩ চনৰ। সেই দিনা সময় নিশা ন বাজি পোন্ধৰ মিনিট গৈছিল।

অসমীয়া সাহিত্য সংস্কৃতিৰ একনিষ্ঠ সাধক, স্বভাৱ কবি ভগৱতী প্রসাদ বৰুৱাদেৱে তেখেতৰ পত্নী ভগ্নী, এটি এমাডিমা সন্তান আৰু ঘৰত বন কৰা ছোৱালীটিক লৈ ভ্রাতৃ পাৰ্বতি প্রসাদ বৰুৱাদেৱৰ ৰজাবাৰী চাহবাগিছাৰ অস্থায়ী বাসভৱনৰ পৰা, ওলাই আহি গাড়ীৰে দিচাং নৈৰ পাৰঘাট পাইছিলহি। স্বনামধন্য কবি সাহিত্যিক আৰু শিল্পী উক্ত পাৰ্বতি প্রসাদেই আছিল সেই দিনাৰ গাড়ীৰ চালক। তেওঁলোকৰ গন্তব্যস্থল আছিল শিৱসাগৰ। তাত 'কনৌজ কুঁৱৰী' নাট্যাভিনয় উপভোগ কৰি পিচদিনা পুৱাই যোৰহাটলৈ যোৱাৰ কথা। পাৰ্বতিপ্রসাদে ওখ চালামিয়েদি গাড়ী নমাই পাৰ-নাৱত তুলিলে। কিন্তু দুৰ্ভাগ্য ক্রমে গতিৰোধ কৰিব নোৱৰাত চলন্ত গাড়ী বেৰা নাইকিয়া পাৰ-নাও অতিক্রম কৰি যাত্রী সহ গভীৰ নদীগৰ্ভত বিলীন হৈ পৰিল। সৌভাগ্যবশতঃ পাৰ্বতি প্রসাদে জঁপিয়াই আত্মৰক্ষা কৰিবলৈ সমৰ্থ হ'ল। কিন্তু জ্যেষ্ঠ ভ্রাতৃক আপ্রাণ

চেষ্টা কৰিও উদ্ধাৰ কৰিব নোৱাৰিলে। সদৌ অসমবাসীৰ প্ৰাণত গভীৰ শোকৰ শেল হানি সৰু পৰিয়ালটিৰে সৈতে ভগৱতী প্ৰসাদে নিষ্ঠুৰ মৃত্যুক সাৱটি ল'লে। শিক্ষা আৰু জাতীয় সংস্কৃতিক সেৱা কৰাৰ মহান দায়িত্ব যেন পাৰ্বতি প্ৰসাদৰ হাততে অৰ্পণ কৰি গ'ল।

অসহনীয় ভ্ৰাতৃশোক লাঘৱ কৰাৰ মানসেৰেই পাৰ্বতি প্ৰসাদ বৰুৱাই এটি শকত অনুদানেৰে ৺ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চ বিদ্যালয়ৰ ভেটি গঢ়ি তুলিছিল আৰু সলিল সমাধিস্থ হোৱা ককাইদেৱেকৰ কৰুণ স্মৃতিত বিদ্যালয়খন উছৰ্গা কৰিছিল। ১৯৬৭ চনত এই বিদ্যালয় উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ উন্নীত হৈছিল।

উক্ত ৺ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষাদান কৰি থকা কেইজনমান উদ্যোগী শিক্ষক আৰু সোণাৰি অঞ্চলৰ কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিয়ে সোণাৰিত এখন মহাবিদ্যালয় গঢ়ি তুলিবলৈ সঙ্কল্প কৰিলে। তেওঁলোকৰ অপৰিসীম প্ৰচেষ্টাৰ বিনিময়ত ৰাইজৰ বৰঙণিৰে সোণাৰি মহাবিদ্যালয় গঢ়ি উঠিল।

সোণাৰি নগৰৰ মাজ মজিয়াত সমুখত খেল পথাৰ খনৰ সৈতে জিমখানা ক্লাবৰ ঘৰটো বহুদিন ধৰি অব্যৱহৃত হৈ আছিল। চৰকাৰৰ অনুমতি সাপেক্ষে সেই গৃহকে মেৰামতি কৰি সোণাৰি মহাবিদ্যালয়ৰ শ্ৰেণী আৰম্ভ কৰা হ'ল। পূৰ্ব্ব নিৰ্ম্মিত এনে এটি আটক ধুনীয়া গৃহ লাভ কৰাটো সোণাৰি মহাবিদ্যালয়ৰ বাবে সৌভাগ্যৰ কথা আছিল।

তিতাবৰ মহাবিদ্যালয়ৰ সেই সময়ৰ উপাধ্যক্ষ শ্ৰীগোলাপ বৰগোহাঁই দেৱে মহাবিদ্যালয় খনৰ অধ্যক্ষ ৰূপে সেৱা আগবঢ়াবলৈ আহে। সমীপস্থ কেইখনমান বিদ্যালয়ৰ কেইজমান শিক্ষক আৰু আপেক্ষিক ভাৱে দূৰণিবটীয়া ঠাইৰ কেইজনমান শিক্ষানুৰাগী ব্যক্তিয়ে ত্যাগ স্বীকাৰ কৰি এই মহাবিদ্যালয়তে বিভিন্ন বিষয়ত অধ্যাপনাৰ পাতনি মেলিছিল।

১৯৭০ চনৰ ৫ আগষ্টৰ দিনটোৰ কথা মনত পৰে। সেই দিনতেই নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয় খনত প্ৰথম পাঠদান কৰা হৈছিল। ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ ভাষাৰে, "এজন শিক্ষকে শিক্ষক হৈ নহয়, ছাত্ৰ হিচাপেহে শ্ৰেণী কোঠাত সোমোৱা উচিত।" সেই দিনৰ পৰা আজিও প্ৰতিজন শিক্ষকেই মনীষী জনাৰ উক্ত বাণীৰ সাৰমৰ্ম্ম মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰি মহাবিদ্যালয় খনত শিক্ষাদান কাৰ্য্যত ব্ৰতী হৈ অনাবিল আনন্দ লাভ কৰি আহিছে।

প্ৰথমাৱস্থাত পুৱা আৰু নৈশ দুয়ো বেলাই পাঠদান কৰা হৈছিল। ইংৰাজী, অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু অৰ্থনীতি বিষয়ত শিক্ষাদান কৰা হৈছিল। পিচৰ বছৰৰ পৰা পাঠদান কেৱল দিবা ভাগতহে চলিছিল। ১৯৭৩-৭৪ চনত এই মহাবিদ্যালয় এক পূৰ্ণাঙ্গ কলা মহাবিদ্যালয়ত পৰিণত হয়। ১৯৭৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এই মহাবিদ্যালয়ৰ ছাত্ৰই প্ৰথম ডিগ্ৰী লাভ কৰে।

১৯৭৫ চনত প্ৰথম 'সোণাৰি মহাবিদ্যালয় আলোচনী' প্ৰকাশ পোৱাৰ কথা মনত আছে। আলোচনী সম্পাদনাত উপদেষ্টা হিচাবে ছাত্ৰ-ছাত্ৰী সকলক সহায় কৰাৰ স্মৃতি মনলৈ আহে। অসম অসামৰিক সেৱাত নিযুক্তি লাভ কৰি সেই চনতে মই সোণাৰি মহাবিদ্যালয় এৰি আহিলোঁ। তথাপি, শৰীৰেৰে নহ'লেও মনেৰে মই যেন আজিও এই বাণী মন্দিৰতে আছোঁ।

মহাবিদ্যালয়খনৰ প্ৰতীক চিহ্নটিত সন্নিবিষ্ট বাক্যটি হৈছে— 'তেজস্বি নাৱধীতমস্তু'। এই বাক্যটি তৈত্তিৰীয়োপনিষদৰ পৰা উদ্ধৃত। এই বাক্যৰ অৰ্থ— আমাৰ দুয়োৰে ( ছাত্ৰ আৰু শিক্ষক ) অধ্যয়ন আৰু অধীত বিষয় সমূহ উজ্জ্বল হওক। এই বাক্যৰ দ্বাৰাই অধ্যয়নৰ প্ৰথমাৱস্থাত শিক্ষক ছাত্ৰৰ সমন্বয়ত এটি সজ উদ্দেশ্যৰ প্ৰতি সঙ্কল্প গ্ৰহণ কৰা হৈছিল। মহাবিদ্যালয়খনত আৰম্ভ কৰা অধ্যয়ন যাতে তেজঃযুক্ত, উজ্জ্বল, বুদ্ধিদীপ্ত আৰু জ্ঞানৰ আলোকেৰে উদ্ভাসিত হয়। আইনষ্টাইনে কৈছিল, "মই নপঢ়ুৱাওঁ। ছাত্ৰ সকলক শিক্ষিত হোৱাত সহায়হে কৰোঁ।" এই সাৰগৰ্ভ উক্তি সৰ্ব্বক্ষণৰ বাবে।



আমাৰ কাৰ্য্যকালত কেইবা গৰাকী বিশিষ্ট ব্যক্তিয়ে সোণাৰি মহাবিদ্যালয়ত পদাৰ্পণ কৰাৰ কথা মনত আছে। আন্তৰ্জ্জাতিক খ্যাতি সম্পন্ন সুৰশিল্পী ডঁ ভূপেন হাজৰিকাদেৱে মহাবিদ্যালয় খনৰ সৌজন্যত অনুষ্ঠিত সঙ্গীত সন্ধিয়াত গীত পৰিবেশন কৰি কৈছিল— "সোণাৰি মহাবিদ্যালয়ৰ জয় হওক।"

আমিও আজিৰ এই ৰূপালী জয়ন্তী বছৰত আন্তৰিকতাৰে সৈতে প্ৰকৃত শিক্ষা দানৰ গুৰুত্বপূৰ্ণ ভূমিকাত সোণাৰি মহাবিদ্যালয়ৰ বিজয় কামনা কৰোঁ। আজিৰ বিশ্বৰ উন্নয়নৰ গতিৰ লগত খোজ মিলাই নিজকে আগুৱাই নি দেশৰ সুযোগ্য নাগৰিক হিচাবে প্ৰতিষ্ঠা লাভ কৰাৰ প্ৰয়াসেৰে যাতে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাব পাৰে, তাকে বাঞ্ছা কৰোঁ।

শিল্পী গৰাকীৰ গীতৰ এটি কলিৰ আধাৰতে ক'ব খোজোঁ— এটি এটি ক্ষণ হৈছে মুকুতাৰ ধন। ইয়াক এনেয়ে হেৰুৱালে উভতি নাহে।

---

মনৰ দুৱাৰ-খিৰিকি মেলি থ'ব লাগে। সেই বুলি ধূলি-বালি সোমাই যাতে মন কলুষিত কৰিব নোৱাৰে তাৰ বাবে আমি সতৰ্ক হৈ থাকিব পাৰিব লাগিব।

—হেম বৰুৱা।

# মোৰ স্মৃতি

—খুশী প্ৰামাণিক, প্ৰাক্তন ছাত্ৰী

অতীত মাধুৰী ৰোমন্থন কৰি ভাল লাগে। পাহৰিব নোৱাৰো মোৰ জীৱনৰ পথ প্ৰদৰ্শক সৌ সিদিনাৰ চালুকীয়া অনুষ্ঠান অতি মৰমৰ সোণাৰি মহাবিদ্যালয়খনিৰ কথা। যিখনে সুবিধা দিলে মোৰ জীৱনত কৰ্ম সংস্থানৰ পথ। অৱসান হ'ল দুখৰ খেদ। বিৰিঙাই তুলিলে মুখত অনাবিল হাঁহি। পাহৰাই দিলে দুটা বছৰ পঢ়িব নোৱাৰাৰ বিৰতিৰ বেদনা। কাৰণ মই ১৯৬৮ চনতে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছিলো। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে দৰিদ্ৰতাৰ হেতু, আৰ্থিক অনাটনৰ বাবে পঢ়াৰ প্ৰতি অদম্য হেপাহ থকা সত্বেও সোণাৰিৰ পৰা বাহিৰলৈ গৈ উচ্চ শিক্ষা লোৱাটো মোৰ পক্ষে সম্ভৱ নাছিল। সেয়ে ঘৰতে থাকি দিন গণিবলৈ ধৰিলো কেতিয়া সোণাৰিত কলেজ হ'ব আৰু মই পঢ়িবলৈ পাম। এইদৰে দুটা বছৰ পাৰ হৈ গ'ল পঢ়াৰ সুবিধা নাপালো।

আহিল ১৯৭০ চনৰ মধুক্ষণ। সোণাৰিত এখন কলেজ পতাৰ যো-জা চলিল। কলেজ হ'ব শুনি মোৰ আনন্দে নধৰা হ'ল। কলেজত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ জাননী দিলে। মই এক মুহূৰ্তও পলম নকৰি টিউচন কৰি সাঁচি ৰখা টকা ১৫০·০০ দি ভাইটিক কলেজলৈ পঠিয়াই দিলো মোৰ নাম ভৰ্ত্তিৰ বাবে। ভাইটিয়ে মোৰ নাম ভৰ্ত্তি কৰি নিৰুৎসাহ হৈ ঘৰলৈ আহি মোক ক'লে— তোৰ ৰোল নং ২ হৈছে। ১নং শ্ৰীপ্ৰিয়তোষ চাক্মা। এতিয়ালৈকে মাত্ৰ দুজন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰিছে। ল'ৰা ছোৱালী আৰু নাহেই, তই মিছাকে এড্‌মিচন ললি। টকা কেইটা এনেই গ'ল। মোৰ অলপ বেয়া লাগিছিল যদিও অন্তৰাত্মাই মোক উৎসাহ দিলে। ছাত্ৰ ছাত্ৰীৰ সংখ্যা তাকৰ হ'লে অনুষ্ঠান এখন গঢ়ি উঠাত ব্যাঘাত জন্মে। সোণাৰী মহাবিদ্যালয়ৰও তেনেই অৱস্থা। ল'ৰা ছোৱালীৰ সংখ্যা কম হোৱা দেখি চাৰসকলে ঘৰে ঘৰে গৈ ল'ৰা ছোৱালী তথা অভিভাৱক সকলক অনুনয় বিনয় কৰি আনি সিহঁতৰ নাম ভৰ্ত্তি কৰিলে।

এইদৰে বহু কষ্ট স্বীকাৰ কৰি চাৰ তথা শুভাকাঙ্ক্ষী সকলে ৯৬ জন ছাত্ৰ-ছাত্ৰীৰে ১৯৭০ চনত মহাবিদ্যালয়ৰ প্ৰাক্ স্নাতক মহলাৰ দুৱাৰ মুকলি কৰিলে। তেতিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীগোলাপ বৰগোহাঁইক প্ৰমুখ্য কৰি শ্ৰীসুৰেশ দাস, শ্ৰীপ্ৰণৱ খাউণ্ড, শ্ৰীৰবীন কোঁৱৰ, শ্ৰীবিমলা ফুকন, শ্ৰীদিলেশ্বৰ তাঁতি, শ্ৰীবেণু দুৱৰা, শ্ৰীমতী সোণমাই বড়া, শ্ৰীমতী কমলাৱতী দাস আৰু আমি ৯৬ জন ছাত্ৰ-ছাত্ৰীৰেই গঠিত পৰিয়ালটোৰেই কলেজৰ শুভাৰম্ভণী হ'ল। তাৰ পাছৰ বছৰৰ পৰা আমি লগ পোৱা আমাৰ শুভাকাঙ্ক্ষী চাৰ বাইদেউ সকল আছিল শ্ৰীবিনন্দ মহন, শ্ৰীমাণিক বৰুৱা, শ্ৰীজীৱন শইকীয়া, শ্ৰীগিৰিণ ফুকন, শ্ৰীমতী ৰতিপ্ৰভা বৰুৱা, শ্ৰীগদাধৰ চুতীয়া আৰু শ্ৰীকীৰ্ত্তি বৰুৱা।

বহুদিনীয়া পুৰণি আলাই আথানি হৈ পৰি থকা ব্ৰিটিছ আমোলৰ চাহাব সকলৰ ক্লাবখনতে পাতনি মেলিলে আমাৰ পঢ়াৰ স্মৃতি সৌধ। ইয়াতেই কলেজীয়া জীৱনৰ উচ্চ শিক্ষা লাভৰ আনন্দত নিজকে বিলাই দিওঁ। আমাৰ চাৰ বাইদেউ সকলে আমাৰ প্ৰতি স্বজন প্ৰীতিৰ দৃষ্টিৰে চাই আমাক প্ৰতিটো বিষয় তন্ন তন্নকৈ বুজাই দিছিল। পাহৰিব নোৱাৰো সেইদিনৰ কথা, কেতিয়াবা অকলশৰীয়াকৈও চাৰ বাইদেউসকলৰ ওচৰত ঘৰত টিউচন কৰাৰ দৰে পঢ়িছিলো। শ্ৰেণীত এজন ছাত্ৰ-ছাত্ৰী থাকিলেও চাৰ বাইদেউসকলে আমাক পঢ়াবলৈ হেপাহেৰে আগবাঢ়ি আহিছিল। পুৰণি ক্লাবৰ চাৰিসীমাৰ ভিতৰতে আমাৰ শ্ৰেণী সমূহ আৰম্ভ হৈছিল। তাৰ ভিতৰতে আমি লাভ কৰিছিলো অনাবিল আনন্দ। তদুপৰি বেছি আনন্দ পাইছিলো যেতিয়া ফিল্ডত আমি সহপাঠীৰে সৈতে বহি কথা পাতি থাকো, তেতিয়া আমাৰ চক্ৰবেহুৰ মাজত সোমাই শ্ৰীগিৰিণ ফুকন চাৰে বহি আমাক ৰাজনীতি বিজ্ঞান বুজাইছিল। এনেকুৱা ঘৰুৱা পৰিবেশৰ মাজত মোৰ কলেজীয়া জীৱন পাৰ হৈছিল যদিও নতুন কলেজ হোৱাৰ বাবে কিছু অসুবিধাও নোপোৱা নহয়। কলেজৰ প্ৰতিটো শেষান্ত পৰীক্ষা সোণাৰি কলেজত দিয়াৰ সুবিধা পোৱা নাছিলো। গড়গাওঁ কলেজত গৈ দিবলগীয়া হৈছিল।

যি কি নহওক, এই শতিকাৰ সপ্তম দশকত জন্ম লভা সৌ সিদিনাৰ সোণাৰি মহাবিদ্যালয়খন আজি পূৰ্ণাঙ্গ মহাবিদ্যালয়ত পৰিণত হৈ পঁচিশ বছৰীয়া নৱ যৌৱনৰ দুৱাৰ দলিত উপনীত হৈ ৰূপালী জয়ন্তীৰ আনন্দ উৎসৱত মুখৰিত হৈ উঠিছে। ই আমাৰ সোণাৰি তথা বহুতো দূৰ-দূৰণিৰ ল'ৰা-ছোৱালীৰ বাবে কম সৌভাগ্যৰ কথা নহয়। আজি মোৰদৰে হাজাৰ হাজাৰ দুখীয়া নিছলা ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভৰ বাবে ঢাপলি মেলে সোণাৰি মহাবিদ্যালয়খনলৈ। এতিয়া কোনো অসুবিধা নাই, ছাত্ৰ-ছাত্ৰী থাকিবলৈ ছাত্ৰ নিবাস, ছাত্ৰী নিবাস পঢ়াৰ পৰিবেশৰ বাবে ধুনীয়া ঘৰ আৰু বিভিন্ন বিষয়ৰ দুই চাৰিজনকৈ অধ্যাপক পালে। বিজ্ঞান শাখাও খোলা হ'ল। সোণাৰী মহাবিদ্যালয়ত অসংখ্য ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিল। সোণাৰীৰ মাজ মজিয়াত অৱস্থিত সোণাৰি মহাবিদ্যালয় খন হৈ পৰিল এখন আদৰ্শ দেখনিয়াৰ নৱ আলোকৰ উজ্জ্বল সৌধ। শেষত সোণাৰি মহাবিদ্যালয় খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ চমু লেখনিৰ সামৰণি মাৰিলো।

# সোণাৰি কলেজত যৌৱনৰ তিনিবছৰীয়া উপলব্ধি আৰু স্মৃতি

—ৰ'জকমল মহন
প্ৰাক্তন ছাত্ৰ

একুৰি পাঁচটা বসন্তই পৰশা সোণাৰি মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী আয়োজন কৰা শুনি মনত অপাৰ আনন্দ লাগিছে। মই স্নাতক তিনিবছৰীয়া পাঠ্যক্ৰমত নামভৰ্ত্তি কৰি ১৯৯২ চনৰ পৰাহে এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হওঁ। জীৱনৰ ভাটিবেলাত যৌৱনৰ স্মৃতিচাৰণৰ সোৱাদ বেছি। সেয়ে মোৰ লিখনিত তাক আশা কৰা নাই। তদুপৰি ই ঐতিহাসিক গুৰুত্বও যে বহন কৰিব নোৱাৰে সেইয়া নিশ্চিত।

মোৰ কলেজীয়া দিনবোৰত এখন নবাগত আদৰণি সভাই বৰকৈ আকৰ্ষণ কৰিছিল। সভাখনত বিশিষ্ট অতিথি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সু-সাহিত্যিক বীৰেণ বৰকটকী চাৰৰ মধুৰ তত্বগধুৰ বক্তব্যৰ কিছুমান বাক্য মোৰ মানস পটত আজিও ৰিণিকি ৰিণিকি বাজি আছে। চাৰে কৈছিল মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সোণালী কালছোৱাই হ'ল ছাত্ৰ-জীৱন। ছাত্ৰ সময়ছোৱাতে প্ৰতিজন মানুহে ভবিষ্যতৰ ৰঙীন সপোনক দিঠকত ৰূপায়িত কৰাৰ আধাৰ সৃষ্টি কৰিব পাৰে। গতিকে ছাত্ৰ জীৱনৰ অমূল্য সময়খিনি এনেয়ে অবাবত নষ্ট নকৰি অধ্যয়ণৰ তপস্যাত নিমগ্ন হোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কৰ্ত্তব্য হোৱা উচিত। যিয়েই নহওঁক কলেজত পঢ়া দিনবোৰত শ শ ছাত্ৰ-ছাত্ৰীৰ মাজত সময়ৰ মূল্য বুজা ছাত্ৰ-ছাত্ৰী একেবাৰে কমহে লগ পাইছিলো। আনকি ময়ো সময়ৰ মূল্য সম্পূৰ্ণৰূপে সদ্ব্যৱহাৰ কৰা নাছিলো। এইবোৰ কথা এতিয়া ভালকৈ উপলব্ধি কৰিছো।

মোৰ জীৱনত প্ৰভাৱ পেলোৱা ব্যক্তিসকলৰ ভিতৰত সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল অন্যতম। যিসকলৰ উৎসাহ-অনুপ্ৰেৰণা আৰু শিক্ষাদানে মোৰ সমগ্ৰ জীৱন জুৰি থাকিব অপূৰণীয় ধাৰৰ বোজা। অৰ্থনীতিৰ ছাত্ৰ হিচাবে বিশেষকৈ দিলীপ ৰঞ্জন বৰুৱা চাৰৰ সহযোগিতা, দিহা-পৰামৰ্শই মোক যথেষ্ট সহায় কৰিছিল। একেদৰে অৰ্থনীতি বিভাগৰ মুৰব্বী বিমলা ফুকন আৰু প্ৰবক্তা অৰ্পণ বৰুৱা চাৰৰ লগতো মোৰ সম্পৰ্ক আছিল অতি মধুৰ। তেওঁলোক সকলোৱেই আছিল মোৰ অতি শ্ৰদ্ধাৰ আৰু ভক্তিৰ। শিক্ষকে ছাত্ৰক পুত্ৰ—ভাতৃ সম ভাল পায় আৰু তেওঁলোকৰ কষ্টোপাৰ্জিত জ্ঞান বিলাই দিবলৈ অনবৰতে অধীৰ হৈ থাকে। য'ত শিক্ষক আৰু ছাত্ৰৰ মাজত মধুৰ সম্পৰ্ক নাই তাত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ দুয়োটাই সফল বুলি ক'ব নোৱাৰি।

কলাবিভাগৰ ছাত্ৰ হৈও জীৱ-বিজ্ঞানৰ প্ৰবক্তা বুদ্ধিন গগৈ চাৰৰ লগত গঢ়ি উঠা সান্নিধ্যতাৰ কথা নক'লে মোৰ স্মৃতি আধৰুৱা হৈ ৰ'ব। কলেজৰ যিকোনো সভা-সমিতি, আলোচনাতে সক্ৰিয় অংশ গ্ৰহণ কৰি যিকোনো বিষয়ৰ ওপৰত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ যুক্তি-যুক্ততাৰে বক্তৃতা প্ৰদান কৰা অধ্যয়ণশীল চাৰক প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়ে চিনি নোপোৱাকৈ নাথাকে। চাৰৰ এই বহুমূখীতা গুণে মোৰ জীৱনত ভালকৈয়ে ৰেখাপাত কৰিলে। গগৈ চাৰৰ উদ্যোগতে ৰবীন কোঁৱৰ চাৰ আৰু ৰতিপ্ৰভা গগৈ বাইদেউৰ সহযোগত কলেজত "দেওবৰীয়া অধ্যয়ন চক্ৰ" "Sunday Study Circle" নামেৰে এটা অনুষ্ঠানৰ জন্ম হৈছিল। চাৰ আছিল তাৰ মুখ্য আহ্বায়ক আৰু মই আছিলো আহ্বায়ক। প্ৰথমতে অনুষ্ঠানটিত ইংৰাজীতে আলোচনাত বক্তৃতা দিয়াৰ লক্ষ্য আছিল যদিও পিছলৈ দুইনে এবাৰৰ পিছতে অসমীয়াতে বিভিন্ন বিষয়ৰ ওপৰত অভিজ্ঞ ব্যক্তিৰ সৈতে সপ্তাহে, পষেকে আলোচনা চক্ৰসমূহ অনুষ্ঠিত হৈছিল। যাৰ পৰা নেকি আমি যথেষ্ট উপকৃত হৈছিলো। কিন্তু অতি পৰিতাপৰ কথা আমি এৰি অহাৰ পিছত অনুজ কৰ্মীসকলৰ অমনোযোগিতা নে আন কিবা কাৰণত অনুষ্ঠানটোৰ ধাৰাবাহিকতা হেৰাই গ'ল।

সন্মানীয় অধ্যক্ষ গোলাপ বৰগোহাঁই চাৰেও মোৰ জীৱনত প্ৰভাৱ পেলাইছিল। চাৰে বিশেষকৈ সভাপতিৰ আসনৰ পৰা দিয়া সাৰুৱা ভাষণবোৰত চুটি চুটি বাক্যৰে সৃষ্টিকামী বস্তুনিষ্ঠ মন্তব্যবোৰে মোৰ বুকুত গভীৰ সাঁচ বহুৱাইছিল। এইখিনিতে চাৰৰ সকলোখিনি ব্যক্তিত্বৰ সফল প্ৰকাশ ঘটিছিল। অতি চালুকীয়া জন্ম লগ্নৰে পৰা মহাবিদ্যালয়খনি গঢ়ি তোলাত সকলো বাধাবিঘিনি অতিক্ৰম কৰি সবল নেতৃত্ব দিয়াত বৰগোহাঁই চাৰৰ অৱদান অনস্বীকাৰ্য্য। বিশেষকৈ কলা শাখাৰ লগতে ১৯৮৪ চনত স্থাপিত বিজ্ঞানশাখাটি পূৰ্ণপৰ্য্যায় ৰূপ দিয়াত অধ্যক্ষ বৰগোহাঁই চাৰৰ ধৈৰ্য্য আৰু সাহসৰ কথা সকলোৱে স্বীকাৰ কৰিব।

মোৰ শিক্ষা জীৱনৰ লগতে বিভিন্ন দিশত সদায় ওচৰত থাকি দিহা-পৰামৰ্শৰ লগতে মৰমচেনেহ দিয়া শ্ৰদ্ধাৰ ৰবীন কোঁৱৰ চাৰ শ্ৰদ্ধাৰ ৰতিপ্ৰভা গগৈ বাইদেউ, শ্ৰদ্ধাৰ গিৰিন গগৈ চাৰৰ ওচৰত মই সদায় চিৰকৃতজ্ঞ। এইসকলৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য শিক্ষাগুৰুসকলো মোৰ মনত আছে যিসকলৰ সহযোগিতা পাইছো বিভিন্ন দিশত।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মই উপ-সভাপতি হিচাবে বিনা-প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলো। উপ-সভাপতি হৈ থাকোতে ১৯৯১ চনৰ ১৮ অক্টোবৰত মহাবিদ্যালয়ৰ পৰা শিক্ষামূলক ভ্ৰমণৰ বাবে এটি ২৭ জনীয়া দলে দক্ষিণ ভাৰতৰ মাদ্ৰাজ, বাঙ্গালোৰ, মহীশূৰ, গোৱা, বোম্বাই আৰু কলিকতাৰ ভিন ভিন অভিজ্ঞতা আৰু প্ৰতিটো মুহূৰ্ত্ত মোৰ মানস পটত সদায় সোণালী অতীত হৈ থাকিব।

সদৌশেষত সোণাৰি মহাবিদ্যালয়ে আহি আহি আজিৰ ৰূপালী জয়ন্তী বৰ্ষ পোৱাত অগ্ৰণী ভূমিকা লোৱা, শাৰীৰিক, কায়িক সহায় সহযোগিতা আগবঢ়োৱা প্ৰতিজন মহান-ব্যক্তিলৈ প্ৰণিপাত জনালো এই ৰূপালী জয়ন্তীত। সোণাৰি মহাবিদ্যালয়ৰ আগন্তুক 'ৰূপালী জয়ন্তী' সফলতাৰ কামনা কৰিলো। 卐

## আদৰণি

—জুৰি দেৱী, প্ৰাক্তন ছাত্ৰী

মই এতিয়া কেনেকে আছো
নুসুধিবা……।
নুসুধিবা মোক ইয়াত বতাহ বলাৰ কথা,
চকুলো টোকা ক্ৰন্দসী বতাহ জাকক
কেনেকে কওঁ বাৰু
সেইয়া বতাহ বলিছে বুলি !
বিশ্বাসৰ কথাও নুসুধিবা,
অবিশ্বাসৰ মণিকূটত
বিশ্বাসৰ থাপনা কোনেও নাপাতে।
মানুহৰ কথা— !
মানুহৰ কথা সুধিলে
কেনেকে কম বাৰু
জনসংখ্যা বাঢ়িছে, পিছে মানুহ যে টুটিছে।
আমি কব পাৰো
মেঘৰ গাজনিৰ কথা
বৰষাৰ ৰিমঝিম নুপূৰ ধ্বনিৰ কথা
পিছে নোৱাৰো কব
কাৰ চকুত বৃষ্টি নামে
কাৰ বুকুত কিয় বাজে বিষাদৰ সুৰ।
এতিয়া কোনেও কাকো নকয়
বুকুৰ খবৰ।
খবৰৰ সংজ্ঞাওতো সীমাবদ্ধ
বিভীষিকা, অমানৱতাও জানো
খবৰ হ'ব পাৰে ?
এৰা পাৰে।
এতিয়া ইয়াত সন্ত্ৰাসৰ হেতালি।
নুসুধিবা মোক ফুল ফুলাৰ বাতৰি
ফুলবোৰ ফুলিব খুজিও
অকালতে লেৰেলি যায়।
মোৰ বুকুৰ আশাবোৰো
তোমাৰ মনৰ ডাৱৰত লুকাই
মোৰ চকুলৈ বাৰিষা নমায়।
তুমিতো জানাই
মই নিজানে-নিমাতে থকা
এক নিৰ্জন দ্বীপ।
আহিবা মোৰ নিৰ্জন দ্বীপলৈ
সূৰ্য্যমুখী পাহাৰৰ ফালে
মেলি দিম দুয়োহাত
খুলি দিম হৃদয় কপাট,
মোৰ নিৰ্জন দ্বীপলৈ
তুমি অহাৰ বাবেই
পাৰি থৈছো
চেনেহৰ সেউজীয়া সাঁকো।

# সোণাৰি মহাবিদ্যালয় আৰু মই

—সুৰেশ দাস
উপাধ্যক্ষ

আকস্মিকভাৱে পিতৃ বিয়োগে মোৰ জীৱনৰ গতি সলনি কৰিলে ১৯৬৫ চনতে। পৰিয়ালৰ দায়িত্ব বহন কৰিব লগা হোৱাত আইনজীৱি হোৱাৰ পৰিৱৰ্ত্তে আকোৱালি ললো শিক্ষকতাৰ জীৱন। এই জীৱনৰ মৌৰস পানকৰি মই ইমানেই ইয়াৰ প্ৰতি আকৃষ্ট হৈ পৰিলো যে ছাত্ৰ-ছাত্ৰীসকলৰ চঞ্চলতা আৰু সৰলতাৰে ভৰা কোমল জীৱন আৰু নজনাক জনাৰ আগ্ৰহশীল মনবোৰৰ বাহিৰে পৃথিবীৰ কোনো বস্তুতেই মই সৌন্দৰ্য্য বিচাৰি নোপোৱা হ'লো। এনেতে আহিল পৰিবৰ্ত্তন, দিচাংপানী হাইস্কুলৰ পৰা মোৰ কৰ্মস্থান সলনি হ'ল ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চ মাধ্যমিক বিদ্যালয়লৈ। ইয়াতেই আমাৰ মনত ( অৰ্থাৎ মোৰ আৰু কেইবাজনো সহকৰ্মী বন্ধুৰ ) জন্ম হয় এটি নতুন আশা, এটি নতুন সপোন— সেয়া আছিল এখন 'মহাবিদ্যালয়'। সোণাৰিত উচ্চশিক্ষাৰ বাবে প্ৰতিষ্ঠা কৰিব লাগে এখন মহাবিদ্যালয় সেয়ে আৰম্ভণি।

আৰম্ভ হ'ল প্ৰস্তুতি। ৺হৰনাথ শৰ্মা, ৺প্ৰদ্যুতকুমাৰ সিংহ ৺টঙ্কেশ্বৰ বৰুৱাৰ দৰে বহু উৎসাহী ব্যক্তি আৰু শুভাকাঙ্ক্ষীৰ যুটীয়া প্ৰচেষ্টাত আৰম্ভ হ'ল, সমিতি গঠন, পুঁজি সংগ্ৰহ, ইত্যাদি, লক্ষ্য মাথোন সোণাৰিত স্থাপন হওক 'সোণাৰি মহাবিদ্যালয়'। আজি সেই মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱত অতীতৰ সেই দিনবোৰলৈ উভটি চাই মনত পৰিছে কিছুমান সৰু সৰু অথচ পাহৰিব নোৱাৰা ঘটনা আৰু কিছুমান ব্যক্তিৰ আন্তৰিকতা। আজি সেই অতীত ৰোমন্থনত এই কথাই উপলব্ধি কৰিছো যে সেই সময়ৰ ব্যক্তি শিক্ষক, আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মানসিকতাৰ মাজত কিমানযে ব্যৱধান।

সৰ্ব্বপ্ৰথমেই সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত শ্ৰীপৰাগধৰ চলিহাদেৱে আমাক জনোৱা প্ৰত্যাহবানটোৱে যথেষ্ট অৰিহণা যোগাইছিল, ঘটনাটো আছিল এনেধৰণৰ— সোণাৰিত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব পৰা ব্যক্তি ( আৰ্থিক দিশত ) ৰ অভাৱ নাছিল— এটি অনুষ্ঠান গঢ় লৈ উঠিবলৈ কেৱল ধনেই যথেষ্ট নহয়, প্ৰয়োজন হয় এটি মনৰ। সেয়ে স্কুল ছুটীৰ পাছত মই কেইজনমান সহকৰ্ম্মীসহ আবেলি চাইকেলেৰে যাত্ৰা আৰম্ভ কৰো চাহ চাগিছা সমূহলৈ পুঁজি সংগ্ৰহৰ উদ্দেশ্যে আমাৰ লগৰে কেইজন যায়

গাঁওসমূহলৈ তথাপি আমি বিশ্ববিদ্যালয় অনুমোদন পাবৰ বাবে প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰিব পৰা নাই। অৱশ্যে সেইসময়ৰ মুখ্যমন্ত্ৰী ৺মহেন্দ্ৰমোহন চৌধুৰীদেৱে সোণাৰি ক্লাব ঘৰটোতে কলেজ প্ৰতিষ্ঠা কৰিবলৈ অনুমতি দিয়াত এটা সকাহ পাইছিলো যদিও প্ৰয়োজনীয় পুঁজি গোটাব নোৱাৰাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক শ্ৰীযুত চলিহাদেৱে আমাৰ পুঁজিৰ দুৰৱস্থা দেখি আমাৰ পিঠিত ধকা মাৰি কৈছিল— "ডেকা ল'ৰা এনে এটা প্ৰতিষ্ঠিত ঘৰত তোমালোকে কলেজ পাতিব নোৱাৰাতো লাজৰ কথা। মই পোৱাহ'লে ইয়াত বিশ্ববিদ্যালয় পাতিলোহেঁতেন। তোমালোকক আৰু ১৫ দিন সময় দিলো যদি টকা ৪০ হেজাৰ গোটাব পাৰা কলেজ হ'ব" তেখেতৰ এই প্ৰত্যাহ্বানে আমাক বেছি দৃঢ় কৰিলে আৰু সেই সময় ছোৱাৰ ভিতৰতে আমি প্ৰয়োজনীয় পুঁজিসংগ্ৰহ কৰি বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰিলো. অৱশ্যে এই পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত ৺প্ৰফুল্ল বৰুৱা আৰু শ্ৰীশান্তালাল আগৰৱালাদেৱৰ সহায় সদায়ে চিৰস্মৰণীয় হৈ ৰ'ব।

আমাৰ সপোনৰ বাস্তৱ ৰূপায়ণৰ সেই দিনটো আহি পৰাৰ সময়ত মোৰ ব্যক্তিগত জীৱনৰ এটি কথা অপ্ৰাসঙ্গিক নহব বুলি ভাবিছো। এখন কলেজ গঢ়ি উঠাৰ সময়ত পূৰ্ণপৰ্য্যায়ৰ প্ৰৱক্তা নাথাকিলে যথেষ্ট অসুবিধা হয়। ইতিমধ্যে বৰ্ত্তমানৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱে পূৰ্ণ পৰ্য্যায়ৰ অধ্যক্ষ হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে। সেই সময়ত মোকো সকলোৱে পূৰ্ণ পৰ্য্যায়ৰ প্ৰৱক্তা হিচাবে যোগ দিবলৈ টানি ধৰিছিল - কিন্তু মোৰ পৰিয়ালৰ ভৰণপোষণৰ দায়িত্বৰ কথা ভাবি মই দ্বিধাবোধ কৰিছিলো, কিন্তু মোৰ এই অৱস্থাত মোৰ স্বৰ্গীয়া মাতৃদেৱীয়ে যোগোৱা উৎসাহ আৰু প্ৰেৰণাৰ কথা মই সদায় স্মৰণ কৰি আহিছো। পূৰ্ণপৰ্য্যায়ৰ প্ৰৱক্তা হিচাবে মই পোৱা টকা ১০০ ৰেই আমাৰ পিতৃহীন পৰিয়ালটোৰ পৰিচালনাৰ ভাৰ মোৰ মাতৃয়ে বহন কৰিম বুলি গাতলৈ যি সাহস আৰু প্ৰেৰণা দিলে তাৰ অবিহনে হয়তো এই ৰূপালীবৰ্ষ উদ্‌যাপনৰ আনন্দখিনি হয়তো উপভোগ কৰিব নোৱাৰিলোহেঁতেন।

